www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

কিতাপ হ'ল যৌৱনৰ খাদ্য, বৃদ্ধকালৰ আনন্দ, সমৃদ্ধিৰ অলংকাৰ, বিপদৰ সময়ত সান্তনা আৰু ঘৰৰ বাহিৰত উত্তমভ্ৰমণ-সংগী। — চিচাৰো

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ১১১ | দেওবাৰ | ২৫ জানুৱাৰী, ২০২৬ চন | Volume/Year- I | Issue- 111 | Sunday | 25th January, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page- 8

**তৰুণ গগৈৰ পিঠিত আৰু সৰ্বানন্দ সোণোৱালক বুকুত ডেগাৰ মাৰিছে হিমন্তই ঃ গৌৰৱ গগৈ**



## ৰঙিয়াৰ মৰানজানা হাতীখলা পথাৰত কংগ্ৰেছৰ নিৰ্বাচনী ৰণশিঙা

**অসম বাৰ্তাৰ, ৰঙিয়া, ২৪ জানুৱাৰী ঃ** হাতত হাত ধৰোঁ, নতুন বৰ অসম গঢ়োঁ শ্লোগানেৰে আজি ৰঙিয়াৰ মৰাণজানা হাতিশিলা ভৈৰা পথাৰত অনুষ্ঠিত কৰা হয় কংগ্ৰেছ দলৰ বিশাল কৰ্মী সভা। কামৰূপ, কামৰূপ মহানগৰ, ওদালগুৰি, মৰিগাঁও, নগাঁও, নলবাৰী তামুলপুৰ জিলা কংগ্ৰেছ কমিটিৰ উদ্যোগত অনুষ্ঠিত সভাত প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে অংশগ্ৰহণ কৰে। ▸▸৬ পৃষ্ঠাত

## কোকৰাঝাৰ জিলাত শান্তি পুনঃ প্ৰতিষ্ঠা; ইণ্টাৰনেট সেৱা পুনৰ আৰম্ভ

### জিলা আয়ুক্ত আৰু অতিৰিক্ত এছ পিৰ ছ'চিয়েল মিডিয়াত প্ৰৰোচনামূলক পোষ্ট নকৰিবলৈ আহ্বান

**ষ্টাফ ৰিপৰ্টাৰ, কোকৰাঝাৰ, ২৪ জানুৱাৰী ঃ** কোকৰাঝাৰ জিলাত অশান্তিৰ পিছত শান্তি আৰু স্বাভাৱিক অৱস্থা ঘূৰি অহাৰ পিছত আজি বিয়লি ৪ বজাত জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে জিলা আয়ুক্ত কাৰ্যালয়ত এক সংবাদমেল অনুষ্ঠিত কৰে। এই ▸▸৬ পৃষ্ঠাত

**■ '২৬ত বিজেপিৰ টিকট নাপায় বৰুৱাই, নিৰ্বাচনৰ আশা কৰিব নালাগে ঃ মুখ্যমন্ত্ৰী ■**

# দলে-বলে গেৰুৱা হ'ল শংকৰজ্যোতি বৰুৱা




**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৪ জানুৱাৰী ঃ** দীৰ্ঘদিনীয়া জল্পনা-কল্পনাৰ অৱসান ঘটাই অৱশেষে সদৌ অসম ছাত্ৰ সন্থা (আছু)ৰ প্ৰাক্তন সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই ভাৰতীয় জনতা পাৰ্টি (বিজেপি)ত আনুষ্ঠানিকভাৱে যোগদান কৰিছে। শনিবাৰে গুৱাহাটীৰ বশিষ্ঠস্থিত অটল বিহাৰী বাজপেয়ী ভৱনত (বিজেপিৰ ৰাজ্যিক মুখ্য কাৰ্যালয়) আয়োজিত এক বিশাল যোগদান অনুষ্ঠানত তেওঁ গেৰুৱা বসন পৰিধান কৰে। এই অনুষ্ঠানত শংকৰজ্যোতি ▸▸৬ পৃষ্ঠাত

**জুবিন গাৰ্গ সমাধি ক্ষেত্ৰত দানৰ হিচাপত তীব্ৰ বিতৰ্ক**

## জুবিন ক্ষেত্ৰত নগদ সংগ্ৰহ ১৬.৮০ লাখ টকা, নাই বেংক একাউণ্ট

### আৰটিআই তথ্যত উন্মোচন; হাতে লিখা ৰেজিষ্টাৰত চলিছে লেনদেন



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৪ জানুৱাৰী ঃ** অসমৰ জনপ্ৰিয় সংগীত শিল্পী তথা কিংবদন্তি জুবিন গাৰ্গৰ প্ৰতি জনসাধাৰণৰ গভীৰ শ্ৰদ্ধা আৰু আৱেগৰ সুযোগ লৈ কিছুমানে অস্বচ্ছতা সৃষ্টি কৰিছে নেকি বুলি উঠিছে প্ৰশ্ন। গুৱাহাটীৰ ওচৰৰ সোণাপুৰত অৱস্থিত জুবিন গাৰ্গ সমাধি ক্ষেত্ৰত দান হিচাপে সংগ্ৰহ হোৱা লাখ লাখ টকাৰ বিত্তীয় পৰিচালনাক লৈ এতিয়া তীব্ৰ চাঞ্চল্যৰ সৃষ্টি ▸▸৬ পৃষ্ঠাত



## টি-২০ বিশ্বকাপৰ পৰা বাংলাদেশক বাহিৰ; স্কটলেণ্ডক অন্তৰ্ভুক্ত

### ভাৰতত মেচ খেলাত অস্বীকাৰ কৰাত BCB-ৰ দাবী নাকচ

**অনলাইন ডেস্ক, অসম বাৰ্তা, ২৪ জানুৱাৰী ঃ** আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদ ▸▸৭ পৃষ্ঠাত

## জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় বিচাৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ স্মাৰকপত্ৰ প্ৰেৰণ পৰিয়ালৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৪ জানুৱাৰী ঃ** অসমৰ জনপ্ৰিয় সংগীতশিল্পী জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৰ ▸▸৬ পৃষ্ঠাত

## মুখ্যমন্ত্ৰীয়ে কেৱল চমক সৃষ্টি কৰিবলৈকে উচ্ছেদ চলাই থকাৰ অভিযোগ বীৰ লাচিত সেনাৰ

### চৰকাৰে ব্যৱস্থা নল'লে নিজাকৈ বাংলাদেশীৰ বিৰুদ্ধে ব্যৱস্থা লোৱাৰ হুংকাৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৪ জানুৱাৰী ঃ** বীৰ লাচিত সেনাই কংগ্ৰেছ দলক ▸▸৬ পৃষ্ঠাত

**যোৰহাট সদৰ থানাত এজাহাৰ দাখিল কৰি বিৰোধী ঐক্যবদ্ধ সংগ্ৰামৰ আহ্বান; বিজেপিৰ বিৰুদ্ধে গণতন্ত্ৰ ধ্বংসৰ অভিযোগ**

## বকোৰ ভোটাৰ তালিকা চুৰিৰ অভিযোগত জিলা আয়ুক্তসহ ৭ জনৰ বিৰুদ্ধে এজাহাৰ দাখিল অখিল গগৈৰ



**ষ্টাফ ৰিপৰ্টাৰ, যোৰহাট, ২৪ জানুৱাৰী ঃ** অসমৰ আগন্তুক ২০২৬ বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত ভোটাৰ তালিকাত চুৰি বা জালিয়াতিৰ অভিযোগে ৰাজ্যৰ ৰাজনীতিত তীব্ৰ বিতৰ্কৰ সৃষ্টি কৰিছে। এই প্ৰসংগত ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক ▸▸৬ পৃষ্ঠাত

**■ গৌতম গম্ভীৰৰ কামাখ্যা মন্দিৰত আশিস গ্ৰহণ ■**

## বৰ্ষাপাৰাত আজি ভাৰত-নিউজিলেণ্ডৰ তৃতীয় টি-২০ মেচ



□ গুৱাহাটীত উপস্থিত দুয়োটা দল

□ সন্ধিয়া ৭ বজাত হাইভল্টেজ মেচ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৪ জানুৱাৰী ঃ** চলিত নিউজিলেণ্ডৰ বিপক্ষে পাঁচ মেচৰ টি-২০ ছিৰিজৰ তৃতীয়খন মেচ আজি বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত ▸▸৭ পৃষ্ঠাত

## কাহিলীপাৰাৰ শোকাৱহ দুৰ্ঘটনাৰ এম্বুলেন্স চালক ৰেকিবুদ্দিন আহমেদৰ আত্মসমৰ্পণ

**ষ্টাফ ৰিপৰ্টাৰ, জালুকবাৰী, ২৪ জানুৱাৰী ঃ** অসমৰ ৰাজধানী গুৱাহাটীৰ কাহিলীপাৰাত সৰস্বতী পূজাৰ দিনা সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত ▸▸৬ পৃষ্ঠাত

## ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত অনুষ্ঠিত নহয় মেট্ৰিক, HS



### ব্যক্তিগত খণ্ডৰ শিক্ষকক নিয়োগ কৰা নহয় পৰীক্ষা কেন্দ্ৰত ঃ মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৪ জানুৱাৰী ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সাংবাদিকৰ আগত প্ৰকাশ কৰিছে যে ফেব্ৰুৱাৰী মাহত ৱৰ্ল্ড ইকনমিক ফ'ৰাম (ডাভোছ)ত অসমত ▸▸৬ পৃষ্ঠাত

**বৰষুণ বিঘ্নিত মেচত আয়ুষ মাত্ৰেৰ ৫৩ আৰু বৈভৱ সূৰ্যৱংশীৰ ৪০, আৰ এছ অম্বৰীশৰ ৪ উইকেট**

## অনূৰ্ধ্ব-১৯ বিশ্বকাপত নিউজিলেণ্ডক ৭ উইকেটত পৰাস্ত টিম ইণ্ডিয়াৰ



**অনলাইন ডেস্ক, অসম বাৰ্তা, ২৪ জানুৱাৰী ঃ** অনূৰ্ধ্ব-১৯ ক্ৰিকেট বিশ্বকাপ ২০২৬ত ভাৰতৰ অপৰাজিত অভিযান অব্যাহত ৰহিল। গ্ৰুপ 'বি'ৰ শেষ খেলত শনিবাৰে ভাৰত উৰণীয়া ভাৱে ▸▸৬ পৃষ্ঠাত

**বৰক্ষেত্ৰী সমষ্টিত বিজেপিক ভোট দি জয়যুক্ত কৰিবলৈ আহ্বান জনাই ২০০০ নতুন অৰুণোদয় আঁচনি ঘোষণা**



## কংগ্ৰেছ বা অখিল গগৈ জিকিলে অসমত মিঞাৰ ৰাজত্ব চলিব

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২৪ জানুৱাৰী ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত নপ্তিপাৰাত আজি আনুষ্ঠানিকভাৱে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহিলা উদ্যমিতা আঁচনিৰ অধীনত চেক বিতৰণ কৰে। সমষ্টিটোৰ সৰ্বমুঠ ৩০, ৮০৬ গৰাকী মহিলাক প্ৰদান কৰা হয় এই আঁচনিৰ অধীনৰ ▸▸৬ পৃষ্ঠাত



# ৰাষ্ট্ৰীয় সন্মানেৰে ড° ৰাজীৱ কুমাৰ মহত্ত্বই গৌৰৱান্বিত কৰিলে উত্তৰ-পূৰ্বাঞ্চল

**অসম বাৰ্তা, মাণিকপুৰ, ২৪ জানুৱাৰী ঃ** বিগত তিনিদশকৰো অধিক সময় ধৰি নীৰৱে কিন্তু একাগ্ৰতাৰে সাহিত্য চৰ্চা, সামাজিক সেৱা আৰু মানৱিক কৰ্মত নিজকে উৎসৰ্গিত কৰি অহা উত্তৰ-পূৰ্বাঞ্চলৰ গৌৰৱ ড° ৰাজীৱ কুমাৰ মহত্ত্ব পুনৰবাৰ ৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি লাভ কৰি সংবাদ শিৰোনাম দখল কৰিবলৈ সক্ষম হৈছে। অসমৰ ডিব্ৰুগড় জিলাৰ এটি চাহ জনগোষ্ঠীৰ সাধাৰণ পৰিয়ালত জন্মগ্ৰহণ কৰা ড° মহত্ত্বই সীমিত সম্পদ আৰু নানা প্ৰতিকূলতাৰ মাজতো অধ্যৱসায়, শ্ৰম আৰু নিষ্ঠাৰ দ্বাৰা নিজকে এক স্বতন্ত্ৰ পৰিচয় দিয়া ব্যক্তিত্ব হিচাপে প্ৰতিষ্ঠা কৰিছে। অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ প্ৰতি গভীৰ অনুৰাগ থকা ড° ৰাজীৱ কুমাৰ মহত্ত্বই বিগত প্ৰায় ৩৫ বছৰে সাহিত্য চৰ্চা কৰি অহাৰ লগতে নিজৰ উপাৰ্জিত ধনেৰে বহু দৰিদ্ৰ আৰু অসহায় পৰিয়ালৰ মুখত হাঁহি বিৰিঙাবলৈ সক্ষম হৈছে। কেৱল অসমতেই সীমাবদ্ধ নাথাকি তেওঁ উৰিষ্যা, পশ্চিমবংগ আদি বহিঃৰাজ্যতো সমাজ সেৱামূলক কাৰ্যত সক্ৰিয়ভাৱে জড়িত হৈ অহাৰ ফলত বহিঃৰাজ্যতো সমান আদৰ আৰু স্বীকৃতি লাভ কৰিছে। বৰ্তমান উত্তৰপূৰ্ব জাৰ্নেলিষ্ট এণ্ড ডিজিটেল মিডিয়া সন্থাৰ অসম ৰাজ্যিক সমিতিৰ সভাপতি হিচাপে দায়িত্ব পালন কৰি অহা ড° মহত্ত্বই সাংবাদিকতা আৰু ডিজিটেল মিডিয়াৰ জৰিয়তে সমাজত ইতিবাচক চিন্তা, নৈতিক মূল্যবোধ আৰু মানৱতাৰ বাণী প্ৰচাৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। চাহ শ্ৰমিক সমাজখন অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ- এই সত্যক নিজৰ জীৱন আৰু কৰ্মৰ জৰিয়তে প্ৰতিষ্ঠা কৰা ড° মহত্ত্বই অসমীয়া ভাষা-সাহিত্যৰ চৰ্চাত নিজকে সম্পূৰ্ণৰূপে নিমগ্ন কৰি ৰাখিছে। বিশেষকৈ সমাজত গভীৰভাৱে শিপা মেলা অন্ধবিশ্বাসৰ বিৰুদ্ধে তেওঁ গ্ৰহণ কৰা সাহসী পদক্ষেপ বিশেষভাৱে উল্লেখযোগ্য। ডাইনী হত্যাৰ দৰে অমানৱীয় কুপ্ৰথাৰ বিৰুদ্ধে জনমত গঠন কৰাৰ উদ্দেশ্যে বাগিচাই বাগিচাই 'মাংৰী ডাইনী নহয়' শীৰ্ষক গীতি-সাহিত্যভিত্তিক আলেখ্য প্ৰদৰ্শন কৰি সমগ্ৰ ৰাজ্যখনত ব্যাপক চৰ্চাৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। এই কাৰ্যসূচীয়ে কেৱল সচেতনতা বৃদ্ধি কৰাই নহয়, বহু লোকক যুক্তিবাদী চিন্তাৰ দিশে আগুৱাই নিবলৈ সহায় কৰিছিল। সাহিত্য, সংস্কৃতি, সাংবাদিকতা আৰু সমাজ সেৱা- এই সকলো ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে ইতিমধ্যে বিভিন্ন সামাজিক অনুষ্ঠান আৰু প্ৰতিষ্ঠানে ড° ৰাজীৱ কুমাৰ মহত্ত্বক সন্মানিত কৰিছে। এই শ্ৰেণীৰেই এক গুৰুত্বপূৰ্ণ স্বীকৃতি হিচাপে দিল্লীস্থিত Tretayuc Foundation নামৰ প্ৰতিষ্ঠানটোৱে গণতন্ত্ৰ দিৱস উপলক্ষে তেওঁক "National Pride and Excellence Award 2024" বঁটা প্ৰদান কৰে। এই ৰাষ্ট্ৰীয় পৰ্যায়ৰ সন্মানে কেৱল ড° মহত্ত্বকেই নহয়, সমগ্ৰ চাহ জনগোষ্ঠী সমাজ আৰু উত্তৰ-পূৰ্বাঞ্চলকো গৌৰৱান্বিত কৰিছে। জীৱনৰ বহু ঘাত-প্ৰতিঘাত, আলোচনা-সমালোচনা অতিক্ৰম কৰি "কৰ্মই ধৰ্ম" এই নীতিত বিশ্বাস ৰাখি আগবাঢ়ি অহা ড° ৰাজীৱ কুমাৰ মহত্ত্বই নিজৰ কৰ্মৰ জৰিয়তেই ভৱিষ্যৎ গঢ়ি তুলিবলৈ সক্ষম হৈছে। তেওঁৰ এই সাফল্যত সন্তোষ প্ৰকাশ কৰি উত্তৰপূৰ্ব জাৰ্নেলিষ্ট এণ্ড ডিজিটেল মিডিয়া সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি তথা ভাৰতীয় প্ৰশাসনিক সংস্কাৰ আৰু ৰাজহুৱা অভিযোগ পৰিষদ অসম প্ৰদেশৰ সাধাৰণ সম্পাদক ৰাস্নামণি গগৈ, কাৰ্যকৰী সভাপতি তথা ভাৰতীয় প্ৰশাসনিক সংস্কাৰ আৰু ৰাজহুৱা অভিযোগ পৰিষদ অসম প্ৰদেশৰ সভাপতি কুৰবান আলী আহমেদ আৰু উত্তৰ পূব জাৰ্নেলিষ্ট এণ্ড ডিজিটেল মিডিয়া সন্থাৰ সাধাৰণ সম্পাদক তৰুণ গগৈয়ে ড° মহত্ত্বৰ উজ্জ্বল ভৱিষ্যৎ আৰু অবিৰত সফলতাৰ কামনা কৰে।

**অৰণ্য মানৱ, মুলাই কাঠনিৰ স্ৰষ্টা তথা পদ্মশ্ৰী বঁটা প্ৰাপক যাদৱ পায়েং দেৱলৈ "ডুগডুগী অসম বঁটা-২০২৫" প্ৰদান**

## ডুগডুগী ত্ৰয়োদশ বৰ্ষপূৰ্তি আৰু ডুগডুগী ফাউণ্ডেশ্যনৰ দ্বিতীয় প্ৰতিষ্ঠা দিৱস




**অসম বাৰ্তা, ৰহা, ২৪ জানুৱাৰী ঃ** অৰণ্য মানৱ পদ্মশ্ৰী যাদৱ পায়েঙলৈ আগবঢ়োৱা হৈছে "ডুগডুগী অসম বঁটা-২০২৫। " ডুগডুগী প্ৰতিষ্ঠানৰ ত্ৰয়োদশ বৰ্ষপুতি আৰু ডুগডুগী ফাউণ্ডেচনৰ দ্বিতীয় বৰ্ষপুতিৰ উপলক্ষে শুক্ৰবাৰে ৰহা ক্ৰিয়া সন্থাৰ প্ৰেক্ষাগৃহত এই বঁটা প্ৰদান কৰা হয় 'মুলাই কাঠনি'ৰ স্ৰষ্টা যাদৱ পায়েঙক। বিশিষ্ট যুৱ ব্যৱসায়ী উৎপল বনিয়াৰ অধ্যক্ষতাত গঢ়ি উঠা ডুগডুগী ফাউণ্ডেচনে ২০২৪ বৰ্ষৰ পৰা ৰাজ্যৰ বিশেষ ব্যক্তিক প্ৰদান কৰি আহিছে এই ডুগডুগী অসম বঁটা। এইবাৰ এই বঁটা আগবঢ়োৱা হয় অৰণ্য মানৱ যাদৱ পায়েঙক। এই বঁটাত আছে ২৫ হাজাৰ টকা টকা, গামোচা, জাপি চেলং, শৰাই, স্মাৰক, গছপুলি, সম্বৰ্দ্ধন পত্ৰ ইত্যাদি। বঁটা গ্ৰহণ কৰি পদ্মশ্ৰী যাদৱ পায়েঙে এনে বঁটাই অনুপ্ৰেৰণা দিয়ে বুলি মন্তব্য কৰে। লগতে শদিয়াৰ পৰা ধুবুৰীলৈ ব্ৰহ্মপুত্ৰৰ চৰ চাপৰিবোৰ সেউজ কৰাৰ মন আছে বুলিও গুৰুত্বপূৰ্ণ মন্তব্য কৰে। অনুষ্ঠানত ডুগডুগী ফাউণ্ডেচনৰ তৰফৰ পৰা ৰহাৰ বিভিন্ন ক্ষেত্ৰত আগবঢ়োৱা এশগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। এই বঁটা প্ৰদান অনুষ্ঠানত নগাঁৱৰ সাংসদ প্ৰদ্যুত বৰদলৈ, অসমীয়া ভাষাৰ বিশিষ্ট গৱেষক ভাস্কৰ বৰদলৈ, অসম সাহিত্য সভাৰ উপ সভাপতি পদুম ৰাজখোৱাৰ লগতে ৰহাৰ দুই শতাধিক গণ্যমান্য ব্যক্তি উপস্থিত থাকে। উক্ত অনুষ্ঠান ডুগডুগীৰ স্বত্বাধিকাৰ উৎপল বণিয়াৰ কবিতা-পুথি অংশুমালা উন্মোচন কৰে অসম সাহিত্য সভাৰ উপ সভাপতি পদুম ৰাজখোৱা। ইয়াৰ লগতে পৰিৱেশ সুৰক্ষাকৰণৰ বাবে অসমৰ বিভিন্ন ঠাইত গছপুলি ৰোপণ কৰা হয়। উক্ত অনুষ্ঠান টিত আত ধৰে জ্যেষ্ঠ সাংবাদিক জ্যোতিপ্ৰসাদ বৰা আৰু তেওঁক সহায় কৰে খবৰ নষ্ট ইষ্টৰ সহযোগী সম্পাদক প্ৰবীন চন্দ্ৰ দাসে। সদৌ শেষত জাতীয় সংগীতৰে অনুষ্ঠান টিৰ সফল সামৰণি পৰে।

## গোপাল চন্দ্ৰ বৰুৱাৰ মৃত্যুত শোক প্ৰকাশ

**অসম বাৰ্তা, জাঁজী, ২৪ জানুৱাৰী ঃ** শিৱসাগৰৰ উদ্দীপন দ্ৰাগ ডিষ্টিবিউতৰৰ স্বৰ্তাধিকাৰী অৰূপ বৰুৱাৰ(বাপু'ৰ) পিতৃ ধৰ্মপ্ৰাণ ব্যক্তি গোপাল চন্দ্ৰ বৰুৱাৰ যোৱা (৯৬) ২১ জানুৱাৰী দিনৰ ১২ বজাত শিৱসাগৰ নগৰৰ মেলাচকৰ নিজা বাসগৃহত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হ'য়। তেওঁ মৃত্যুৰ সময়ত পত্নীসহ দুজন পুত্ৰ-বোৱাৰী, দুগৰাকী জী-জোঁৱাই, নাতি-নাতিনীৰ লগতে বহু আত্মীয়-স্বজনক ইহ সংসাৰত এৰি থৈ যায়। ধৰ্মপ্ৰাণ ব্যক্তিগৰাকীৰ মৃত্যুত গ্ৰাম্য ঔষধ ব্যৱসায়ী সংস্থাৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি কৌশিক ফুকন, সম্পাদক ৰিতু ৰাজখোৱা, প্ৰচাৰ সম্পাদক দিগন্ত শৰ্মাই শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

## আমগুৰিত সদৌ অসম লেখিকা সমাৰোহৰ "শিশু সাহিত্য বঁটা" জুৰি শইকীয়াক প্ৰদান

**অসম বাৰ্তা, আমগুৰি, ২৪ জানুৱাৰী ঃ** সদৌ অসম লেখিকা সমাৰোহৰ কলিয়াবৰ দ্বিবাৰ্ষিক অধিবেশনত অন্যান্য বঁটাৰ লগতে প্ৰদান কৰা সম্প্ৰীতি শইকীয়া(টুকটুক) সোঁৱৰণী "শিশু সাহিত্য বঁটা"টি আজি বঁটা প্ৰাপক বিশিষ্ট শিশু সাহিত্যিক, লেখিকা, ঔপন্যাসিক আমগুৰিৰ জুৰি শইকীয়াক প্ৰদান কৰা হয়। উল্লেখ্য যে নগাঁও জিলাৰ কলিয়াবৰত অনুষ্ঠিত কেন্দ্ৰীয় লেখিকা সমাৰোহত উপস্থিত থাকিব নোৱাৰাৰ বাবে আমগুৰি আঞ্চলিক সমিতিয়ে লেখিকা গৰাকীৰ হৈ বঁটাটি গ্ৰহণ কৰিছিল। আজি আমগুৰি কেন্দ্ৰীয় পুথিভঁৰালত এক গাম্ভীৰ্যপূৰ্ণ পৰিবেশত শ্ৰীমতী শইকীয়াক এই বঁটা সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ হৈ অনানুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। অনুষ্ঠানটি আঁত ধৰে সমাৰোহৰ কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহক সদস্য তথা আমগুৰিৰ সমাজ জীৱনৰ এক অগ্ৰণী সমাজকৰ্মী, লেখিকা দীপালি শইকীয়া বৰুৱাই। আমগুৰি পৌৰসভাৰ পৌৰপতি অনামিকা নেওগ বৈশ্য, প্ৰবীণ লেখিকা তোযেশ্বৰী নেওগ ফুকন, মীৰা বৰুৱা, জ্যেষ্ঠ সাংবাদিক তথা লেখক হেমন্ত কুমাৰ বৰা, সাংবাদিক অনুৰাগ শইকীয়াকে ধৰি লেখিকা সমাৰোহ, কান্ত্ৰি উইমেনচ আৰু সমাজৰ বিভিন্ন স্তৰৰ মহিলা বঁটা প্ৰদান অনুষ্ঠানত উপস্থিত থাকি নিজৰ অনুভৱ ব্যক্ত কৰে আৰু মহিলা সকল নিষ্ঠাৰে সৃষ্টিশীল কামত লাগি থকাৰ বাবে শলাগ লয় আৰু বঁটাপ্ৰাপক লেখিকা গৰাকীৰ সৃষ্টিমূলক কৰ্মৰ বিষয়ে চমু আলোকপাত কৰে। হিৰণ্য দুৱৰা আৰু ৰাণী শৰ্মাই গীত পৰিবেশন কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। এই মৰ্য্যাদাসম্পন্ন বঁটাটো লাভ কৰাৰ বাবে লেখিকা শইকীয়াক অভিনন্দন জ্ঞাপন কৰে। অনুষ্ঠানত উপস্থিত সাহিত্যপ্ৰেমী সকলোকে ৰজিতা মণি বৰা, মীনু দত্ত বৰা, গীতালি বৰা, সন্ধ্যাৰাণী শইকীয়া, উৰ্মিলা দত্তই ধন্যবাদ জ্ঞাপন কৰে।

## চাপানালাৰ চম্পাৱতী জলপ্ৰপাতত মহাকুণ্ড মেলা আৰম্ভ

**অসম বাৰ্তা, পুৰণিগুদাম, ২৪ জানুৱাৰী ঃ** নগাঁও জিলাৰ চাপানালাৰ চম্পাৱতী জলপ্ৰপাতত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে মহাকুণ্ডমেলা। নগাঁও চহৰৰ পৰা ২৫ কিলোমিটাৰ নিলগত অৱস্থিত চাপানালাৰ চম্পাৱতী জলপ্ৰপাতত অনুষ্ঠিত মহাকুণ্ডমেলাৰ আজি প্ৰথম দিনা ভক্তৰ সমাগম হয় যদিও পূৰ্বৰ বৰ্ষ সমূহৰ তুলনাত এইবাৰ কুণ্ডমেলাত ভক্তৰ উপস্থিতি কম হোৱা দেখা যায়। বহু ভক্তপ্ৰাণ ৰাইজে আজি মহাকুণ্ডমেলাত বনভোজ খোৱাৰ লগতে নাচি-বাগি আনন্দ উপভোগ কৰে। লগতে ভক্তপ্ৰাণ ৰাইজে চম্পাৱতী কুণ্ডত চাকি-বন্তি-ধূপ জ্বলাই মনৰ কামনা পূৰণৰ বাবে সেৱা জনায়। উল্লেখযোগ্য যে, নগাঁও জিলাৰ পুৰণিগুদামৰ ৰাষ্ট্ৰীয় ঘাইপথ গড়মূৰ তিনিআলিৰ পৰা প্ৰায় পোন্ধৰ কিলোমিটাৰ পূব দিশত অৱস্থিত প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপূৰ অঞ্চল চাপানালা। নগাঁও-কাৰ্বিআংলং জিলাৰ সীমান্তৱৰ্তী চোৰাং বনাঞ্চলৰ লেমলেমী নামৰ পাহাৰখনৰ বুকুৰ পৰা শিলৰ ফাঁকেৰে নামি আহিছে উত্তৰ-পূব ভাৰতৰ অন্যতম সৰ্ববৃহৎ জলপ্ৰপাতত চম্পাৱতী জলপ্ৰপাতত। অপৰূপ প্ৰাকৃতিক সৌন্দৰ্য্যত চহকী উত্তৰ-পূব ভাৰতৰ ভিতৰতে সৰ্ববৃহৎ জলপ্ৰপাত চম্পাৱতীয়ে ইতিমধ্যে দেশ-বিদেশৰ প্ৰকৃতি প্ৰেমীসকলক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। কথিত আছে যে, মাঘ মাহৰ শুক্লা সপ্তমী তিথিত চাপানালাৰ চম্পাৱতী জলপ্ৰপাতত স্নান কৰিলে পুণ্য অৰ্জন হয়। সেইবাবেই প্ৰতি বছৰে মাঘ মাহত সৰস্বতী পূজাৰ পিছদিনা আজিৰ দিনটোত চম্পাৱতী জলপ্ৰপাতত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা অগণন ভক্তৰ সমাবেশ ঘটিছে। মাঘী সপ্তমী তিথিত চম্পাৱতী কুণ্ডত স্নান কৰিলে ৰোগ-ব্যাধি দূৰ হোৱাৰ লগতে পুণ্য অৰ্জন হয় বুলি জনবিশ্বাসৰ বাবেই এই জলপ্ৰপাতত আজিৰ দিনটোত জনসমুদ্ৰত পৰিণত হয়। মাঘী সপ্তমী তিথিত সকলোৱে মনৰ কামনা পূৰণৰ বাবে চম্পাৱতী জলপ্ৰপাতস্থলীত চাকি-বন্তি জ্বলায়। মহাকুণ্ডমেলালৈ ঘৰৰ পৰা আহিব নোৱাৰা লোকৰ বাবে বটল বা তেনেধৰণৰ পাত্ৰত জলপ্ৰপাতৰ পানী নি দিয়াটোও পুণ্য অৰ্জনৰ কাম বুলি জনবিশ্বাস চলি আহিছে। কিংবদন্তী অনুসৰি, মহাভাৰতত বৰ্ণিত হংসধ্বজ ৰজাৰ কন্যা চম্পাৱতীয়ে প্ৰতিবছৰে মাঘ মাহৰ শুক্লা সপ্তমী তিথিত শিৱ আৰাধনা হেতু উক্ত জলপ্ৰপাতত স্নান কৰি শিৱৰ বৰ লাভ কৰি পুণ্য অৰ্জন কৰিছিল। সেইবাবেই এই জলপ্ৰপাতৰ নাম চম্পাৱতী হয় বুলি কিংবদন্তী প্ৰকাশ। মেঘালয়ৰ বিদন-বিছপ জলপ্ৰপাতকৈও বৃহৎ এই চম্পাৱতী জলপ্ৰপাত লৈ পৰ্যটকৰ আকৰ্ষণৰ বহুগুণে বৃদ্ধি পাইছে। এই জলপ্ৰপাতত আছে এক সুন্দৰ বনভোজ খাব পৰা পৰিৱেশ। জলপ্ৰপাতৰ নামনিত আছে চাহ বাগিছা। ইয়াৰ উপৰিও বনভোজ খাব পৰাকৈ সুকীয়া স্থান থকাৰ বাবে নৱেম্বৰ মাহৰ পৰা মাৰ্চ মাহ পৰ্যন্ত এই জলপ্ৰপাতত অসংখ্য বনভোজ দলে ভিৰ কৰে। চাপানালাৰ চম্পাৱতী কুণ্ড নামেৰে জনাজাত এই জলপ্ৰপাতটো তিনিটা ভাগত বিভক্ত। তল কুণ্ড, মাজ কুণ্ড আৰু ওপৰ কুণ্ড। এই জলপ্ৰপাতটোলৈ উঠা-নমা কৰা চিৰি নথকাৰ বাবে প্ৰকৃত সৌন্দৰ্য উপভোগ কৰাৰ পৰা বঞ্চিত হয় জলপ্ৰপাতলৈ অহা অগণণ লোকৰ লগতে বনভোজৰ



দলসমূহ। বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এই জলপ্ৰপাতস্থলীত ক্ষেত্ৰ অধ্যয়নৰ বাবেও আহে। এনেক্ষেত্ৰত ৰাজ্য চৰকাৰৰ পৰ্যটন বিভাগে জলপ্ৰপাতটোলৈ উঠা-নমা কৰাৰ বাবে চিৰিৰ ব্যৱস্থা কৰিলে ছাত্ৰ-ছাত্ৰীৰ লগতে পৰ্যটক আৰু বনভোজ দলসমূহে প্ৰকৃত সৌন্দৰ্য উপভোগ কৰিব পাৰিব।

## যোৰহাটৰ ৩৬ নং নালকটা বিদ্যালয়ত গ্ৰন্থ উন্মোচন

**অসম বাৰ্তা, নিমাতীঘাট, ২৪ জানুৱাৰী ঃ** যোৰহাটৰ এগৰাকী প্ৰবীণ লেখক তৰুণ চন্দ্ৰ শৰ্মাৰ ষষ্ঠখন গ্ৰন্থ "স্মৃতিৰ আঁৰৰ জ্ঞান মন্দিৰ" নামৰ গ্ৰন্থখন ২৩ জানুৱাৰীত ৩৬ নং নালকটা প্ৰাথমিক বিদ্যালয়ত এক গাম্ভীয্যপূৰ্ণ সভাত উন্মোচন কৰে। সমাজ কৰ্মী ৰমেন বৰাই সঞ্চালনা কৰা সভাখনিত যোৰহাট জিলা প্ৰেছ ক্লাবৰ প্ৰাক্তন সভাপতি তথা জ্যেষ্ঠ সাংবাদিক অশোক বৰুৱাই গ্ৰন্থখন উন্মোচন কৰি আঁশিৰ উদ্ধৰ লেখক গৰাকীৰ এনে প্ৰচেষ্টাক শলাগ লয়। গ্ৰন্থ উন্মোচনী সভাত বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ ডাক্তৰ ৰঞ্জিত বৰুৱা, ৩৩ নং চাৰিগাঁও গাঁও পঞ্চায়তৰ সভাপতি চন্দন বৰুৱা, শিল্পী পেঞ্চনাৰ কমল দত্ত, শিক্ষা বিভাগৰ খণ্ড সমল শিক্ষক পল্লৱী কোঁৱৰে শুভেচ্ছা মূলক বক্তব্য প্ৰদান কৰে। উল্লেখযোগ্য যে ৩৬ নং নালকটা বিদ্যালয় খনৰ পৰিচালনা সমিতিয়ে বিদ্যালয় খনৰ স্মৃতি জড়িত হৈ থকা গ্ৰন্থখন প্ৰকাশৰ দায়িত্ব পালন কৰে। গ্ৰন্থখনৰ উন্মোচনীৰ প্ৰাক মুহূৰ্তত বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক অনিমা দত্তই। গ্ৰন্থ খনৰ লেখক তৰুণ শৰ্মাই বক্তব্য আগবঢ়োৱা সভাখনত অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ইলা হাজৰিকা, সমল শিক্ষক অমৰজ্যোতি গগৈ, আৰু যথেষ্ট সংখ্যক গুণি জ্ঞানী ব্যক্তি উপস্থিত থাকে। সমাজকৰ্মী জগন্নাথ অগ্নি বৰাই আতধৰা আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি বিশ্বজিৎ দত্তই উদ্দেশ্য ব্যাখ্যা আগবঢ়োৱা সভাখনত শলাগৰ শৰাই আগবঢ়াই প্ৰধান শিক্ষয়িত্ৰী ৰত্মা নন্দিয়ে।

## গড়গাঁও মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'গড়গঞা' উন্মোচন



**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ২৪ জানুৱাৰী ঃ** অসমৰ অন্যতম উচ্চ শিক্ষানুষ্ঠান গড়গাঁও মহাবিদ্যালয়ত সৰস্বতী পূজা উপলক্ষ্যে আয়োজিত এক বৰ্ণাঢ্য অনুষ্ঠানত মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'গড়গঞা'ৰ ২০২৩-২৪ বৰ্ষৰ সংখ্যাটি উন্মোচন কৰা হয়। আলোচনীখন উন্মোচন কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক ড° সব্যসাচী মহন্তই কয় যে শিক্ষাৰ্থীৰ প্ৰতিভা বিকাশ, বৌদ্ধিক তথা সৃষ্টিশীল দক্ষতা বৃদ্ধিৰ বাবে মহাবিদ্যালয়খনে সময়ে সময়ে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। এনে পদক্ষেপৰ অংশ হিচাপে প্ৰত্যেক বছৰে ছাত্ৰ একতা সভাৰ উদ্যোগত বাৰ্ষিক আলোচনী 'গড়গঞা' প্ৰকাশ কৰি অহা হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক-সাহিত্যিক- সাংস্কৃতিক বুদ্ধিমত্তা, কলাত্মক চিন্তা আদি প্ৰকাশ কৰিব পৰাকৈ সৰ্বাংগসুন্দৰ ৰূপত প্ৰস্তুত কৰি উলিওৱা এই বৰ্ষৰ আলোচনীখন মহাবিদ্যালয়ৰ সাহিত্য চৰ্চাৰ ইতিহাসত অনন্য সংযোজন বুলি তেখেতে মত প্ৰকাশ কৰে। অনুষ্ঠানটিত মহাবিদ্যালয়ৰ উপাধ্যক্ষ দিগন্ত কোঁৱৰ, ছাত্ৰ একতা সভাৰ উপদেষ্টা ড° দিলীপ কুমাৰ ডেকাৰ লগতে বিভিন্ন বিভাগৰ অধ্যাপক, কৰ্মচাৰী আৰু শিক্ষাৰ্থীসকল উপস্থিত থাকে। ২০২৩-২৪ বৰ্ষৰ গড়গাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাহিত্য সম্পাদক প্ৰিয়দৰ্শিনী গগৈয়ে সম্পাদনা কৰা আলোচনীখনত অধ্যয়নৰত আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকাৰ অসমীয়া আৰু ইংৰাজী ভাষাৰ ভিন্ন লেখা সন্নিবিষ্ট কৰা হৈছে। প্ৰবন্ধ, কবিতা, চুটিগল্প, উপন্যাসিকা, হাস্য ৰসাত্মক লেখা, নাটক, নীলা খামৰ চিঠি, অনুভৱ লেখা, চলচ্চিত্ৰ আৰু গ্ৰন্থ সমালোচনা, সাক্ষাৎকাৰ আদি আলোচনীখনত সামৰি লোৱা হৈছে। সম্পাদনা সমিতিৰ সভাপতি হিচাপে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° সব্যসাচী মহন্ত; তত্ত্বাৱধায়ক হিচাপে নীলাক্ষি চেতিয়া, ড° আন্না গগৈ আৰু ড° শ্যামলীমা শইকীয়া, উপদেষ্টা হিচাপে ড° দেৱযানী বকলীয়াল আৰু ড° অংকুৰ দত্ত, ছাত্ৰ সদস্য হিচাপে পাৰ্থ প্ৰতীম গগৈ, নীহাশ্ৰী কলিতা আৰু মন অৰণ্য ফুকনে আলোচনীখন প্ৰস্তুত হোৱাৰ ক্ষেত্ৰত বিশেষ দায়িত্ব পালন কৰে বুলি জানিবলৈ দিয়ে।

## বাহনা মহাবিদ্যালয়ত দুদিনীয়া আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ সফল সমাপ্তি

**অসম বাৰ্তা, নিমাতীঘাট, ২৪ জানুৱাৰী ঃ** যোৰহাটৰ উচ্চ শিক্ষাৰ অগ্ৰণী প্ৰতিষ্ঠান বাহনা মহাবিদ্যালয়ৰ হীৰক জয়ন্তী বৰ্ষ উদযাপনৰ লগত সংগতি ৰাখি গণিত আৰু পৰিসংখ্যা বিজ্ঞান বিভাগে, বাহনা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান নিশ্চিতকৰণ কোষৰ সহযোগত আৰু অসম গণিত শিক্ষায়তন (AAM) ৰ সহযোগিতাত ২০-২১ জানুৱাৰী, ২০২৬ তাৰিখে অনলাইন মাধ্যমত "1st International Conference on Recent Trends in Mathematics and Statistics(ICRTMS-I)"শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় সন্মিলনখন সফলভাৱে অনুষ্ঠিত হৈ যায়। আয়োজক সমিতিৰ যুটীয়া সম্পাদক ড° তৌচিফুৰ ৰহমানে আঁত ধৰা সন্মিলনৰ উদ্বোধনী অনুষ্ঠান ২০ জানুৱাৰী তাৰিখে পুৱা অনুষ্ঠিত হোৱা অধিৱেশনত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চুম্বিত চলিহাৰ আদৰণী ভাষণ প্ৰদান কৰে আৰু সন্মিলনৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে কমিটিৰ অন্যতম আহ্বায়ক ড° শ্যামলী দত্তয়ে পৰিচয়মূলক বক্তব্য প্ৰদান কৰে। উদ্বোধনী ভাষণ প্ৰদান কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মাননিয় উপাচাৰ্য প্ৰাধ্যাপক জিতেন হাজৰিকাই। তেখেতে গণিত আৰু পৰিসংখ্যা বিজ্ঞান বিষয়ত আন্তঃবিষয়ক গৱেষণাৰ গুৰুত্ব আৰু সাম্প্ৰতিক গৱেষণাৰ দিশসমূহৰ ওপৰত আলোকপাত কৰে। বিশেষ ভাষণত অসম গণিত শিক্ষায়তন(AAM)ৰ সভাপতি প্ৰাধ্যাপক ড° প্ৰবীণ দাসে এনে সন্মিলনে গৱেষণা সংস্কৃতি গঢ়ি তোলাত লোৱা ভূমিকা সন্দৰ্ভত আলোচনা কৰে। সন্মিলনৰ মূল ভাষণ প্ৰদান কৰে University Malaysia Pahang AI-Sultan Abdullaৰ Prof. Muhamad Mat Noor দেৱে। তেখেতে গণিত বিজ্ঞানৰ সাম্প্ৰতিক গৱেষণাৰ বিভিন্ন দিশ আৰু ভৱিষ্যৎ প্ৰত্যাহ্বান সম্পৰ্কে গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰে। গণিত বিভাগৰ মূৰব্বী অধ্যাপিকা তথা আয়োজক কমিটিৰ সভাপতি ড° পাপৰি নেওগ বৰাৰ ধন্যবাদ জ্ঞাপনেৰে উদ্বোধনী অধিৱেশনৰ সমাপ্তি হয়। যুটীয়া সম্পাদক ড° পংকজ বৰাই আঁত ধৰা প্ৰথম দিনৰ পৰৱৰ্তী কাৰ্য্যসূচীত আমন্ত্ৰিত বক্তা আৰু খ্যাতনামা শিক্ষাবিদসকলে গণিত আৰু পৰিসংখ্যা বিজ্ঞানৰ সাম্প্ৰতিক তাত্ত্বিক আৰু ব্যৱহাৰিক গৱেষণাৰ ওপৰত আলোচনা কৰে। এই বক্তৃতাই অংশগ্ৰহণকাৰী গৱেষক আৰু ছাত্ৰ-ছাত্ৰীসকলক নতুন চিন্তাধাৰা আৰু গৱেষণাৰ দিশ অন্বেষণ কৰিবলৈ উৎসাহিত কৰে। সন্মিলনৰ কাৰিকৰী অধিৱেশনসমূহ ২০ আৰু ২১ জানুৱাৰীত সমান্তৰালভাৱে অনুষ্ঠিত হয়। ভাৰত আৰু বিদেশৰ ২০০ ৰো অধিক গৱেষকে গণিত আৰু পৰিসংখ্যা বিজ্ঞানৰ বিভিন্ন ক্ষেত্ৰত নিজৰ গৱেষণা পত্ৰ উপস্থাপন কৰে। প্ৰতিটো অধিৱেশনত দেশৰ কেইবাজনো বিশেষজ্ঞৰ অধ্যক্ষতাত হোৱা গঠনমূলক আলোচনাই সন্মিলনৰ শৈক্ষিক গুৰুত্ব অধিক বৃদ্ধি কৰে। উপযুক্ত বিবেচিত হোৱা গৱেষণা পত্ৰসমূহ Springer Nature book series "Forum for Interdisciplinary Mathematics" indexed in Scopus ত প্ৰকাশ হ'ব বুলি আয়োজক কমিটিয়ে সামৰণি অনুষ্ঠানত ঘোষণা কৰে।

## শ্বহীদ নগৰী ঢেকীয়াজুলিত সূৰ্য্য জয়ন্তী উপলক্ষে বিশাল মংগল কলহ যাত্ৰা



**অসম বাৰ্তা, ঢেকীয়াজুলি, ২৪ জানুৱাৰী ঃ** শ্বহীদ নগৰী ঢেকীয়াজুলিত আজি সূৰ্য্য জয়ন্তী উপলক্ষে ভক্তপ্ৰাণ ৰাইজৰ ব্যাপক অংশগ্ৰহণেৰে এক বিশাল আৰু আধ্যাত্মিক পৰিৱেশেৰে ভৰপূৰ্ণ মংগল কলহ যাত্ৰা উলিওৱা হয়। অপশক্তিৰ বিনাশ কৰি বিশ্বত শান্তি, সৌহাৰ্দ্য আৰু ভাতৃত্ববোধ প্ৰতিষ্ঠাৰ কামনাৰে এই পবিত্ৰ মংগল কলহ যাত্ৰা আয়োজন কৰা হয়। ঢেকীয়াজুলীৰ শ্ৰীশ্ৰী সূৰ্য্য ষষ্ঠী মন্দিৰ পৰিচালনা সমিতিৰ উদ্যোগত আৰু স্থানীয় ভক্তপ্ৰাণ ৰাইজৰ সহযোগত আজি ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত উলিওৱা এই মংগল কলহ যাত্ৰাই সমগ্ৰ অঞ্চলটোত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। ঢোল-নাগাৰা, ধৰ্মীয় শ্লোগান আৰু ভক্তিগীতৰ সৈতে আগবাঢ়ি যোৱা যাত্ৰাখনত শতাধিক ভক্তই অংশগ্ৰহণ কৰে। আজিৰ উক্ত মংগল কলহ যাত্ৰাত ঢেকীয়াজুলি সূৰ্য্য ষষ্ঠী মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি আনন্দ শৰ্মা, সম্পাদক প্ৰভাকৰ শুক্লা, কোষাধ্যক্ষ গৌতম প্ৰসাদৰ লগতে উপদেষ্টা সকল ক্ৰমে বলৰাম ৱাৰ্মা, ৰামবিলাশ জয়চোৱাল, সন্তোষ চাহানী উপস্থিত থাকে। ইয়াৰ উপৰি সূৰ্য্য ষষ্ঠী পূজা সমিতিৰ মহিলা সমিতিৰ সভানেত্ৰী নিতন সিংহা, মনজয় পণ্ডিত, আনন্দ কুমাৰ চাহানী, সন্তোষ ঠাকুৰ, মনুজ শ্বা সহ অন্যান্য বিষয়ববীয়া আৰু বহু সংখ্যক ভক্তই এই ধৰ্মীয় কাৰ্যসূচীত অংশ লয়। ভক্তসকলৰ মতে, সূৰ্য্য জয়ন্তী উপলক্ষে এই মংগল কলহ যাত্ৰাই সমাজত শান্তি, সদ্ভাৱ আৰু একতাৰ বাণী প্ৰচাৰ কৰাৰ লগতে ধৰ্মীয় ঐতিহ্য সংৰক্ষণৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। দিনজোৰা কাৰ্যসূচীৰ মাজেৰে সূৰ্য্য দেৱতাৰ আশীৰ্বাদ কামনা কৰি ঢেকীয়াজুলীত আজিৰ এই ধৰ্মীয় মংগল কলহ যাত্ৰা সফলভাৱে সম্পন্ন হয়।

## কিশোৰীক যৌন নিৰ্যাতনৰ চেষ্টা চলাই ৰঙাঘৰৰ আলহী গেলেকী বগিচাপৰিৰ অনিল ভূমিজ

**অসম বাৰ্তা, গেলেকী, ২৪ জানুৱাৰী ঃ** পুনৰ গেলেকীত সংঘটিত হৈছে কিশোৰী নিৰ্যাতনৰ ঘটনা। গেলেকী বগিচাপৰি গাঁৱৰ অনিল ভূমিজ (২৬) ওৰফে টুকু নামৰ যুৱকজনৰ বিৰুদ্ধে এগৰাকী কিশোৰীক যৌন নিৰ্যাতন চলোৱাৰ গুৰুত্বৰ অভিযোগ উত্থাপিন হৈছে। জানিব পৰা মতে ঘৰত কোনো নথকাৰ সুযোগ লৈ অনিল ভূমিজে নিজ পৰিয়ালৰ এগৰাকী কিশোৰীক যৌন নিৰ্যাতনৰ চেষ্টা চলাই ছিল। পৰৱৰ্তী সময়ত কিশোৰী গৰাকীৰ মাতৃ ঘৰলৈ অহাত এই বিষয়টো অৱগত হোৱাত তাৎক্ষণিকভাৱে মাতৃগৰাকীয়ে গাঁৱৰক্ষী বাহিনীক খবৰ দিয়ে। এই খবৰ লাভ কৰি গাঁওৰক্ষী বাহিনীয়ে বিষয়টো গেলেকী আৰক্ষীক অৱগত কৰে। ঘটনাৰ বিষয়ে জ্ঞাত হৈ গেলেকী আৰক্ষী ঘটনা স্থলীত উপস্থিত হয় আৰু পৰিয়ালৰ এজাহৰৰ ভিত্তিত গেলেকী বগিচাপৰিৰ ঘৰৰপৰাই আটক কৰে অনিল ভূমিজক। গেলেকী আৰক্ষীয়ে সমগ্ৰ বিষয়টো তদন্ত কৰি উপযুক্ত তথ্য প্ৰমাণ পোৱাত গোচৰটো পঞ্জীয়ন কৰি অভিযুক্তক গ্ৰেপ্তাৰ কৰে। পৰৱৰ্তী সময়ত গেলেকী থানাৰ গোচৰ নম্বৰ 3/2026, Under section 62/64(1), 75(2), 76, 351(2) BNS, POCSO 10 ৰ অধীনত এটা গোচৰ ৰোজো কৰি অভিযুক্তক আদালতলৈ প্ৰেৰণ কৰে।

**NAME CORRECTION**

Swarn before Notary Public at Garamur, Majuli, dated on 09-01-2026, that in my Aadhar Card, Card No.- 305566649584 my name has been wrongly recorded as Bhanu Deori instead of Bhanumoti Deori. But my actual name is Bhanumoti Deori, which is recorded in my VOTER ID. bearing Epic No. GZC1357762. Both Bhanu Deori and Bhanumoti Deori is the same name and i.e. myself. Applying for correction at the appropriate authority.

Bhanumoti Deori
W/O- Dhuniya Deori
R.O.- Major Deori Gaon
P.O.- Major Deori
P.S.- Jengraimukh
Dist - Majuli

মোৰ আধাৰ কাৰ্ডত(কাৰ্ড নং-305566649584) মোৰ নামটো ভুলৱশত ভানুমতী দেউৰীৰ পৰিৱৰ্তে ভানু দেউৰী হৈ আছে। গড়মূৰ, মাজুলীত নটাৰীযোগে জনাও যে ভানু দেউৰী আৰু ভানুমতী দেউৰী একেগৰাকী ব্যক্তি অৰ্থাৎ মই নিজেই।

AB-07/2026

ডুমডুমা পৌৰসভাৰ ৬ নং ৱাৰ্ড কমিছনাৰ ৰূপামণি মেধিৰ কৰ্মকাণ্ডক লৈ সৰ্বত্ৰে প্ৰতিক্ৰিয়া

# সৰস্বতী পূজাৰ দিনাই ডুমডুমাত ভয়ংকৰ ঘটনা; জনপ্ৰতিনিধি নামি পৰিল দেহ ব্যৱসায়ত

## ডুমডুমাৰ মেধি বিবাহ ভৱনত যৌনতাৰ বেহা; কিশোৰী উদ্ধাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ২৩ জানুৱাৰী ঃ** বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী পূজাৰ দিনাই ডুমডুমাত ভয়ংকৰ কাণ্ড। ডুমডুমাৰ আজাদ ৰোডস্থিত মেধি বিবাহ ভৱনত আজি বিয়লি প্ৰায় ৩ বজাত বিবাহ ভৱনটোৰ ওপৰ মহলাৰ এটা কোঠাত দুজন যুৱকে এগৰাকী ১৪ বছৰীয়া নাবালিকাৰ সৈতে অপকৰ্মত লিপ্ত হওঁতেই হাতে-লুটে স্থানীয় ৰাইজে ধৰা পেলায়। ঘটনাৰ বিৱৰণী অনুসৰি, ইয়াৰ সমীপৰ ৰূপাই চাইডিঙৰ এজন ২৬ বছৰীয়া আৰু ডুমডুমা নগৰৰ এজন ২২ বছৰীয়া যুৱকে কিশোৰীগৰাকীক যৌন উৎপীড়ন চলোৱাৰ মানসেৰে বিবাহ ভৱনটোৰ ওপৰ মহলাৰ এটি কোঠা ভাৰাত লৈ কিশোৰীগৰাকীক যৌন উৎপীড়ন চলায়। ঘটনাৰ বিষয়ে স্থানীয় ৰাইজে জানিব পাৰি স্থানীয় ডুমডুমা 'আছু'ৰ লগতে 'আটছা'ৰ সহযোগত কিশোৰীগৰাকীক উদ্ধাৰ কৰি ডুমডুমা আৰক্ষীক চমজাই দিয়ে। গুৰুত্বপূৰ্ণ কথা এয়ে যে, যিটো বিবাহ ভৱনত উক্ত ঘটনাটো সংঘটিত হ'ল সেই বিবাহ ভৱনটোৰ গৰাকী হ'ল ডুমডুমা পৌৰসভাৰ ৬ নং ৱাৰ্ড কমিছনাৰ ৰূপামণি মেধি (মামণি)। শাসনাধিষ্ঠ বিজেপি দলৰ ৱাৰ্ড কমিছনাৰগৰাকীৰ এনে নিলজ্জ কাণ্ডক লৈ ডুমডুমাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এগৰাকী জনপ্ৰতিনিধি হৈ যৌনতা তথা দেহ ব্যৱসায়ৰ দৰে ঘৃণনীয় কৰ্মত জড়িত হোৱাক লৈ স্থানীয় ৰাইজে ক্ষোভ ব্যক্ত কৰিছে। যি সময়ত মুখ্যমন্ত্ৰীগৰাকীয়ে বিজেপি দলক সংস্কাৰী দল বুলি কৈ আহিছে, তেনে সময়তে খোদ বিজেপি দলৰ এগৰাকী ৱাৰ্ড কমিছনাৰে সহজ ধন ঘটাৰ লক্ষ্যৰে দেহ ব্যৱসায়ৰ দৰে ঘটনাত জড়িত হৈ পৰাক লৈ সকলোৰে এতিয়া প্ৰশ্ন কৰিছে- বিজেপি সঁচাই সংস্কাৰী দল হ'য়নে? ডুমডুমা নগৰ সমিতিৰ সভানেত্ৰী ববী বড়াই উক্ত ঘটনাক তীব্ৰ গৰিহণা দিয়ে। বিজেপিয়ে ৱাৰ্ড কমিছনাৰ ৰূপামণি মেধিৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰা সেয়া লক্ষণীয় হোৱাৰ লগতে ডুমডুমালৈ মুখ্যমন্ত্ৰীৰ আগমনৰ প্ৰাকক্ষণত সংঘটিত এনে ঘটনাই দলটোত যে মোক্ষম আঘাত হানিব, সেয়া খাটাং।

পদাৰ্থ বিজ্ঞানত শীৰ্ষস্থানেৰে সোণৰ পদক লাভ; উৎফুল্ল জিলাবাসী

# অসম বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিশ্ববিদ্যালয়ৰ পৰা টিপলাইৰ সাগৰিকা দেৱীৰ বিশেষ সাফল্য

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, দুধনৈ, ২৩ জানুৱাৰী ঃ** গোৱালপাৰা জিলাৰ টিপলাইৰ সাগৰিকা দেৱীয়ে শিক্ষাজগতত এক উল্লেখযোগ্য কৃতিত্ব অৰ্জন কৰি জিলাখনৰ লগতে সমগ্ৰ টিপলাই অঞ্চলবাসীলৈ গৌৰৱ কঢ়িয়াই আনিছে। অসম বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিশ্ববিদ্যালয় (Assam Science and Technology University)ৰ অধীনত ২০২৪ বৰ্ষৰ স্নাতকোত্তৰ পৰীক্ষাত পদাৰ্থ বিজ্ঞান পাঠ্যক্ৰমত তেওঁ শীৰ্ষস্থান লাভ কৰি সোণৰ পদক অৰ্জন কৰাৰ লগতে বিশ্ববিদ্যালয়ৰ অধীনস্থ স্নাতকোত্তৰ (সকলো) পাঠ্যক্ৰমত সৰ্বমুঠ উৎকৃষ্ট ফলাফলৰ বাবে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখযোগ্য যে, ১৯ জানুৱাৰীত অনুষ্ঠিত হোৱা বিশ্ববিদ্যালয়ৰ ৫ম দীক্ষান্ত সমাৰোহত (Convocation) সাগৰিকা দেৱীক এই দুয়োটা সন্মানেৰে




সন্মানিত কৰা হয়। তেওঁৰ এই ব্যতিক্ৰমী সাফল্যই অধ্যৱসায়, একাগ্ৰতা আৰু শৈক্ষিক উৎকৰ্ষৰ স্পষ্ট প্ৰতিফলন ঘটাইছে। সাগৰিকা দেৱী গোৱালপাৰা জিলাৰ টিপলাইৰ বিশিষ্ট শিক্ষাবিদ, সমাজসেৱক আৰু ক্ৰীড়া সংগঠক, পাটপাৰা বড়ো হাইস্কুলৰ অৱসৰী প্ৰধান শিক্ষক তথা অন্যান্য পিছপৰা শ্ৰেণী সন্মিলনী, গোৱালপাৰা জিলা সমিতিৰ সভাপতি হৰমোহন নাথ আৰু টিপলাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী মিনতি দেৱীৰ একমাত্ৰ সন্তান। তেওঁৰ এই গৌৰৱময় সাফল্যত জিলাখনৰ শিক্ষা সমাজ আৰু শুভাকাংক্ষীসকলে গভীৰ আনন্দ প্ৰকাশ কৰাৰ লগতে তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিছে।

## বকোৰ ২ নং বালাপাৰা (নোৱাপাৰাত) ৫১৬ সংখ্যক বিশ্ব মহাবীৰ চিলাৰায় দিৱস উদ্‌যাপনৰ লাইখুঁটা স্থাপন



**অসম বাৰ্তা, বকো, ২৩ জানুৱাৰী ঃ** কোচ ৰাজবংশী জনগোষ্ঠীৰ শৌৰ্য্য বিৰ্য্যৰ প্ৰতীক বিশ্ব মহাবীৰ চিলাৰায়ৰ ৫১৬ সংখ্যক বৰ্ষৰ জন্মজয়ন্তী বৰ্ষ এই বৰ্ষত বকোৰ ২ নং বালাপাৰা (নোৱাপাৰা) গাঁৱত আয়োজন কৰিছে। বকো আঞ্চলিক কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনী আৰু মহিলা সন্মিলনীৰ উদ্যোগত আৰু ২ নং বালাপাৰা (নোৱাপাৰা) গাঁও শাখা সমিতিৰ সহযোগত অহা ৩১ জানুৱাৰী আৰু ১ ফেব্ৰুৱাৰীত পালন কৰা হ'ব ৫১৬সংখ্যক চিলাৰায় দিৱস। সেয়ে কাৰ্য্যসুচী সফল ৰূপায়ণ কৰিবলৈ ৰভা নিৰ্মাণৰ বাবে আজি লাইখুঁটা স্থাপন কৰা হয়। এক মাংগলিক ৰীতি-নীতিৰে লাইখুঁটা স্থাপন কৰে দক্ষিণ কামৰূপ জিলা কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ সভাপতি মিলন কুমাৰ দাসে। আজি এই লাইখুটা স্থাপন অনুষ্ঠানত উপস্থিত থাকি সহযোগ আগবঢ়াই বকো আঞ্চলিক কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ সভাপতি পবিত্ৰ কুমাৰ দাস আৰু সম্পাদক অৰবিন্দ দাসৰ লগতে উদ্‌যাপন সমিতিৰ সভাপতি প্ৰদীপ দাস আৰু অৰ্যুন দাসৰ উপৰিও নোৱাপাৰা গাঁও শাখা সমিতি আৰু মহিলা সমিতি। ইফালে কোচ ৰাজবংশী সকলোৰ সৌৰ্য্য বিৰ্জ্যৰ চিনাকি বিশ্ব মহাবীৰ চিলাৰায় আৰু জাতীয় সংগঠনটোৰ চিলাৰায় দিৱস উদযাপনৰ কাৰ্য্যসূচী ৰূপায়ণত সকলোৰে সহযোগ কামনা কৰিছে উদ্যোক্তাই।

ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় অংশগ্ৰহণেৰে বিদ্যালয় চৌহদ উৎসৱমুখৰ

# লংকাৰ বৰদলংস্থিত জ্ঞানজ্যোতি চিনিয়ৰ চেকেণ্ডেৰী স্কুলত শ্ৰদ্ধা-ভক্তিৰে সৰস্বতী পূজা উদযাপন

**অসম বাৰ্তা, লংকা, ২৩ জানুৱাৰী ঃ** লংকাৰ বৰদলংস্থিত জ্ঞানজ্যোতি চিনিয়ৰ চেকেণ্ডেৰী স্কুলত বিদ্যা, বুদ্ধি আৰু সৃষ্টিশীলতাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ পূজা শ্ৰদ্ধা-ভক্তি আৰু উৎসাহ-উদ্দীপনাৰে উদ্‌যাপন কৰা হয়। পূজাক কেন্দ্ৰ কৰি বিদ্যালয় পৰিসৰ পূৰ্বৰে পৰা পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ফুল, আলোকসজ্জা আৰু ৰঙীন সজ্জাৰে সুন্দৰভাৱে সজোৱা হয়। পুৱা বৈদিক মন্ত্ৰোচ্চাৰণ আৰু নিয়ম-নিষ্ঠ পূজা-অৰ্চনাৰ মাজেৰে পূজাৰ কাৰ্যসূচী আৰম্ভ হয়। এই ধৰ্মীয় অনুষ্ঠানত বিদ্যালয়ৰ অধ্যক্ষ আব্দুল মনাফ, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীসকলৰ লগতে বহু সংখ্যক অভিভাৱক আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। সকলোৱে মিলি সৰস্বতী দেৱীৰ চৰণত পুষ্পাঞ্জলি অৰ্পণ কৰি বিদ্যা আৰু জ্ঞান লাভৰ প্ৰাৰ্থনা জনায়। পূজাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় অংশগ্ৰহণত এটি সৰু সাংস্কৃতিক কাৰ্যসূচীও অনুষ্ঠিত হয়। গীত, আবৃত্তি আৰু নৃত্যৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰে, যিয়ে অনুষ্ঠানটোক অধিক অৰ্থবহ আৰু মনোমোহা কৰি তোলে। এই উপলক্ষে বিদ্যালয়ৰ অধ্যক্ষ আব্দুল মনাফে ভাষণ প্ৰদান কৰি সৰস্বতী পূজাৰ তাৎপৰ্য ব্যাখ্যা কৰে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নৰ লগতে শৃংখলা, শিষ্টাচাৰ আৰু নৈতিক মূল্যবোধৰ প্ৰতি গুৰুত্ব দিবলৈ আহ্বান জনায় আৰু ভৱিষ্যতে সমাজৰ এজন সুনাগৰিক হিচাপে নিজকে গঢ়ি তুলিবলৈ উৎসাহিত কৰে। সুখ-শান্তি আৰু সমন্বয়ৰ বাৰ্তা বহন কৰা এই পূজা অনুষ্ঠানটোৱে বিদ্যালয় পৰিয়ালৰ লগতে স্থানীয় ৰাইজৰ মাজত বিশেষ আনন্দৰ সৃষ্টি কৰে। শেষত প্ৰসাদ বিতৰণৰ জৰিয়তে দিনজোৰা কাৰ্যসূচীৰ সফল সমাপ্তি ঘটে।

# দেৰগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত ভিতৰুৱা হাতীয়েখোৱাত মুকলি হ'ল কৌস্তুভমণি হাজৰিকাৰ সোঁৱৰণত ৰাজহুৱা পুথিভঁৰাল

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৩ জানুৱাৰী ঃ** সৰস্বতী পূজাৰ দিনটোতেই দেৰগাঁও বিধান সভা সমষ্টিৰ ভিতৰুৱা হাতীয়েখোৱা অঞ্চলৰ এজন সমাজসেৱী প্ৰবীণ দাসে নীৰৱে সূচনা কৰিছে এক নীৰৱ গ্ৰন্থ আন্দোলন। প্ৰবীণ দাসে অভিন্ন বন্ধু বিশিষ্ট সাংবাদিক, কবি, লেখক প্ৰয়াত কৌস্তুভমণি হাজৰিকাৰ স্মৃতিত নিৰ্মাণ কৰিলে এটি পুথিভঁৰাল। গ্ৰামাঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব পৰাকৈ নিৰ্মাণ কৰা পুথিভঁৰালটোৰ নামকৰণ কৰিছে "কৌস্তুভমণি হাজৰিকা সোঁৱৰণী পুথিভঁৰাল।" এগৰাকী সতীৰ্থৰ নামত নিৰ্মাণ কৰা এই পুথিভঁৰালটো আনুষ্ঠানিক ভাৱে মুকলি কৰে প্ৰবক্তা বীৰেন বৰুৱাই। বহু কেইগৰাকী শিক্ষাবিদ, সমাজকৰ্মী, অঞ্চলটোৰ সাধাৰণ লোকৰ লগতে বহু ছাত্ৰ-ছাত্ৰী উপস্থিত থকা অনুষ্ঠানটোত প্ৰবীন দাসে উল্লেখ কৰে যে ড্ৰাগছ আৰু সুৰাপান কৰি এটা প্ৰজন্ম শেষ হৈ গৈছে যাৰ পৰা পৰিত্ৰাণ পাবলৈ গ্ৰামাঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে তেওঁ এই পুথিভঁৰালটো উপহাৰ হিচাপে দিছে। বৰ্তমান চৰকাৰখনে ৰাজহ বৃদ্ধিৰ বাবে সুৰাৰ বিপনী বৃদ্ধি কৰাত যিদৰে গুৰুত্ব দিছে তাৰ বিপৰীতে গ্ৰামাঞ্চলত পুথিভঁৰালৰ সংখ্যা পূৰ্বতকৈ কমি আহিছে বুলি চৰকাৰক সমালোচনা প্ৰবীন দাসৰ। নিজ বন্ধুৰ নামেৰে নামকৰণ কৰি এখন গ্ৰামাঞ্চলত এইদৰে পুথিভঁৰাল নিৰ্মাণ কৰাৰ বাবে প্ৰবীন দাসক ধন্যবাদ জনালো বিভিন্নজনে।

প্ৰদৰ্শিত হ'ব কোচ ৰাজবংশী জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতি

# কোকৰাঝাৰত নৱনিৰ্মিত চিলাৰায় ভৱনৰ শুভ উদ্বোধন



**অসম বাৰ্তা, কোকৰাঝাৰ, ২৪ জানুৱাৰী ঃ** অসম চৰকাৰৰ অধীনস্থ কোঁচৰাজবংশী উন্নয়ন পৰিষদৰ উন্নয়ন পুঁজিৰ দ্বাৰা কোঁচ ৰাজবংশী কালচাৰেল ছ'চাইটিৰ কোকৰাঝাৰৰ ডিমলগাঁওস্থিত মুখ্য কাৰ্যালয় চৌহদত নিৰ্মিত 'চিলাৰায় ভৱন'টি অহা ২৫ জানুৱাৰী তাৰিখে শুভ উদ্বোধন কৰা হ'ব। দুই কোটি দহ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মিত ভৱনটি সিদিনা দিনৰ ১১ বজাত শংখ উৰুলিৰ ধ্বনিত ফিতাকাটি উদ্বোধন কৰিব কোঁচ ৰাজবংশী উন্নয়ন পৰিষদৰ অধ্যক্ষ কুমাৰ প্ৰণৱ নাৰায়ণ দেৱে। ইয়াৰ অন্তত মুকলি সভা অনুষ্ঠিত হ'ব। বিশিষ্ট অতিথিহিচাপে উপস্থিত থাকিব বি টি চিৰ কাৰ্যবাহী সদস্য দেৰহাছাং বসুমতাৰী। ইয়াৰোপৰি কোঁচ ৰাজবংশী সাহিত্য সভাৰ সভাপতি ড° দ্বিজেন্দ্ৰ নাথ ভকত, নেপালৰ ৰাজবংশী সমাজ বিকাশ সমিতিৰ সম্পাদক চন্দ্ৰ প্ৰসাদ ৰাজবংশী, সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি ৰাণাদিত্য দেব বৰ্মন, আক্ৰাছুৰ সভাপতি মনোজ ৰায়, সম্পাদক বলোৰাম বৰ্মন আৰু কোচ ৰাজবংশী উন্নয়ন পৰিষদৰ সদস্য দুৰ্বাসা মোহন ৰায় সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। উল্লেখযোগ্য যে ইয়াৰ প্ৰাকমুহূৰ্তত ৰাতিপুৱা কোঁচ ৰাজবংশী কালচাৰেল চ'চাইটিৰ পতাকা উত্তোলন আৰু শ্বহীদ তৰ্পণ কৰা হ'ব। পতাকা উত্তোলন কৰিব চছাইটিৰ সভাপতি বুদ্ধেশ্বৰ ৰায় আৰু শ্বহীদ তৰ্পণ কৰিব আদৰণি সমিতিৰ সভাপতি শৰৎ চন্দ্ৰ ৰায়। গছপুলি ৰোপণ কৰিব আদৰণী সমিতিৰ উপ-সভাপতি ৰাজেন্দ্ৰ অধিকাৰী। কোচ ৰাজবংশী সাংস্কৃতিক সন্থাৰ শিল্পী সকলে কুশান, কাৰ্তিকা, গোৱালিনী আৰু হুদুম নৃত্য-গীত পৰিৱেশন কৰি অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰিব। এই কথা কোচৰাজবংশী কালচাৰেল ছ'চাইটিৰ সম্পাদক (মাড়েয়া) দ্বীপপুঞ্জ ৰায় আৰু চিলাৰায় ভৱন উদ্বোধনী অনুষ্ঠানৰ আদৰণী সমিতিৰ সম্পাদক মিথুন চন্দ্ৰ ৰায়ে এক পত্ৰৰ জৰিয়তে জানিবলৈ দিয়ে।

# নগাঁৱত উদ্যান শস্যৰ জিলাভিত্তিত প্ৰশিক্ষণ শিবিৰ আৰু কৃষক মেলা সম্পন্ন




**অসম বাৰ্তা, নগাঁও, ২৪ জানুৱাৰী ঃ** নগাঁও জিলা কৃষি বিভাগৰ উদ্যোগত নগাঁও শ্বহীদ ভৱনৰ প্ৰাংগণত ২৩-২৪-২৫ জানুৱাৰীত তিনিদিনীয়াকৈ জিলা ভিত্তিত এখনি উদ্যান শস্যৰ প্ৰশিক্ষণ শিবিৰ আৰু এখনি কৃষক মেলা অনুষ্ঠিত হয়। উক্ত শিবিৰ মুকলি অনুষ্ঠানত উপস্থিত থাকে নগাঁও-বটদ্ৰৱা সমষ্টিৰ স্থানীয় বিধায়ক ৰূপক শৰ্মাই। এই উপলক্ষে আয়োজন কৰা প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰি নিজৰ ভাষণত বিধায়ক ৰূপক শৰ্মাই কয়, "বৰ্তমান চৰকাৰে ৰাজ্যখনৰ অৰ্থনৈতিক বুনিয়াদ শক্তিশালী কৰাত কৃষি ক্ষেত্ৰই গুৰুত্বপূৰ্ণ ভূমিকা লব পাৰে। সেয়ে কৃষক সকলে অধিক উৎপাদনৰ বাবে সৰ্বাধিক গুৰুত্ব দিব লাগিব।" উদ্যান শস্যৰ কথা উল্লেখ কৰি বিধায়ক গৰাকীয়ে লগতে আৰু কয়, "উদ্যান শস্যৰে জড়িত নিবনুৱা যুৱক যুৱতী সকলে নিজকে স্বাৱলম্বী কৰাৰ অৱকাশ আছে।" অনুষ্ঠানত নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মাই কয়, "সম্প্ৰতি উদ্যান শস্যৰ চাহিদা বৃদ্ধি পাইছে। বৰ্তমান সৰ্বসাধাৰণ ৰাইজৰ চাহিদা অনুসৰি উদ্যান শস্যৰ উৎপাদন বৃদ্ধিৰ বাবে সকলোৱে গুৰুত্ব দিব লাগিব। উদ্যান শস্যৰ বিকাশৰ বাবে চৰকাৰে গুৰুত্ব প্ৰদান কৰি আহিছে।" এই কৃষক মেলা আৰু প্ৰদৰ্শনিত জিলা কৃষি বিষয়া নিখিল নাৰায়ণ বৰুৱা, চিলঙনি কৃষি গৱেষণা কেন্দ্ৰৰ প্ৰধান বিজ্ঞানী ড° নিৰঞ্জন ডেকা, মুখ্য বিজ্ঞানী চিলঙনীৰ ড° হিৰণ্য কুমাৰ বৰা, কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানী ড° ভৱেশ চন্দ্ৰ ডেকা, অসম উদ্যান সমিতিৰ নগাঁও শাখাৰ সভাপতি পীযুষ চন্দ্ৰ ৰয়, সম্পাদক দিলীপ কুমাৰ বৰা, মহকুমা কৃষি বিষয়া বুবুল শৰ্মা আদি। এই কৃষক মেলা প্ৰদৰ্শনী আৰু কৃষি প্ৰশিক্ষণ শিবিৰ তথা কৃষি মেলাত জিলাখনৰ শতাধিক কৃষক উপস্থিত থাকে। ২৫ জানুৱাৰীত দেওবাৰে এখনি কৃষি প্ৰশিক্ষণ শিবিৰৰ লগতে আলোচনা চক্ৰ আৰু কৃষক সকলক মানপত্ৰ প্ৰদান অনুষ্ঠানৰে সামৰণি পৰিব।

# মৌজাদাৰ আলি য়ুথ ক্লাৱৰ উদ্যোগত বাৰ্ষিক 'খনিকৰ পুথি' নাম কীৰ্ত্তন অনুষ্ঠানৰ সফল পৰিসমাপ্তি

**অসম বাৰ্তা, দেৰগাঁও, ২৪ জানুৱাৰী ঃ** মৌজাদাৰ আলি ইয়ুথ ক্লাৱৰ উদ্যোগত অনুষ্ঠিত হোৱা ঐতিহাসিক "শ্ৰীশ্ৰী খনিকৰ পুথি" ৰাজহুৱা নামভাগি দ্বাদশ বৰ্ষ অতিক্ৰম কৰি ত্ৰয়োদশ বৰ্ষত ভৰি দিলেহি। ত্ৰয়োদশ বৰ্ষত কিছু ব্যতিক্ৰমী চিন্তাৰে তিনিদিনীয়া কাৰ্যসূচীৰে সকলো ভক্তপ্ৰাণ ৰাইজৰ সহযোগত ৮, ৯ আৰু ১০ মাঘ, (২২, ২৩ আৰু ২৪ জানুৱাৰী ২০২৬) বৃহস্পতি, শুক্ৰ আৰু শনিবাৰে মৌজাদাৰ আলি ইয়ুথ ক্লাৱৰ প্ৰাঙ্গনত "শ্ৰীশ্ৰী খনিকৰ পুথি" নাম কীৰ্তন অনুষ্ঠানলৈ আগমন ঘটে সহস্ৰাধিক লোকৰ। তিনিদিনীয়া কাৰ্য্যসূচীৰে অনুষ্ঠিত হোৱা ধৰ্মীয় অনুষ্ঠানটিত অন্তিম দিনা বাছকবনীয়া শিশু আৰু চেমনীয়া শিল্পীৰ দ্বাৰা মহাপুৰুষীয়া আৰ্হিৰ ভাওনা প্ৰদৰ্শনেৰে কাৰ্যসূচী সমাপ্তি ঘটে। জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো ভক্তপ্ৰাণ ৰাইজে সহায়-সহযোগ, দিহা-পৰামৰ্শ তথা সকলো কাৰ্যসূচীতে উপস্থিত থাকি অনুষ্ঠানভাগি সাফল্যমণ্ডিত কৰি তোলাৰ বাবে উদ্‌যাপন সমিতিয়ে কৃতজ্ঞতা জনায়।

অভিযানত জব্দ পাঁচখনকৈ ট্ৰেক্টৰ; চাৰিখন নম্বৰ প্লেটবিহীন

# অবৈধ বালি খননৰ বিৰুদ্ধে বন বিভাগৰ আকস্মিক অভিযান



**অসম বাৰ্তা, চাপৰ, ২৪ জানুৱাৰী ঃ** ধুবুৰী জিলাৰ বহলপুৰ আঞ্চলিক বন বিভাগৰ অন্তৰ্গত পুঠিমাৰীৰ চম্পাৱতী নৈত অবৈধ বালি খননৰ বিৰুদ্ধে বন বিভাগে চলায় এক আকস্মিক অভিযান। অভিযান কালত জব্দ পাঁচখনকৈ অবৈধভাৱে বালি কঢ়িওৱা ট্ৰেক্টৰ। ইয়াৰে চাৰিখন নম্বৰ প্লেট বিহীন ট্ৰেক্টৰ। অভিযোগ অনুসৰি দীৰ্ঘদিনৰে পৰা চাপৰৰ পুঠিমাৰীৰ চম্পাৱতী নৈত একাংশ লোকে অবৈধভাবে চলাই আছিল বালি খনন কাৰ্য্য। এক গোপন খবৰৰ ভিত্তিত বঙাইগাঁও আই ভেলী বন সংমণ্ডলৰ সহকাৰী বন সংৰক্ষক বিষয়া হৰিশ চন্দ্ৰ নাথৰ নেতৃত্বত অভয়াপুৰী বন বিভাগ, বহলপুৰ বন বিভাগ আৰু আৱেয়াৰঝাৰ বন বিভাগৰ এটা দলে চলাইছিল এই অভিযান। কিন্তু এতিয়া প্ৰশ্ন হয় কাৰ ছত্ৰছায়াত আৰু কাক মেনেজ কৰি চাপৰৰ পুঠিমাৰী নৈত ইমান দিনে চলাই গৈছে এই অবৈধ বালি খনন কাৰ্য্য সেয়াহে হৈ পৰিছে এতিয়া লক্ষণীয় বিষয়।

# অভয়াপুৰীত এন এছ ইউ আইৰ "ছাত্ৰই আনিব পৰিৱৰ্তন" অনুষ্ঠানত সৰ্বভাৰতীয় সভাপতি বৰুণ চৌধুৰী

**অসম বাৰ্তা, অভয়াপুৰী, ২৪ জানুৱাৰী ঃ** আজি বঙাইগাঁও জিলাৰ অভয়াপুৰী কলাপৰিষদ ভৱনত ৰাষ্ট্ৰীয় ছাত্ৰ সংঘ চমুকৈ এন এছ ইউ আইৰ উদ্যোগত আয়োজন কৰা "ছাত্ৰই আনিব পৰিৱৰ্তন" শীৰ্ষক এক অনুষ্ঠানত অংশগ্ৰহণ কৰে ৰাষ্ট্ৰীয় ছাত্ৰ সংঘৰ সৰ্বভাৰতীয় সভাপতি বৰুণ চৌধুৰীয়ে। অনুষ্ঠানৰ অন্তত সংবাদমাধ্যমৰ আগত বক্তব্য ৰাখি বৰুণ চৌধুৰীয়ে ৰাজ্যৰ ৰাজনৈতিক পৰিস্থিতি সন্দৰ্ভত কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। বৰুণ চৌধুৰীয়ে কয় যে অসমত বিজেপি




চৰকাৰ সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে আৰু এতিয়া জনতাৰ ভয়ত আছে। তেওঁ দাবী কৰে যে অহা দিনত কংগ্ৰেছৰ নেতৃত্বতেই অসমত নতুন চৰকাৰ গঠন হ'ব আৰু এই পৰিৱৰ্তনৰ মূল শক্তি হ'ব ৰাজ্যৰ ছাত্ৰ সমাজ। "এইবাৰ ছাত্ৰই আনিব পৰিৱৰ্তন"-এই শ্লোগান কেৱল এটা বাক্য নহয়, ই হৈছে এখন নতুন অসম গঢ়াৰ আহ্বান। তেওঁ লগতে কয় যে যোৱা পাঁচ বছৰত অসম চৰকাৰে চৰকাৰী বিদ্যালয়সমূহ বন্ধ কৰি ব্যক্তিগতকৰণক অধিক গুৰুত্ব দিয়াৰ ফলত শিক্ষা ব্যৱস্থা দুৰ্বল হৈছে বুলি অভিযোগ তোলে ৰাষ্ট্ৰীয় ছাত্ৰ সংঘৰ সৰ্বভাৰতীয় সভাপতি গৰাকীয়ে। ইয়াৰ উপৰি, প্ৰশ্নকাকত ফাদিল হোৱা ঘটনাৰ সংখ্যা বৃদ্ধি পোৱা, পৰীক্ষা ব্যৱস্থাৰ বিশ্বাসযোগ্যতা নষ্ট হোৱা আদিও চৰকাৰৰ ব্যৰ্থতাৰ প্ৰমাণ বুলি তেওঁ মন্তব্য কৰে। বৰুণ চৌধুৰীয়ে স্পষ্ট ভাষাত কয় যে অসমত যুৱ সমাজে এতিয়া জাগ্ৰত হ'ব লাগিব আৰু নিজৰ অধিকাৰ, শিক্ষা আৰু ভৱিষ্যতৰ বাবে সংগঠিত আন্দোলন গঢ়ি তুলিব লাগিব। ৰাষ্ট্ৰীয় ছাত্ৰ সংঘ সদায়েই ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থত সংগ্ৰাম কৰি আহিছে আৰু আগন্তুক দিনতো এই সংগ্ৰাম অব্যাহত থাকিব বুলি তেওঁ দৃঢ় বিশ্বাস প্ৰকাশ কৰে। এই অনুষ্ঠানৰ জৰিয়তে ৰাষ্ট্ৰীয় ছাত্ৰ সংঘই ৰাজ্যৰ ছাত্ৰ সমাজক একত্ৰিত কৰি পৰিৱৰ্তনৰ দিশে আগবঢ়াই নিয়াৰ প্ৰয়াস চলাইছে বুলি অংশগ্ৰহণকাৰীসকলে মত প্ৰকাশ কৰে।

নাৰী ঐক্যৰ শক্তিশালী বাৰ্তা

# গুৱাহাটীত ৰাষ্ট্ৰ সেৱিকা সমিতিৰ পদযাত্ৰা

**অসম বাৰ্তা, সোণাপুৰ, ২৪ জানুৱাৰী ঃ** গুৱাহাটী মহানগৰীৰ মালিগাঁওস্থিত তৰুণ ৰাম ফুকন হিন্দী হাইস্কুল প্ৰাংগণৰ পৰা ৰাষ্ট্ৰ সেৱিকা সমিতি আৰু জিলা সন্মিলনৰ উদ্যোগত আজি দিনৰ ১০ঃ৩০ বজাৰ পৰা এক বৃহৎ পদযাত্ৰা কাৰ্যসূচী অনুষ্ঠিত হয়। সমাজ সচেতনতা বৃদ্ধি, নাৰী শক্তিৰ জাগৰণ আৰু ৰাষ্ট্ৰীয় মূল্যবোধ প্ৰচাৰৰ লক্ষ্যৰে এই পদযাত্ৰাৰ আয়োজন কৰা হয়। এই পদযাত্ৰা কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ডাঃ মল্লিকা ভট্টাচাৰ্য, বিভাগীয় অধ্যক্ষ, গেষ্ট্ৰ'এণ্টাৰোলজি বিভাগ, গুৱাহাটী চিকিৎসা মহাবিদ্যালয়। তেখেতে নিজৰ ভাষণত নাৰী সমাজৰ স্বাস্থ্য সচেতনতা, সামাজিক দায়িত্ববোধ আৰু সংগঠিত শক্তিৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। উক্ত কাৰ্যসূচীত বিশেষ অতিথি হিচাপে উপস্থিত থাকে ৰাষ্ট্ৰ সেৱিকা সমিতি উত্তৰ প্ৰান্তৰ প্ৰান্ত প্ৰচাৰিকা নীতা দেৱী, ৰাষ্ট্ৰ সেৱিকা সমিতি উত্তৰ অসম প্ৰান্তৰ প্ৰান্ত সঞ্চালিকা



নিলীমা গোস্বামী, অখিল ভাৰতীয় সহঃ শাৰীৰিক প্ৰমুখ পখিলা বড়ো, প্ৰান্ত সহঃ সঞ্চালিকা পুনি দেৱী, প্ৰান্ত সেৱা প্ৰমুখ তথা গুৱাহাটী বিভাগৰ কাৰ্যবাহিকা কল্যাণী ঠাকুৰীয়া, প্ৰান্ত তৰুণী প্ৰমুখ সুস্মিতা দাস, সহঃ ব্যৱস্থা প্ৰমুখ মিতালী নন্দি, উত্তৰ অসম প্ৰান্তৰ সম্পৰ্ক প্ৰমুখ বুলি বৰুৱা, মহানগৰৰ কাৰ্যবাহিকা নমিতা বৈশ্য দাস। উক্ত পদযাত্ৰাত বৃহৎ সংখ্যক সেৱিকা আৰু সমাজৰ বিভিন্ন স্তৰৰ মহিলা সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। সকলোৱে শৃংখলাবদ্ধভাৱে, ৰাষ্ট্ৰীয় চেতনা আৰু সামাজিক দায়বদ্ধতাৰ বাণীৰে পদযাত্ৰা সম্পন্ন কৰে। এই কাৰ্যসূচীয়ে সমাজত নাৰী শক্তিৰ ঐক্য আৰু সংগঠনৰ প্ৰভাৱ সু-স্পষ্টভাৱে প্ৰতিফলিত কৰে।

# অৱসৰপ্ৰাপ্ত শিক্ষক আব্দুল জলিলক বিদায় সম্বৰ্দ্ধনা

**অসম বাৰ্তা, টুকটুকী, ২৪ জানুৱাৰী ঃ** নগাঁও জিলাৰ বটদ্ৰৱা শিক্ষা খণ্ডৰ অন্তৰ্গত মৈৰাধ্বজ ছাইকুল প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আব্দুল জলিলক আজি আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্দ্ধনা জনোৱা হয়। বেছামাৰী সমবায় সমিতিৰ সভাপতি আব্দুল ছালাম মৌলানাৰ সভাপতিত্বত অনুষ্ঠিত বিদায় সম্বৰ্দ্ধনা সভাখনত অৱসৰপ্ৰাপ্ত শিক্ষক গৰাকীক ফুলাম গামোচা, জাপি, চেলেং-চাদৰ আৰু মানপত্ৰ প্ৰদান কৰি সন্মান জনোৱা হয়। উল্লেখযোগ্য যে, আব্দুল জলিলে ১৯৯০ চনত উক্ত বিদ্যালয়ত যোগদান কৰি দীঘলীয়া সময় ধৰি নিষ্ঠা আৰু দায়িত্ববোধেৰে শিক্ষাদান কৰাৰ পাছত আজি আনুষ্ঠানিকভাৱে অৱসৰ গ্ৰহণ কৰে। সভাত উপস্থিত বক্তাসকলে শিক্ষকগৰাকীৰ কৰ্মময় জীৱন, শৈক্ষিক ক্ষেত্ৰত আগবঢ়োৱা অৱদান আৰু সমাজসেৱামূলক কৰ্মৰ ওপৰত আলোকপাত কৰি তেওঁৰ অৱদান সদায় স্মৰণীয় হৈ থাকিব বুলি মন্তব্য কৰে। বিদায় সম্বৰ্দ্ধনা সভাখনত কেন্দ্ৰ সমন্বয়ক মোস্তাফিজুৰ ৰহমান, জমিয়তৰ আব্দুল লতিফ মৌলানা, সমাজকৰ্মী ৰাইহান উদ্দিন চৌধুৰী, বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱক-অভিভাৱিকা সকল, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, পৰিচালনা সমিতিৰ সকলো সদস্য -সদস্যাৰ লগতে অঞ্চলটোৰ শৈক্ষিক জগতৰ সৈতে জড়িত বহুতো গণ্যমান্য ব্যক্তিৰ সৈতে প্ৰায় পাঁচ শতাধিক স্থানীয় ৰাইজ উপস্থিত আছিল।

## সম্পাদকীয়

# ভাৰতীয় জ্ঞানৰ ভঁৰালৰ নতুন দুৱাৰ ঃ 'গ্ৰন্থ কুটীৰ'

**ৰা**ষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুই ৰাষ্ট্ৰপতি ভৱনত 'গ্ৰন্থ কুটীৰ'ৰ উদ্বোধন কৰি এক ঐতিহাসিক আৰু সাংস্কৃতিক অভিযানৰ আৰম্ভণি সূচনা কৰিলে। অসমীয়াকে সামৰি দেশৰ এঘাৰটা ধ্ৰুপদী ভাষাৰ প্ৰায় আঢ়ৈ হেজাৰখন গ্ৰন্থ আৰু মূল্যৱান পাণ্ডুলিপি সংৰক্ষণৰ এই ব্যৱস্থাই কেৱল অতীতৰ সাঁচ বজাই ৰখা নহয়, ইয়াৰ জৰিয়তে ঔপনিৱেশিক মনৰ পৰা মুক্ত হৈ ভাৰতীয় জ্ঞান-বিজ্ঞানৰ শিপালৈ উভতি যোৱাৰ এক প্ৰকৃত প্ৰচেষ্টাও স্পষ্ট হয়। এই উদ্যোগ বিশেষকৈ অসমীয়া ভাষাৰ বাবে এক গৌৰৱৰ বিষয়। যি ভাষা এসময়ত 'অসমীয়া মাধ্যমৰ স্কুলৰ পৰা আঁতৰাই দিয়া' হৈছিল, আজি সেই ভাষাৰ সাহিত্যিক, দাৰ্শনিক আৰু ঐতিহাসিক গ্ৰন্থই ৰাষ্ট্ৰপতি ভৱনত স্থান পোৱাটো আমাৰ অস্তিত্ব আৰু পৰিচয়ৰ সংৰক্ষণৰ এক বলিষ্ঠ পদক্ষেপ। ই আমাক মনত পেলাই যে আমাৰ ভাষা আৰু সাহিত্য ভাৰতীয় সভ্যতাৰ অবিচ্ছেদ্য অংগ। অৱশ্যে, এই মহৎ উদ্যোগৰ লগতে সাধাৰণ মানুহৰ মনত কিছুমান প্ৰশ্নও দেখা দিব পাৰে। প্ৰথমতে, এই সমৃদ্ধ সঞ্চয় সাধাৰণ জনতাৰ বাবে সঁচাকৈয়ে কিমান 'উন্মুক্ত' হ'ব? ডিজিটেলাইজেশ্যনৰ নামত সংৰক্ষণ কৰা এই গ্ৰন্থসমূহ গৱেষক, ছাত্ৰ-ছাত্ৰী আৰু ভাষা-সংস্কৃতিৰ সাধাৰণ অনুৰাগীসকলে কিমান সুকলমে ব্যৱহাৰ কৰিব পাৰিব? দ্বিতীয়তে, এই পাণ্ডুলিপিবোৰ কেৱল সংৰক্ষণেই নে ইয়াৰ বিষয়বস্তুৱে আমাৰ বৰ্তমানৰ শিক্ষা ব্যৱস্থাত, আমাৰ চিন্তা-চৰ্চাত স্থান পাবনে? অসমীয়া ভাষাত ৰচিত বৈজ্ঞানিক, দাৰ্শনিক আৰু শাসন সম্পৰ্কীয় গ্ৰন্থবোৰৰ জ্ঞানক আমাৰ পাঠ্যক্ৰম আৰু ৰাজহুৱা আলোচনাত কেনেদৰে অন্তৰ্ভুক্ত কৰিব পাৰি? তৃতীয়তে, এই ১১টা ভাষাৰ বাহিৰেও দেশৰ অন্যান্য বহু মাতৃভাষাৰ অসংখ্য পাণ্ডুলিপি বিলীয়নৰ মুখত আছে। সেয়া হলে, 'গ্ৰন্থ কুটীৰ'ক এক কেন্দ্ৰিক প্ৰকল্প হিচাপে ৰাখি ৰাজ্যিক স্তৰত আৰু এনে বহু 'কুটীৰ' সৃষ্টিৰ বাবে ৰাজ্য চৰকাৰসমূহক উদ্যোগী কৰাত কেন্দ্ৰই কিমান গুৰুত্ব আৰু সহায় আগবঢ়াব? 'গ্ৰন্থ কুটীৰ' সৃষ্টিৰ কৃতিত্ব নিশ্চয় গ্ৰহণীয়। ইয়াৰ জৰিয়তে ভাৰতৰ অমূল্য জ্ঞান ভাণ্ডাৰক বিশ্বৰ দৰবাৰলৈ ডিজিটেল মাধ্যমত দাঙি ধৰাৰ পথটো মুকলি হ'ল। কিন্তু ইয়াৰ সফলতা নিৰ্ভৰ কৰিব ইয়াৰ প্ৰৱেশাধিকাৰ কিমান সুলভ, আৰু ইয়াৰ সমৃদ্ধিক আমাৰ জাতীয় জীৱন আৰু চিন্তাৰ সৈতে কিমানদূৰ সংযোগ কৰিব পৰা যায় তাৰ ওপৰত। অসমীয়া ভাষাৰ এই সন্মান পালন কৰাৰ লগতে আমাৰ মনত এইটোও দায়িত্বও জন্মায় যে আমাৰ ভাষাৰ অসংখ্য হাতে-লিখা পুথি আদি সংৰক্ষণৰ বাবে আমিও সজাগ হোৱা উচিত। ৰাষ্ট্ৰপতি ভৱনৰ 'গ্ৰন্থ কুটীৰ' যেন আমাৰ সমাজতো এনে অসংখ্য ক্ষুদ্ৰ 'গ্ৰন্থ কুটীৰ' সৃষ্টিৰ অনুপ্ৰেৰণা হয়। কিয়নো, প্ৰকৃত সংৰক্ষণ আৰু প্ৰচাৰ আৰম্ভ হয় ঘৰখনৰ পৰাই।



# দুৰ্নীতি ৰোধৰ প্ৰয়োজনীয়তা

**দু**ৰ্নীতি - এক সামাজিক সমস্যা বা ব্যাধি। ই এক প্ৰকাৰৰ অন্যায় বা বেআইনী কাৰ্য। ঘোচ লোৱা, জালিয়াতি, ক'লা বজাৰ, আনৰ সম্পত্তি আত্মসাৎ, ক্ষমতাৰ অপব্যৱহাৰ আদিয়ে হৈছে দুৰ্নীতি।

বৰ্তমান সময়ত বহু লোকৰ বাবে দুৰ্নীতিয়ে যেন নীতি হৈ পৰিছে। টকা বা সম্পত্তিৰ পাহাৰ গঢ়াৰ প্ৰৱণতাৰ বাবে বক্ৰ পথত ভৰি দিছে। কিয়নো চিধা পথেৰে ধনৰ পাহাৰ গঢ়া সম্ভৱ নহয়। চৰকাৰখনে চাৰিওফালে বা চাৰিওদিশে দুৰ্নীতি বিৰোধী অভিযান চলাই ঘোচখোৰ সকলক ধৰি থকাৰ পাছতো কিন্তু দুৰ্নীতিৰ প্ৰতি মানুহৰ ভয় কমি যোৱা নাই। বৰঞ্চ দুৰ্নীতিগ্ৰস্ত চৰকাৰী বিষয়া সকলৰ তালিকাখন দীঘলীয়া হৈ গৈহে আছে। যিটো এক উদ্বেগৰ বিষয় বুলি ক'ব পাৰি। চৰকাৰে দৰমহাৰ নামত এটা মোটা অংশ এই কৰ্মচাৰী সকলক প্ৰদান কৰি আহিছে যদিও এনে বহু কৰ্মচাৰী আছে যি বক্ৰ পথেৰে ধন ঘটা পথত ভৰি দিছে। যদি এই অৰ্থলোভী সকলৰ কোনো ধৰণৰ ভয় বা দ্বিধা বোধ নাথাকে অথবা সহজলভ্য টকাৰ প্ৰতি লোভ সম্বৰণ কৰিব নোৱাৰে, তেতিয়া সমাজে গম পোৱা উচিত যে টকাৰ নিচাই মানুহক এক প্ৰকাৰ মানসিক ৰোগী কৰি তুলিছে। দুৰ্নীতিগ্ৰস্ত লোক সকল সমাজৰ প্ৰতি কেতিয়াও দায়বদ্ধ নহয় বা হোৱা দেখা নাযায়।

দুৰ্নীতি প্ৰতিৰোধ কৰাৰ বাবে যি সমূহ চৰকাৰী সংস্থা আৰু আইনী ব্যৱস্থা আছে এই সমূহ সৱল হ'ব লাগে। কিন্তু কাৰ্য ক্ষেত্ৰত এনে হোৱা দেখা নাযায়। আইনৰ সুৰক্ষাৰে প্ৰভাৱশালী দুৰ্নীতিগ্ৰস্ত সকল প্ৰায়ে সৰকি যোৱা হে দেখা যায়। প্ৰকৃততে এনে হোৱা উচিত নহয়। দুৰ্নীতি ৰোধৰ ক্ষেত্ৰত চৰকাৰ কঠোৰ হোৱাটো খুবেই প্ৰয়োজনীয়। দুৰ্নীতিৰ বিৰুদ্ধে সজাগতা বৃদ্ধি কৰা তথা দুৰ্নীতি বিৰোধী অভিযানত সহায় কৰাৰ ক্ষেত্ৰত চৰকাৰৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আৰু এক বিশেষ দায়িত্ব আছে। জনসাধাৰণ এই ক্ষেত্ৰত সজাগ আৰু সচেতন হোৱা উচিত আৰু এই ধৰণৰ অন্যায়ৰ বিপক্ষে মাত মতা উচিত, প্ৰতিবাদ কৰা উচিত। সাম্প্ৰতিক সময়ত দুৰ্নীতি ৰোধৰ বাবে চৰকাৰে শূন্য সহনশীল নীতি প্ৰয়োগ কৰিছে বুলি কৈছে যদিও আজিও কিন্তু ইয়াক নিৰ্মূল কৰিব পৰা নাই, ই নিৰ্মূল হোৱা নাই। এনে পৰিপ্ৰেক্ষিতত উঠি অহা প্ৰজন্মই বাৰু এই সকল লোকৰ পৰা কি নীতি-আদৰ্শ গ্ৰহণ কৰিব? সমাজেই বা কি আশা কৰিব পাৰে? দেখাক দেখি যদি তেওঁলোকেও সেই পথ অনুকৰণ কৰে সমাজৰ অৱস্থা কেনে হ'ব? সৰুতে অভিভাৱকে শিকোৱা নীতি-আদৰ্শ মোহাৰি যদি অসৎ পথত ভৰি দিয়ে? তৰুণ প্ৰজন্মৰ পৰা আমি বহু আশা কৰো। তেওঁলোকৰ মেধা আৰু বুদ্ধিমত্তাক আদৰ কৰো। চাকৰি কালত তেওঁলোকে পদমৰ্যাদা মানি চলাটো অন্তঃকৰণেৰে বিচাৰো। ক্ষমতাৰ অপপ্ৰয়োগ কৰি অসৎ পথেৰে ধন ঘটাৰ, সম্পত্তিৰ পাহাৰ গঢ়াৰ মানসিকতাই যেন তেওঁলোকক দুৰ্নীতিগ্ৰস্ত হোৱাত অৰিহণা আগ নবঢ়ায়। এজন অসৎ দুৰ্নীতিগ্ৰস্ত বিষয়া নহৈ যাতে সকলোৰে আদৰ্শ, অনুকৰণীয় আৰু সন্মানীয় হৈ সমাজৰ সেৱা আগবঢ়াবলৈ সক্ষম হয়। সৎ পথত থাকিও সুখী জীৱন যাপন কৰিব পাৰি। আনৰ মুখৰ ভাত কাঢ়ি, ক্ষমতাৰ অপপ্ৰয়োগ কৰি ধন-ঐশ্বৰ্যৰ পাহাৰ গঢ়ি মানুহৰ চকুত চমক সৃষ্টি আৰু প্ৰতিপত্তিশালী হ'বলৈ যোৱাটো মুঠেই আদৰণীয় আৰু গ্ৰহণযোগ্য নহয়। আহক আমি সকলোৱে মিলি এই ৰোগ, সামাজিক ব্যাধি বিপক্ষে থিয় দিওঁ।

*নিবেদিতা হাজৰিকা*
*ঠিকনা ঃ লখিমপুৰ*

আচলতে স্পীড ব্ৰেকাৰৰ প্ৰয়োজন মানুহৰ চিন্তা আৰু মগজুত, ৰাস্তাত নহয়। স্পীড ব্ৰেকাৰে দুৰ্ঘটনা নকমায়, কমায় আমাৰ সাধাৰণ (normal) গতি, বৃদ্ধি কৰে সময় আৰু ইন্ধনৰ অপচয়। কোনোবাই দাবী কৰিলে বুলিয়েই কোনো জোখ-মাখ বা হিচাব নোহোৱাকৈ লোক নিৰ্মাণ বিভাগে স্পীড ব্ৰেকাৰ দিয়া উচিত জানো? কোনো এজনে ৰাস্তাত চলা নিয়ম নামানি অসাৱধানতাৰে দুৰ্ঘটনাত পৰিল বুলিয়েই যে ৰাইজেও স্পীড ব্ৰেকাৰ বহাবলৈ প্ৰতিবাদেৰে দাবী কৰিব, সেয়াও উচিত কথা নহয়। মদ খাই উদ্ভণ্ডালি কৰি (careless) কোনাবাই যদি মৃত্যুক আমন্ত্ৰণ কৰে, তাৰ বাবে সাধাৰণ নাগৰিকে কিয় জীয়াতু ভুগিব? কথাবোৰৰ পৰ্য্যালোচনা হ'ব লাগে।

# পথৰ গতি-ৰোধক আৰু যাত্ৰীৰ হাৰাশাস্তি

**ড° আৰ কে বেজবৰুৱা**

**ভা**ল ৰাস্তাই মানুহক ভ্ৰমণৰ আনন্দ দিয়ে। দেহ আৰু মনত অৱসাদৰ সৃষ্টি নকৰে। মসৃণ পথত গাড়ী এখন চলাই যোৱাৰ মাদকতাই সুকীয়া। ৰাস্তা-ঘাট উন্নত কৰাৰ উদ্দেশ্যেই হৈছে সময় আৰু দূৰত্ব হ্ৰাস কৰা। লগতে যাত্ৰাৰ অৱসাদ দূৰ কৰা। তাৰ সমানুপাতিক ভাবে উন্নত প্ৰযুক্তিৰে নিৰ্মিত গাড়ী- মটৰ নিৰ্দিষ্ট গতি বেগত চলাই নিয়া। কিন্তু গাড়ী এখন যদি ঘণ্টাত চল্লিশ কিলোমিটাৰ বেগতো চলাব নোৱাৰি, ২০-৩০ মিটাৰৰ মূৰে-মূৰে গতিবেগ শূন্যলৈ নিব লাগে, তাৰ বাবে উন্নত ৰাস্তাৰ প্ৰয়োজন ক'ত? যদি গাড়ী এখন দুই-তিনি নম্বৰ গিয়েৰত চলাব লগীয়া হয়, তেন্তে গাড়ী এখন লৈ ২০০ কিলোমিটাৰ বাদেই ২০ কিলোমিটাৰৰ বাট যাবলৈও বিতৃষ্ণা জাগিব। ৰাস্তাত ১০-২০ মিটাৰ অন্তৰে অন্তৰে থকা গতিৰোধক বা স্পীড ব্ৰেকাৰ বোৰৰ বাবে ওপৰৰ কথাখিনি উল্লেখ কৰা হৈছে।

"স্পীড ব্ৰেকাৰৰ প্ৰয়োজন কি?" বুলি সোধাৰ লগে লগে নিশ্চিত উত্তৰটো হ'ব - "দ্ৰুত গতিত চলা যান-বাহন নিয়ন্ত্ৰণ কৰা আৰু পথ দুৰ্ঘটনা হ্ৰাস কৰা।"

বৰ্তমান অসমৰ গাঁও, চহৰ আৰু ৰাষ্ট্ৰীয় পথবোৰ আহল-বহল আৰু মসৃণ হৈছে। সেই অনুপাতে ৰাস্তাত যান- বাহনবোৰ যথেষ্ট গতিত চলাচল কৰিবলৈ লৈছে। যান বাহনৰ গতিবেগ বৃদ্ধিৰ আন এটা সুবিধা হৈছে এক মুখী ৰাস্তাবোৰ। ৰাস্তাৰ মান উন্নত হোৱাৰ লগে লগে যান বাহনৰ গতি ত্বৰান্বিত হয় আৰু তেনে পৰিস্থিতিত দুৰ্ঘটনাৰ সংখ্যাও বাঢ়ে।

২০২৩ চনত অসমত সংঘটিত হোৱা পথ দুৰ্ঘটনাৰ সংখ্যা আছিল ৭, ৪২১ টা। ভাৰত চৰকাৰৰ আৰক্ষী বিভাগৰ হাতত ২০২৩ চনত পঞ্জীয়ন কৰা পথ দুৰ্ঘটনাৰ সংখ্যা আছিল ৪, ৮০, ৫৮৩ টা। তাৰ ভিতৰত মৃত্যুৰ সংখ্যা ১৭, ২৮৯ আৰু বাকীখিনি কম বেছি পৰিমাণে আঘাত প্ৰাপ্ত। চৰকাৰী তথ্য মতে, ভাৰতত প্ৰতি দিনে হোৱা পথ দুৰ্ঘটনা সংখ্যা ৪৮৫ টা। ইমান ডাঙৰ সংখ্যা এটা সংকুচিত কৰিবলৈ হ'লে পৰিবহণ বিভাগে কিছুমান কৌশল, আইনী প্ৰক্ৰিয়া আৰু নিয়ম-কানুন প্ৰৱৰ্তন অৱশ্যেই কৰিব লাগিব। সেই উদ্দেশ্য আগত ৰাখিয়েই ৰাস্তাত গতিৰোধক বহুওৱা হয়।

পথ দুৰ্ঘটনাৰ কেইবাটাও কাৰণৰ ভিতৰত মূল কাৰণটো হৈছে যান-বাহনৰ অত্যধিক গতি বেগ। তাৰ পিছত আহে চালকৰ নিচাগ্ৰস্ততা, মোবাইল ফোনৰ ব্যৱহাৰ, অ-মনোযোগিতা। যান্ত্ৰিক বিজুতি। বৰ্তমান অসমত জৰাজীৰ্ণ পথৰ বাবে হোৱা দুৰ্ঘটনা প্ৰায় শূন্য। ওপৰোক্ত কাৰণত হোৱা পথ দুৰ্ঘটনা ৰোধ কৰাৰ উদ্দেশ্যে মসৃণ পথবোৰত যান-বাহনৰ স্পীড নিয়ন্ত্ৰণ কৰিবলৈ গৈ য'তে ত'তে বান্ধি দিয়া হৈছে অসংখ্য গতি-ৰোধক।



ঃ কিমান দূৰত্বত গতিৰোধ দিয়া হয় তাৰ কিবা নিয়ম (rule) আছে নেকি?

ঃ কি পৰিস্থিতিত মসৃণ পথ এটাত বান্ধ দি নিৰ্দিষ্ট গতি বেগত চলি থকা গাড়ী এখনৰ গতি প্ৰায় শূন্যলৈ নমাই অনা হয়, তাৰ যুক্তিসংগত কাৰণ কি?

এই প্ৰশ্নটো বহুতৰে মনলৈ আহিছে। উদাহৰণ স্বৰূপে ৰঙাপৰা নামৰ সৰু চহৰখনৰ কথাটো উল্লেখ কৰিব পাৰি। ৰঙাপৰাৰ পৰা জিলাৰ সদৰ তেজপুৰলৈ এটা পথ হৈছে ৰঙাপৰা-বিন্দুকুৰি পথ। এই পথৰ দূৰত্ব প্ৰায় ৩০ কিলোমিটাৰ। উক্ত পথটো লোকনিৰ্মাণ বিভাগে উন্নত মান সম্পন্ন কৰি নিৰ্মাণ কৰিছে। পথটোৱে ৰঙাপৰাৰ পৰা তেজপুৰলৈ দুৰত্ব আৰু সময় হ্ৰাস কৰি সূচল যাতায়তৰ ব্যৱস্থা কৰিছে। কিন্তু পৰিতাপৰ কথা যে এই ৩০ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথটোত গতি ৰোধক দিয়া হৈছে মুঠ ৪৯ টা। পথটোৰ একাংশত প্ৰায় দেৰ কিলোমিটাৰৰ ৰাস্তাত ৯টা গতিৰোধ দিয়া হৈছে। গুৱাহাটী বা মংগলদৈলৈ যোৱা ৰাস্তাটো হৈছে ৰঙাপৰা-মিছামাৰী সংলগ্ন পথছোৱা। মিছামাৰী ৰাস্তাৰে ঠেলামৰা হৈ যোৱা কলাকুছি-ঠেলামৰা পথচোৱাৰ প্ৰায় সাত কিলোমিটাৰ ৰাস্তা আছে ৪২টা মান স্পীড ব্ৰেকাৰ। মংগলদৈ হৈ তেজপুৰ-গুৱহাটী হাইৱেৰ স্পীড ব্ৰেকাৰৰ সংখ্যা প্ৰতিজন গাড়ী চালকে জানেই। ভাৰতীয় পথত স্পীড ব্ৰেকাৰৰ একোটাৰ নিৰ্দিষ্ট উচ্চতা আৰু পৰিধিৰ মাপ থাকে। সেই হিচাপত একোটা স্পীড ব্ৰেকাৰ ১৭ মিটাৰ ব্যাসাৰ্দ্ধ যুক্ত ০.১০ মিটাৰ (১০ ছেণ্টিমিটাৰ) উচ্চতাৰ হ'ব লাগে। আমি সদায় অহা যোৱা কৰি থকা পথৰ এই স্পীড ব্ৰেকাৰ সমূহৰ কিন্তু কোনো জোখ-মাপ নাই। স্পীড ব্ৰেকাৰটো পাৰ হওতে গাড়ীখনৰ মজিয়া বা মটৰ চাইকেলৰ চাইলেঞ্চাৰটোৱে ঘঁহনি খাই খাই কাটি যোৱা চিন প্ৰতিটো স্পীড ব্ৰেকাৰত দেখা যায়। তদুপৰি সৰহ সংখ্যক স্পীড ব্ৰেকাৰতেই নাই হালধীয়া চিহ্ন বা জেব্ৰা মাৰ্ক।

যদি ৩০ কিলোমিটাৰৰ নতুন পথ এটা দুৰ্ঘটনা ৰোধৰ নামত গতিৰোধকেৰে ওপচাই দিয়া হয়, তেন্তে সেই ৰাস্তাটোৰ পৰা লাভ কি?

এই ৰাস্তাবোৰত স্পীড ব্ৰেকাৰ দিয়া হয় প্ৰায়েই ৰাইজৰ দাবীত। কাৰণ, মসৃণ ৰাস্তাৰে তীব্ৰ গতিত গাড়ী আৰু মটৰ চাইকেল চলোৱা মানুহৰ উৎপাতত সঘনাই দুৰ্ঘটনা সংঘটিত হয়। তাৰে বেছি ভাগ হৈছে ডেকা ল'ৰা-ছোৱালী। সেই দুৰ্ঘটনা বেছিভাগেই হয় মদ জাতীয় দ্ৰব্যৰ প্ৰভাৱত। ফলত বহু ডেকা ল'ৰাই শোকাবহ ভাবে মৃত্যুক সাৱটি লোৱা ঘটনাই ৰাইজকো প্ৰভাৱিত কৰে আৰু ৰাস্তাত স্পীড ব্ৰেকাৰ দিয়াৰ বাবে প্ৰতিবাদ কৰিবলৈ অনুপ্ৰেৰণা যোগায়। ৰাইজৰ দাবী মানি লৈ লোক নিৰ্মাণ বিভাগে এটাৰ পিছত এটাকৈ স্পীড ব্ৰেকাৰ বহুৱাই যায়।

প্ৰশ্ন হয় - এই স্পীড ব্ৰেকাৰ বহালেই দুৰ্ঘটনা ৰোধ হ'ব নে? কোনোবাই যদি অনিয়ন্ত্ৰিত স্পীডত বাইক চলাই নিজে দুৰ্ঘটনা ঘটায়, তাৰ বাবে কাক দোষী সাব্যস্ত কৰা যাব? মদ্যপান কৰি উধাই মুধাই গাড়ী চলাই যদি সাধাৰণ গতিত নগৈ অন্য গাড়ী বা পথাচাৰীক খুন্দিয়ায় তাৰ বাবেও লোক নিৰ্মাণ বিভাগক জগৰীয়া কৰিব পাৰি নে?

য'তে ত'তে দিয়া স্পীড ব্ৰেকাৰৰ বাবেও মানুহ দুৰ্ঘটনাত পতিত হৈ নিহত হোৱাৰ বাতৰি পোৱা গৈছে। সাধাৰণ স্পীডত অহা মটৰ চাইকেলখন সন্মুখত দেখা স্পীড ব্ৰেকাৰত স্পীড কমাবলৈ যাওঁতেও দুৰ্ঘটনা ঘটি মৃত্যু মুখত পৰাৰ উদাহৰণ বহুত আছে। বিশেষকৈ পিছফালে থকা আৰোহীৰ বাইকৰ পৰা পিছলি পৰি মৃত্যু হোৱাৰ ঘটনা কম নহয়।

দুৰ্ঘটনা আৰু মৃত্যুৰ হাৰ কমাবলৈ গৈ অনিয়ন্ত্ৰিত হাৰত বহোৱা স্পীড ব্ৰেকাৰবোৰৰ পৰা উদ্ভৱ হোৱা অসুবিধাবোৰ যদি চোৱা হয়, তেন্তে তলত উল্লেখ কৰা কথাখিনি দেখা যায়-

১) সাধাৰণ মানুহে গাড়ী এখন বা মটৰ চাইকেল চলাই যাওঁতে বাৰে বাৰে সন্মুখলৈ দৃষ্টি ৰাখিব লগীয়া হয়। তাৰ বাবে চালকজনে যথেষ্ট মানসিক ছাপ সহিব লগীয়া হয়। তেনেকুৱা ৰাস্তাত অধিক দূৰত্ব অতিক্ৰম কৰোঁতে বহুতেই চকু আৰু মূৰৰ বিষ অনুভৱ কৰে।

২) গাড়ীৰ পিছফালে বহি যোৱা যাত্ৰী সকলৰ কঁকাল আৰু পিঠিৰ বিষ হয়। বাৰে বাৰে ঠেকেঁচা খোৱাৰ ফলত কিছুমানৰ বমি পৰ্যন্ত হৈ যায়।

৩) বাৰে বাৰে ক্লাট্‌ছ আৰু ব্ৰেক ব্যৱহাৰৰ ফলত ইন্ধনৰ ব্যয় অযথা বৃদ্ধি হয়।

৪) কিছুমান চনকা সামগ্ৰী তেনেকুৱা পথেৰে পৰিবহণ কৰোঁতে বহু বস্তু ভাঙে। গাড়ীৰ জোকাৰণিত আইনাৰ সামগ্ৰী, টাইলছ আদি ভাঙি গ্ৰাহক ক্ষতিগ্ৰস্ত হয়।

৫) বৃহৎ বৃহৎ স্পীড ব্ৰেকাৰৰ ঘৰ্ষণ খোৱাৰ ফলত বাহনখনৰ আয়ুষ কমি যায়। পাৰিবাৰিক বাহন (family car)ৰ তলি (floor) আৰু মটৰ চাইকেলৰ চাইলেঞ্চাৰটো যথেষ্ট ক্ষতিৰ সন্মুখীন হয়। গাড়ীৰ বাম্পাৰ খুলি পৰা নাইবা ম'বিল চেম্বাৰত ফাটি ম'বিল পৰি যোৱা দেখা যায়।

৬) আজি কালি মহিলাসকলৰ বেছি ভাগেই গাড়ী বা স্কুটী চলাই কাৰ্যালয়লৈ বা বিভিন্ন কামত অহা যোৱা কৰে। ঋতুকালীন সময়ত মহিলাসকলে অত্যধিক স্পীড ব্ৰেকাৰ পাৰ হৈ অহা যোৱা কৰোঁতে পেটৰ বিষ, অত্যধিক ৰক্তক্ষৰণ আৰু অন্যান্য অসুবিধাৰ সন্মুখীন হয়। সেয়া ভুক্তভোগীৰ বাহিৰে আনে নুবুজে।

৭) দুৰ্ঘটনাত পতিত ব্যক্তি এজনক ৰঙাপৰাৰ পৰা তেজপুৰৰ জিলা হস্পিতেললৈ ৪৯টা স্পীড ব্ৰেকাৰ পাৰ কৰি লৈ যাওঁতে ৰক্ত ক্ষৰণ কিমান হ'ব নাইবা সংকট জনক অৱস্থাৰ ৰোগী এজনে জীৱন্ত অৱস্থাত হস্পিতেল পাব নে নাপায় সেয়াও অত্যন্ত চিন্তনীয়।

৮) এগৰাকী সন্তান সম্ভৱা মহিলাক এনেকুৱা অসংখ্য স্পীড ব্ৰেকাৰ পাৰ কৰাই ক'ৰবালৈ নিব লগা হ'লে তেওঁৰ যে গৰ্ভপাত নহ'ব, তাৰো আশংকা নথকা নহয়। তদুপৰি প্ৰসৱ বেদনাত ভুগি থকা মহিলা এগৰাকীয়ে সন্তান জন্মাৰ আগতে হস্পিতেল পাব নে নাপায়, সেয়াও সন্দেহৰ উৰ্দ্ধত নহয়।

৯ ) সকলো ধৰণৰ জৰুৰীকালীন সমস্যাত সেই স্পীড ব্ৰেকাৰবোৰে সমস্যা আৰু অধিক জটিল যে কৰিব সেয়া নিশ্চিত।

হিচাব কৰিবলৈ গ'লে স্পীড ব্ৰেকাৰে দিয়া লাভৰ তুলনাত, লোকচানৰ সংখ্যাহে বেছি হ'ব। ৬০-৭০ কিলোমিটাৰ প্ৰতি ঘণ্টাত চলা গতি বেগেই আমাৰ বাবে যথেষ্ট। তাৰ পৰিবৰ্তে কোনোবাই সুৰা পান কৰি ঘণ্টাত ৮০-৯০-১০০ কিলোমিটাৰ বেগত যদি বাইক চলায় নাইবা ১২০-১৪০ কিলোমিটাৰ বেগত গাড়ী চলায় তেন্তে দুৰ্ঘটনা ঘটাটো স্বাভাৱিক কথা। তেনে লোকক স্পীড ব্ৰেকাৰে ৰক্ষা কৰিব নোৱাৰে। আচলতে স্পীড ব্ৰেকাৰৰ প্ৰয়োজন মানুহৰ চিন্তা আৰু মগজুত, ৰাস্তাত নহয়। স্পীড ব্ৰেকাৰে দুৰ্ঘটনা নকমায়, কমায় আমাৰ সাধাৰণ (normal) গতি, বৃদ্ধি কৰে সময় আৰু ইন্ধনৰ অপচয়। কোনোবাই দাবী কৰিলে বুলিয়েই কোনো জোখ-মাখ বা হিচাব নোহোৱাকৈ লোক নিৰ্মাণ বিভাগে স্পীড ব্ৰেকাৰ দিয়া উচিত জানো? কোনো এজনে ৰাস্তাত চলা নিয়ম নামানি অসাৱধানতাৰে দুৰ্ঘটনাত পৰিল বুলিয়েই যে ৰাইজেও স্পীড ব্ৰেকাৰ বহাবলৈ প্ৰতিবাদেৰে দাবী কৰিব, সেয়াও উচিত কথা নহয়। মদ খাই উদ্ভণ্ডালি কৰি (careless) কোনাবাই যদি মৃত্যুক আমন্ত্ৰণ কৰে, তাৰ বাবে সাধাৰণ নাগৰিকে কিয় জীয়াতু ভুগিব? কথাবোৰৰ পৰ্য্যালোচনা হ'ব লাগে। যি দৰে উদ্ভণ্ডালি কাৰো বাবে গ্ৰহণযোগ্য নহয়, সেইদৰে অত্যধিক গতিৰোধকো সাধাৰণ মানুহৰ দ্বাৰা সমৰ্থন যোগ্য নহয়। পুলিচ প্ৰশাসন, লোকনিৰ্মাণ বিভাগ আৰু স্পীড ব্ৰেকাৰক দাবী কৰা ৰাইজে কথাবোৰ পৰ্য্যালোচনা কৰিলে সকলোৰে বাবেই কল্যাণকাৰী হ'ব।

# উৎসৱৰ উছাহ আৰু বিস্মৃতিৰ গ্ৰাসত নেতাজী

**নাজমল হুছেইন ভূঞা**

**শু**ভ্ৰ কুঁৱলীৰ আচ্ছাদন ফালি পুব আকাশত যেতিয়া বাসন্তীৰ কোমল ৰ'দজাক বিৰিঙি উঠে, তেতিয়াই ধৰিত্ৰীৰ বুকুত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। শুক্লা পঞ্চমীৰ সেই স্নিগ্ধ ৰাতিপুৱা, বতাহত উপঙি অহা বাসন্তী ফুলৰ সুবাস আৰু মণ্ডপে মণ্ডপে বাজি উঠা শঙ্খৰ ধ্বনিয়ে জ্ঞানৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ আগমনৰ বতৰা দিয়ে।

শুকুলা-নিৰ্মল বসন পিন্ধি, হাতত পুষ্প লৈ যেতিয়া দল-দলে কিশোৰ-কিশোৰীয়ে বিদ্যা দেৱীৰ চৰণত ভক্তিৰে অঞ্জলি যাচিলে, এইবেলি কেলেণ্ডাৰৰ সেই একেটা দিনতে ভাৰতৰ জাতীয় ইতিহাসৰ আকাশতো আন এটি তেজস্বী নক্ষত্ৰৰ আভা বিৰিঙি উঠিল। সেই নক্ষত্ৰ হ'ল ভাৰতীয়ৰ হিয়াৰ আমঠু, স্বাধীনতা সংগ্ৰামৰ অগ্নিকুমাৰ নেতাজী সুভাষ চন্দ্ৰ বসু। কিন্তু সময়ৰ বিচিত্ৰ পাকচক্ৰত, সৰস্বতী পূজাৰ ৰঙীন আলোকসজ্জা আৰু আধুনিকতাৰ কৃত্ৰিম ধামখুমীয়াৰ মাজত আই মাতৃৰ মুক্তিৰ বাবে ৰক্তদান কৰিবলৈ ওলাই অহা সেই মহানায়কৰ তেজস্বী ইতিহাস যেন ক্ৰমান্বয়ে ধূসৰিত হৈ পৰিছে। জ্ঞানৰ অন্বেষণত ব্ৰতী হোৱা এটা জাতিয়ে যেতিয়া নিজৰ ইতিহাসৰ সাহসী অধ্যায়টোক উৎসৱৰ হুলস্থুলৰ মাজত পাহৰি পেলায়, তেতিয়া সেয়া কেৱল এটা দিনৰ বিফলতা নহয়, বৰঞ্চ আমাৰ জাতীয় চেতনাৰ এক গভীৰ সংকটৰ প্ৰতিফলন।

আটাইতকৈ হতাশাজনক দৃশ্যটো পৰিলক্ষিত হ'ল প্ৰায় বিদ্যানুষ্ঠানসমূহৰ প্ৰাংগণত। যি শিক্ষানুষ্ঠানক জ্ঞান চৰ্চাৰ মন্দিৰ বুলি গণ্য কৰা হয় আৰু যি ঠাইত ভৱিষ্যতৰ নাগৰিক গঢ়াৰ সংকল্প লোৱা হয়, সেই প্ৰতিষ্ঠানত সৰস্বতী পূজাৰ জাকজমকতাৰ অন্ত নাই। নতুন সাজপাৰ পিন্ধি ছাত্ৰ-ছাত্ৰীৰ ভিৰ, সু-স্বাদু প্ৰসাদৰ ব্যৱস্থা আৰু আধুনিক গীতৰ তীব্ৰ ধ্বনিৰে চৌপাশ মুখৰিত হৈ থাকিল। কিন্তু পৰিতাপৰ কথা এয়ে যে, একেটা চৌহদতে দেশৰ এজন পৰম বীৰৰ জন্মজয়ন্তী উদ্‌যাপন কৰিবলৈ কাৰো যেন আহৰি নোহোৱা হ'ল। প্ৰায়বোৰ বিদ্যানুষ্ঠানতে সৰস্বতী পূজাৰ ধামখুমীয়াত নেতাজীৰ প্ৰতিচ্ছবিখনত এপাহি ফুল অৰ্পণ কৰি অনুষ্টুপীয়া শ্ৰদ্ধাঞ্জলি জনোৱাৰ সৌজন্যখিনিও প্ৰদৰ্শিত হোৱা দেখা নগ'ল। যি শিক্ষা ব্যৱস্থাই আমাক নিজৰ শিপাক সন্মান কৰিবলৈ নিশিকায়, সেই শিক্ষাৰ আধাৰত গঢ়ি উঠা উৎসৱৰ আমোদ কেৱল এক কৃত্ৰিম প্ৰদৰ্শনহে। দুই-এখন শিক্ষানুষ্ঠানৰ একোণত অৱহেলিত হৈ পৰি থকা মহানায়কৰ ফটোখনে যেন আজি আমাৰ বৌদ্ধিক দেউলীয়া ধৰ্মিতাকে উপলুঙা কৰিছে।



এই অৱহেলা আমাৰ জাতীয় জীৱনৰ এক তীব্ৰ বৌদ্ধিক সংকটৰ লক্ষণ। এফালে ম'বাইলৰ কেমেৰাত বন্দী হোৱা পূজাৰ 'চেল্‌ফী'ৰ জগতত হেৰাই যোৱা এক প্ৰজন্ম আৰু আনফালে এজন মানুহৰ চৰম ত্যাগৰ কাহিনী- যি ইতিহাসত তেজৰ বিনিময়ত স্বাধীনতাৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল। সৰস্বতী আৰু নেতাজী- এই দুয়োটা অস্তিত্বই হ'ল একেই সত্যৰ দুটা ভিন্ন প্ৰকাশ। সৰস্বতী যদি জ্ঞানৰ শিখা, নেতাজী হ'ল সেই জ্ঞানক কৰ্ম আৰু সাহসত পৰিণত কৰা এক জ্বলন্ত অগ্নিপিণ্ড। ভাৰতীয় দৰ্শন অনুসৰি শক্তিবিহীন জ্ঞান পঙ্গু। আজি আমি জ্ঞানৰ অধিষ্ঠাত্ৰীৰ চৰণত মূৰ দোৱাইছোঁ সঁচা, কিন্তু সেই জ্ঞানে আমাক যি সাহসিকতা আৰু দেশপ্ৰেম দিব লাগিছিল, তাৰ পৰা আমৰা বহু যোজন আঁতৰত। আমাৰ মাজত আজি 'সাংস্কৃতিক আড়ম্বৰ' বাঢ়িছে কিন্তু 'জাতীয় প্ৰমূল্য' হ্ৰাস পাইছে। উৎসৱৰ গ্লেমাৰে আমাক আৱেগিক কৰি তোলে সঁচা, কিন্তু ই আমাক আমাৰ ঐতিহাসিক দায়িত্বৰ পৰা আঁতৰাই ৰাখে।

এটা জাতিৰ পৰিচয় নিৰ্ভৰ কৰে ইয়াৰ সামূহিক স্মৃতিৰ ওপৰত। আমি যেতিয়া উৎসৱৰ ঢৌত উটি গৈ নেতাজীৰ দৰে বিপ্লৱীক পাহৰি যাওঁ, তেতিয়া সেয়া আমাৰ বৌদ্ধিক অৱক্ষয়ৰ পৰিচায়ক হৈ পৰে। এজন ব্যক্তি যিয়ে ভাৰতৰ মানচিত্ৰ সলাই দিবলৈ চৰম ত্যাগ স্বীকাৰ কৰিছিল, তেওঁৰ জন্মজয়ন্তীতকৈ এটা উৎসৱৰ সাজ-পাৰ বা ভোজ-ভাতৰ পয়োভৰ অধিক হোৱাটোৱে প্ৰমাণ কৰে যে আমাৰ সমাজখন ক্ৰমান্বয়ে গম্ভীৰ চিন্তাধাৰাৰ পৰা আঁতৰি এক আমোদপ্ৰিয় সংস্কৃতিৰ ফালে ঢাল খাইছে। জ্ঞানৰ পূজাৰ প্ৰকৃত সাৰ্থকতা তেতিয়াহে থাকে, যেতিয়া সেই জ্ঞানে আমাক আমাৰ ইতিহাসৰ মহানায়কসকলৰ প্ৰতি সচেতন কৰি তোলে। যদি মণ্ডপে মণ্ডপে দেৱীৰ বন্দনা চলি থকাৰ সময়ত নেতাজীৰ আজাদ হিন্দ ফৌজৰ সেই শৌৰ্য্য ম্লান হৈ পৰে, তেন্তে বুজিব লাগিব যে আমাৰ জাতীয় সত্তা আজি সংকটগ্ৰস্ত।

উৎসৱ উদ্‌যাপন কৰাটো অপৰাধ নহয়, কিন্তু জাতীয় বীৰসকলক পাহৰি যোৱাটো এক ঐতিহাসিক ভুল। এই পৱিত্ৰ সংযোগৰ দিনটোত পূজাৰ মণ্ডপত দেৱীৰ বন্দনাৰ লগতে নেতাজীৰ সাহসৰ কাহিনীও নতুন প্ৰজন্মৰ কাণত পৰিব লাগিছিল। কিন্তু তাৰ পৰিৱৰ্তে আমি এক ভোগবাদী সংস্কৃতিৰ বশৱৰ্তী হৈ কেৱল সাময়িক আমোদকহে অগ্ৰাধিকাৰ দিলোঁ। যিদিনা ধূপৰ ধোঁৱাৰ সুগন্ধ আৰু দেশপ্ৰেমৰ গাম্ভীৰ্য একেলগে মিলি আমাৰ জাতীয় সত্তাক উদ্বুদ্ধ কৰিব, সেইদিনাহে এই উৎসৱৰ ভিৰ সাৰ্থক হ'ব। অন্যথা, আধুনিকতাৰ এই ধামখুমীয়াত আমি কেৱল এজন মহানায়কক নহয়, বৰঞ্চ নিজৰ জাতীয় বিবেকো বিসৰ্জীত হ'ব। জ্ঞানৰ সাধনাই যদি আমাক আমাৰ ইতিহাসৰ মহানায়কসকলৰ প্ৰতি উদাসীন কৰে, তেন্তে সেই সাধনা কেতিয়াও সাৰ্থক হ'ব নোৱাৰে।

## প্ৰজন্মই হ'ল আজন্মলৈ চিন ৰাখি যোৱা অমূল্য সম্পদ

# সাউদৰ পুতেকে নাও মেলি যায়

লিষ্ট্ৰিনা চাংমাই

যিদৰে সম্পদ হ'বলৈ হ'লে উপকাৰীতা গুণ অপৰিহাৰ্য ঠিক তেনেদৰে মানৱ সম্পদ হ'বলৈ হ'লে শিক্ষা অপৰিহাৰ্য। শিক্ষাৰ অবিহনে কোনো এজন ব্যক্তিয়ে মানৱ সম্পদৰ অন্তৰ্ভুক্ত নহয়। কেৱল আধ্যাত্মিক শিক্ষাৰে শিক্ষিত নহৈ বৌদ্ধিক শিক্ষাৰে স্বাৱলম্বী হ'বলৈ হ'লে মানুহে নিজৰ জ্ঞান অৰ্জনৰ পৰিধি বৃদ্ধি কৰিব লাগিব। ইয়াৰ জৰিয়তে মানুহে এখন স্বাৱলম্বী সমাজ লাভ কৰে। এই ক্ষেত্ৰত গ্ৰন্থই হ'ল প্ৰধান বাহক। ময়ো সেয়ে এখন স্বাৱলম্বী সমাজৰ কাম্যৰে আৰু তাৰ ভিন্ন দিশৰ পৰিচিতিৰ বাবে এখন মূল্যৱান গ্ৰন্থ নিৰ্বাচন কৰিছোঁ।

মোৰ নিৰ্বাচিত গ্ৰন্থখন হোমেন বৰগোহাঞি দেৱৰ দ্বাৰা ৰচিত উপন্যাস "সাউদৰ পুতেকে নাও মেলি যায়"। গ্ৰন্থখন প্ৰথম ১৯৮৭ চনৰ অসম সাহিত্য সভাত প্ৰকাশ হৈছিল। এইজনা সুকবি বৰগোহাঞি দেৱৰ ৰচনাই সমগ্ৰ অসমীয়া সাহিত্যত যথেষ্ট বৰঙণি আগবঢ়াইছে। উপন্যাস, চুটি গল্প, নিবন্ধ আদিৰ উপৰিও এজন প্ৰতিভাৱান আৰু ব্যক্তিত্বশালী সাংবাদিক হিচাপে অসমীয়া সংবাদ জগতলৈ আগবঢ়োৱা তেওঁৰ অৱদান অতুলনীয়। ১৯৩২ চনত জন্মগ্ৰহণ কৰা এইগৰাকী মহান সাহিত্যিকে জীৱিত অৱস্থাতেই নিজ কৰ্মৰাজিৰ বাবে বহুতো বঁটা তথা সন্মান পাইছিল। ইয়াৰ ভিতৰত ১৯৮৭ চনত 'পিতা-পুত্ৰ' উপন্যাসৰ বাবে পোৱা সাহিত্য অকাডেমি বঁটা উল্লেখযোগ্য। বৰগোহাঞি দেৱে ২০০১- ২০০২ চনৰ অসম সাহিত্য সভাত সভাপতিত্ব কৰিছিল। এজন বিশ্বস্থ আৰু চিন্তাশীল লেখক হিচাপে পৰিচিত বৰগোহাঞি দেৱৰ ৰচনা ৰাজিত আত্মানুসন্ধানৰ দিশ সুন্দৰ ভাৱে পৰিস্ফুট হয়। ইয়াৰ ভিতৰত মোৰ নিৰ্বাচিত গ্ৰন্থ 'সাউদৰ পুতেকে নাও মেলি যায়' অন্যতম।




এই গ্ৰন্থখন নিৰ্বাচন কৰাৰ প্ৰথম আৰু প্ৰধান দিশটোৱে হ'ল শিশুৰ মনস্তাত্বিক দিশ। তেওঁৰ এই অপূৰ্ব গ্ৰন্থখনত শিশুৰ মনস্তাত্বিক দিশটো সুন্দৰ ৰূপে প্ৰতিফলিত হৈছে। জীৱনৰ প্ৰতিখন দেওনা অতিক্ৰম কৰি অহা প্ৰতিজন শিশুৰ মনত আন্দোলিত হৈ থকা কথাবোৰে এই গ্ৰন্থখনত সাকাৰ ৰূপত প্ৰতিফলিত হৈছে। মেৰ পাকীয় কথাবোৰৰ খুব সৰলতাৰে মেৰ এৰাই তাৰ সমাধানৰ বাট উলিয়াইছে। এক কথাত ক'বলৈ গলে আমি সকলোৱে পাৰ হৈ অহা এটা কালক এই গ্ৰন্থ খনিত শব্দৰে অংকন কৰিছে। নিভাঁজ অতীতত এৰি অহা আমাৰ প্ৰতিচ্ছবিবোৰক এই গ্ৰন্থৰ শব্দশৈলীৰ মাজত মই বিচাৰি পাইছোঁ। এটি শিশোৱে হ'ল এখন সমাজৰ ভৱিষ্যত সেয়ে শিশুৰ মনস্তাত্বিক দিশৰ হেন্দোলনিবোৰক সমাধানৰ অৰ্থে মই এই গ্ৰন্থখন নিৰ্বাচন কৰিলোঁ। লগতে এটি শিশুৰ বেলিমুৰা যাত্ৰাত সাক্ষী হৈ ৰ'লোঁ। গ্ৰন্থখনৰ মূল বিষয় বস্তু হল শিশু বুলি সমাজে কৰি অহা অৱজ্ঞাৰ পৰা বিৰক্ত হৈ সময়ৰ সোঁতত জ্ঞানকে সাৰথি কৰি প্ৰাণচঞ্চলা আৰু জ্ঞানপিপাসু ব্যক্তিলৈ ৰূপান্তৰিত হৈ জীৱন জাতিষ্কাৰ কৰিব খোজা এজন আগ্ৰহী শিশুৰ যাত্ৰা।

উপন্যাসখনত এখন নিভাঁজ গাঁৱৰ সুন্দৰ ছবি প্ৰতিফলিত হৈছে। গাঁৱৰ বিষয়ে কৰা সাৱলীল বৰ্ণনাই মোৰ বিশ্বাস যে প্ৰতিজন পাঠকক এখন গাঁৱৰ নিবাসী হোৱাৰ লালসা জগাই তুলিছে। প্ৰথম পৃষ্ঠাতে থকা গাঁওখনৰ নিৰ্জন দুপৰীয়াৰ সৰল বৰ্ণনাই সকলো পঢুৱৈক এৰি অহা সোণালী সময়ৰ প্ৰতিচ্ছবি সজীৱ কৰি তুলিছে। সময়ৰ বাঘজৰীৰে এটি শিশুসুলভ মনক বান্ধি ৰখাটো জানো সম্ভৱ?

মাক-দেউতাকে সদায় সন্তানৰ হিত চিন্তা কৰে। তাৰ বাবে মাক-দেউতাকে বহুবাৰ সন্তানৰ চকুত অপ্ৰিয় হৈ পৰে। ঠিক তেনেদৰে অপ্ৰিয় আছিল গধুৰ ব্যক্তিত্বশালী চৰিত্ৰৰে পৰিবেষ্টিত বাপুকণৰ দেউতাক। সময়ৰ সোঁতত বাপুকণৰ চিন্তাত বিজুটি ঘটিল আৰু দেউতাকেই দিছিল জ্ঞান সাগৰৰ এক মসৃণ পথ। সেই জ্ঞান লাভৰ হেঁপাহত তৃষ্ণাতুৰ হৈ থকা বাপুকণে এৰি দিছিল সমনীয়াৰ সংগ আৰু নিজকে বান্ধি পেলাইছিল জ্ঞানৰ জিঞ্জিৰে। বয়সৰ লগে লগে বাঢ়ি অহা উত্ৰাৱল মনে বিচাৰি ফুৰা অচিনাকি সুগন্ধিক বাপুকণেও লাভ কৰিছিল আৰু তাক কবিতাৰে আদৰি লৈছিল। তথাপি জীৱনৰ দীপ্ততাক কলুষিত নকৰি বাপুকণে সেই প্ৰিয়বোৰক গুপ্ত পৃথিৱীখনতেই কঢ়িয়াই ফুৰিছিল। এই গ্ৰন্থখনিত এখনি সহজ-সৰল গাঁৱৰ এটি জীৱনমুখী শিশুৰ স্বপ্ন ৰ্জজড়িত দৃষ্টিত নিজৰ গাঁওখনক সফলতাৰ ঊৰ্ধ্বত চোৱাৰ হেঁপাহ সুন্দৰ ৰূপে পৰিস্ফুট হৈছে। এনেদৰেই এই নিভাঁজ শব্দশৈলীৰে গঠিত গ্ৰন্থখনিত প্ৰকাশ পাইছে এখন গাঁৱলীয়া সমাজৰ নৱপ্ৰজন্মৰ ফলত সৃষ্টি হোৱা ঊৰ্ধ্বঃগমন। য'ত সাৰথি কেৱল জ্ঞান মালিনী। উপন্যাস খনত বাপুকণৰ পৰা বিক্ৰমলৈকে যি এক জীৱন যাত্ৰা নিবদ্ধ হৈছে সেয়া সঁচাই অবৰ্ণনীয়।

বৰগোহাঞি দেৱৰ "সাউদৰ পুতেকে নাও মেলি যায়" গ্ৰন্থখনিক সফল কৰি তোলাত অভ্যন্তৰীণ চৰিত্ৰ বোৰেই মূলতঃ প্ৰধান। নিভাজ শব্দশৈলীৰে প্ৰকাশিত চৰিত্ৰবোৰে প্ৰতিজন পাঠকৰ মনত তৃপ্তিৰ আভা বিয়পাইছে। উপন্যাসখনত বাপুকণ নামৰ এটি মৰম আকলুৱা শিশোৱে চেনেহৰ উমত থাকি জেউতি বিচাৰি ফুৰিছে। এই কণমানি মনটোৱে কেতিয়াবা দেউতাকক মানৱীৰূপী দত্য আকৌ কেতিয়াবা বৃক্ষৰ লগত তুলনা কৰিছে। বয়স আৰু নিয়মৰ চেপাত পৰি যেনেতেনে দেউতাক নামৰ দত্যটোৰ ভয়ত বাপুকণে ত্ৰৈৰাক্ষৰ অংক কৰিব লাগিছিল। কিন্তু সেই দুখ পিতৃহীন তথা মোৰ পুত্ৰ বুলি ভেম মৰা মাকৰ ল'ৰা হেবাঙৰ সান্নিধ্যই নোহোৱা কৰে। পাখি লগা মনৰ কণমানি দুটাই গৰম বন্ধৰ দুপৰীয়াবোৰক কোনোবা সন্ধানী মনৰ গৰাকী হৈ হাবি বননি বোৰ চলাথ কৰে আৰু বিচাৰি আনে জিভাৰ সোৱাদে আঁকোৱালি লোৱা আম, কঁঠাল, জামুক আদি ভিন্ন ফল। কিন্তু বনৰীয়া মনক খুব সোনকালে বান্ধি পেলাই জ্ঞানৰ জৰীৰে। খুব সোনকালেই বাপুকণে হেবাঙৰ হাত এৰি সাৰটি ধৰে বাঁহী, আৱাহন আদি আলোচনী বোৰক। আৰু বাপুকণ হৈ পৰে বিক্ৰম। গতিশীল জীৱনত বাপুকণেও লাভ কৰে বন্ধুৰ সতীৰ্থ। হেবাঙৰ সৈতে একে বয়সৰে অথচ তাৰ দৰে ঘূৰি নুফুৰি বাপুকণে স্থিৰভাৱে এখনি কিতাপ লৈ পাৰ কৰে ঘণ্টা দিয়েক সময়, নদীত সাঁতোৰা সলনি নদীৰ নিৰ্জন ভাষা বুজিবলৈ চেষ্টা কৰে। এই ব্যক্তিত্বশালীৰে আবৃত বন্ধু দুলাল হৈছে বাপুকণৰ বাবে এক জ্ঞানৰ প্ৰহৰী। বিক্ৰম আৰু দুলালৰ বন্ধুত্বৰ জৰীক ঘনিষ্ঠ কৰি তোলাত কিতাপ অন্যতম। এই একে মনৰ দুই বন্ধুৱে নিজ গাঁৱৰ উন্নতিৰ বাবে সপোন ৰচে। সপোনৰ বীজবোৰ গাঁৱৰ যোগেন দদাইদেউহঁতৰ দৰে অভিজ্ঞ আৰু জ্ঞানী লোকৰ সৈতে আলোচনা কৰি বাস্তৱায়িত কৰাৰ দিশে ৰাওনা হয়। জ্যোতিৰ বাট বিচাৰি ফুৰা এই কণমানি দুটাৰ মনে এখনি নতুন গাঁও সাজিব বিচাৰে য'ত সকলোৱে শিক্ষাৰ গুৰুত্ব বুজি কিতাপ অধ্যয়ন কৰে। আৰু সেই উদ্দেশ্যে এটি পুথিভঁৰাল সাজিব লয়। কৰ্মস্পৃহাপুৰ্ণ দুই শিশোৱে নিজৰ অধ্যয়নৰ বলতেই লাভ কৰিছে কেতবোৰ ব্যক্তিত্বপূৰ্ণ গুণ যাৰ বাবে তেওঁলোকে এটি অনুষ্ঠানক আগবঢ়াই নিব পাৰিছে।

গ্ৰন্থখনিত বিক্ৰম আৰু দুলালৰ নিজ গাঁৱৰ প্ৰতি থকা আকৰ্ষণ সুন্দৰকৈ প্ৰকাশ হৈছে। স্বৰ্গসুখ যেন ঘৰখনত মাকৰ দৰে লখিমীৰ সান্নিধ্যই দুয়োকে কেতিয়াবা হতভম্ব কৰি তোলে। 'মা' শব্দৰ অৰ্থই যেন দুয়োকে আৱেগিক কৰি তোলে। আৰু এই ক্ষেত্ৰত মৃত্যু যেন কল্পনাৰো উৰ্দ্ধত। সময়ৰ সোঁতত ডাঙৰ হোৱা এই শিশুটিৰ মনত শিহৰণ কৰেহি কেতবোৰ যৌৱনিক চিন্তাই। সময়ৰ বিপাঙত পৰি কবিতা লিখিব শিকা বাপুকণৰ চৰিত্ৰটি সঁচাই গ্ৰন্থখনিত বৰ সুন্দৰকৈ উপস্থাপন কৰিছে।

অসমীয়া সাহিত্য জগতত বৰগোহাঞি দেৱৰ এই উপন্যাসখনৰ অৱদান উল্লেখযোগ্য। এই গ্ৰন্থখনত জীৱনমুখী দুই শিশুৰ মনস্তাত্বিক দিশৰ উৰ্দ্ধমুখিতা সুন্দৰকৈ প্ৰকাশ পাইছে। এখন গাৱঁক স্বাৱলম্বী আৰু উন্নতিৰ দিশে আগবঢ়াই নিবলৈ জ্ঞানসাৰথি দুই শিশুৰ চেষ্টা সুন্দৰকৈ প্ৰকাশ হৈছে। এক কথাত ক'বলৈ গলে এইখনি এখন অনুপ্ৰেৰণা মূলক গ্ৰন্থ। সমাজৰ উন্নতিৰ ক্ষেত্ৰত শিক্ষা এটা অভিন্ন অংগ সেইকথা সুন্দৰকৈ প্ৰকাশ পাইছে। শিক্ষাই যে চিন্তাশক্তি বৃদ্ধি কৰি উদ্যমী হবলৈ শিকাই সেই কথাই স্বতঃস্ফুট ৰূপত প্ৰকাশিত হৈছে। আমি সকলোৱে শুনি অহা 'বোকাত পদুম ফুলা' কথাষাৰ এই গ্ৰন্থখনৰ মাজেৰে স্পষ্ট ৰূপত ফুটি উঠিছে।

এই গ্ৰন্থখন প্ৰকাশ হোৱাৰ পাছৰে পৰা বহুতো সফলতা বুটলিবলৈ সক্ষম হৈছে। বিশেষকৈ শিশু সমাজৰ হিতাৰ্থে অগ্ৰজসকলে এই অনুপ্ৰেৰণামূলক উপন্যাস খনৰ শলাগ লয়। গ্ৰন্থখনৰ সৰল শব্দশৈলীয়ে শিশুৰ পৰা বৃদ্ধলৈকে সকলোকে পঢ়িব পৰাকৈ সন্তুষ্টি প্ৰদান কৰিছে। কিতাপখনৰ কাৰণেই হয়টো বহুতো শিশুৱে পুথিভঁৰাল আৰু তাৰ মহত্ত্বৰ কথা আয়ত্ত কৰিব পাৰিছে। এই গ্ৰন্থখনৰ মাজেৰে সমাজত শিক্ষাৰ গুৰুত্বৰ এক আভাস বিয়পিছে।

সকলো দিশতে কিতাপখনে সফলতা অৰ্জন কৰিছে যদিও মোৰ বোধেৰে কিছু খুঁত ৰৈ গৈছে। এগৰাকী পঢুৱৈ হিচাপে গ্ৰন্থখনৰ কিছুমান দিশত সালসলনিৰ প্ৰয়োজন আছে যেন মোৰ অনুভৱ হয়। এই গ্ৰন্থখনৰ সুন্দৰ কাহিনীয়ে সকলোকে মন্ত্ৰমুগ্ধ কৰিছে যদিও কাহিনীবোৰ আধৰুৱা যেন মোৰ অনুভৱ হ'ল। লগতে নতুনক আদৰাৰ ধামধুমীয়াত ক'ৰবাত যেন পুৰণিক পাহৰি পেলালে অৰ্থাৎ হেবাঙৰ দৰে কাণসমনীয়া এটাৰ লগত নিজৰ ল'ৰালি পাৰ কৰি জ্ঞানৰ দিশে যাব খোজা দুলালক আদবাটত লগ পাই কটু বাক্যৰে পুৰণিক বিসৰ্জন দিলে। কিন্তু এইখিনিতে এটা কথা উল্লেখ কৰিব লাগিব যে গ্ৰন্থখনৰ বাকীবোৰ দিশৰ তুলনাত এই সমালোচনা নগণ্য।

'সাউদৰ পুতেক নাও মেলি যায়' উপন্যাসখনৰ নামটোৱে সফলতা লাভ কৰিছে বুলি ক'ব পাৰি। নামটোত কোৱাৰ দৰে এজন সাউদৰ পুতেকে নাও মেলি উজাই গৈ আছে অৰ্থাৎ দেউতাকৰ একমাত্ৰ পুত্ৰ বাপুকনে নিজ সপোনৰ পুৰণাৰ্থে জ্ঞানৰ সাগৰৰ নাও মেলি দিছে আৰু আগুৱাই গৈ আছে। নামটোৰ জৰিয়তে পাঠকসকলে গ্ৰন্থখনৰ এটি আভাস পাব পাৰে। গ্ৰন্থখনে শিশু সমাজত এক নিৰ্দিষ্ট আসন দখল কৰিবলৈ সক্ষম হৈছে।

এনেকুৱা বহু সুমধুৰ আৰু সৰল বৰ্ণনাৰ গ্ৰন্থৰাজিয়ে অসমীয়া সাহিত্য জগত টনকিয়াল কৰি ৰাখিছে। "সাউদৰ পুতেক নাও মেলি যায়" সঁচা অৰ্থত এখন অভিন্ন শব্দশৈলীৰে অংকিত বাপুকণৰ গাঁৱৰ পৰিৱেশ। গ্ৰন্থখনে অসমীয়া সাহিত্য জগতত এক নতুন দৃষ্টিভংগী, নতুন ধাৰাৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে।

*ঠিকনা ঃ মৰাণ, ডিব্ৰুগড়*

---

## চন্দ্ৰ শেখৰ পৰাজুলীৰ

# 'মনৰ মাজৰ যুদ্ধ'

ললিত নাথ




চন্দ্ৰ শেখৰ পৰাজুলী সাম্প্ৰতিক কালৰ অসমীয়া গদ্য সাহিত্য জগতৰ এগৰাকী মননশীল গদ্যকাৰ। বিশ্বনাথ চাৰিআলিৰ এইগৰাকী তৰুণ প্ৰবন্ধকাৰৰ সদ্য প্ৰকাশিত চতুৰ্থখন প্ৰবন্ধ সংকলন 'মনৰ মাজৰ যুদ্ধ' আধুনিক মনৰ অন্তৰ্দ্বন্দ্বৰ এক অতি সংবেদনশীল সাহিত্যকৃতি। এই প্ৰবন্ধ সংকলনখন অসমীয়া সাহিত্যৰ ভঁৰালত এক উল্লেখযোগ্য আৰু মূল্যৱান সংযোজন। লেখকে দৈনন্দিন জীৱনৰ সৰু সৰু ঘটনাৰ মাজেৰে মানৱ মনৰ ভিতৰত নিৰন্তৰ চলি থকা দ্বন্দ্ব, সংঘাত, চিন্তাৰ বৈপৰীত্য আৰু নিৰ্মম যন্ত্ৰণাময় নেতিবাচক চিন্তা আদি সৰল অথচ গভীৰ ভাষাৰে উপস্থাপন কৰিছে। গ্ৰন্থখনৰ প্ৰায়বোৰ প্ৰবন্ধতে লেখকে মূল্যবোধৰ অৱক্ষয়, টুটি অহা সামাজিক সম্পৰ্ক দৰে বিষয়সমূহ সূক্ষ্মভাৱে উন্মোচিত কৰিছে। এই লেখাসমূহত স্বাৰ্থ-নিজ্ঞ স্বাৰ্থতা, কঠোৰতা-কোমলতা, অহংকাৰ-বিনয়ৰ মাজত অবিৰাম দ্বন্দ্ব দেখা যায়, যি দ্বন্দ্বই মানুহৰ অস্তিত্বক জটিল আৰু বহুমাত্ৰিক ৰূপ দান কৰিছে। প্ৰতিটো মুহূৰ্ততে এনে দ্বন্দ্বময় বাছনিৰ সন্মুখীন হৈ থকা আধুনিক মানুহৰ আত্মিক সংকটক গ্ৰন্থখনে সংবেদনশীলতাৰে সান্ত্বনা দি আশ্বস্ত কৰিবলৈ সক্ষম হৈছে। মুঠ ৫৬টা প্ৰবন্ধত লেখকে সম্পৰ্কৰ অৱনতি, স্বাৰ্থপৰতা, ঠাট্টা, বিদ্ৰূপ, হাঁহি, অপমানবোধ, ৰূঢ়তা, ৰুক্ষতা, অৱজ্ঞা, নীতিহীনতা, স্বাৰ্থপৰতা, অসুস্থ মানসিকতা, হীনমন্যতা আদি অৱজ্ঞাজনিত নেতিবাচক দিশবোৰ উপেক্ষা কৰি জীৱনক মহিমামণ্ডিত কৰি তোলাৰ সন্ধান দিছে। লেখকৰ দৃষ্টিভংগী বাস্তৱবাদী, তেওঁ মানুহৰ স্বাৰ্থপৰ স্বভাৱক অস্বীকাৰ নকৰি আন্তৰিকতা, দায়িত্ববোধ আৰু ভাল কৰ্মৰ জৰিয়তে সুস্থ জীৱন গঢ়াৰ পথ দেখুৱাইছে।

কেইটামান উক্তিয়ে লেখকৰ চিন্তাৰ গভীৰতা সুন্দৰকৈ প্ৰকাশ কৰিছে। যেনে- "মানুহ এজন বয়সৰ দ্বাৰা নহয়, দায়িত্বশীলতাৰ জৰিয়তেহে পৰিপক্ক হৈ উঠে"- এই বাক্যই পাঠকক গভীৰ আত্মবিশ্লেষণৰ দিশে লৈ যায়। সম্পৰ্কৰ বাস্তৱিক ৰূপ উন্মোচন কৰি তেওঁ কৈছে যে, সম্পৰ্ক কেৱল তেজৰ সম্পৰ্কতে সীমাবদ্ধ নহয়, কৰ্ম আৰু ব্যৱহাৰৰ জৰিয়তেৰো ই গঢ় লৈ উঠে। স্বাৰ্থপৰতাৰ সমালোচনাত "স্বাৰ্থপৰ মানুহ আৰু ধূলিকণাবোৰ সদায় বতাহৰ দিশতহে গতি কৰে"ৰ দৰে বাক্য বিশেষভাৱে মনোগ্ৰাহী। হাঁহিৰ সামাজিক দায়িত্ব, অপমানৰ প্ৰভাৱ আৰু বাহ্যিক-অন্তৰ্নিহিত বৈপৰীত্যৰ বিষয়ে দিয়া মন্তব্যসমূহ সমানেই চিন্তাজনক আৰু পাঠকক নিজৰ জীৱনৰ প্ৰতি নতুন দৃষ্টিৰে চোৱাৰ প্ৰেৰণা যোগায়। গ্ৰন্থখনৰ ভাষা সহজ, সংযত আৰু প্ৰাঞ্জল। কিন্তু প্ৰতিটো বাক্যতে এক গভীৰ বাৰ্তা লুকাই আছে।

সংস্কৃত শ্লোক, শ্ৰীকৃষ্ণৰ উক্তি আৰু মহাভাৰতৰ প্ৰসংগৰ জৰিয়তে লেখকে প্ৰাচীন জ্ঞানক বৰ্তমান সমাজৰ সৈতে সাৱলীলভাৱে সংযোগ কৰিছে। লেখকে নিজেই কৈছে যে, এই গ্ৰন্থখন কোনো মহান গবেষণাৰ ফচল নহয়, কেৱল সামান্য সমস্যা সামাধানৰ জৰিয়তে সমাজত সজাগতা সৃষ্টি কৰিব বিচাৰা এক প্ৰয়াস মাত্ৰ। 'মনৰ মাজৰ যুদ্ধ' এক জীৱন দৰ্শন, যিয়ে পাঠকক মনৰ সংগ্ৰামত জয়ী হ'বলৈ পথ দেখুৱায়। আধুনিক মনৰ মানুহৰ আত্মিক দ্বন্দ্বক প্ৰতিনিধিত্ব কৰিবলৈ এনে গ্ৰন্থ অতি প্ৰয়োজনীয়। সেয়েহে প্ৰতিগৰাকী চিন্তাশীল পাঠকে গ্ৰন্থখন পঢ়া উচিত।

---

# পাঠকৰ দৃষ্টিৰে জুৰি বৰা বৰগোহাঞি নাংফা উপন্যাস

শেহতীয়াকৈ এখন ভাল গ্ৰন্থ অধ্যয়ন কৰিলোঁ। আচলতে গ্ৰন্থখন সকলোৱে মাজত পৰিচিত, বহু সংখ্যক লোকে অধ্যয়ন কৰি পাইছে। ময়ো শেহতিয়াকৈ গ্ৰন্থখন মোৰ দৃষ্টিৰে প্ৰত্যক্ষ কৰিলোঁ। গ্ৰন্থখন অধ্যয়ন কৰি গ্ৰন্থ খনৰ বিষয়ে আলোচনা নকৰিলে হয়টো জীৱনৰ কোনোবা খিনিত গ্ৰন্থ অধ্যয়ন কৰা প্ৰাপ্তিটো যেন ক'ৰবাত হেৰাই যাব। সেয়েহে হাতত কলম আৰু বহিখন তুলি লৈছোঁ। যিখন গ্ৰন্থৰ কথা মই কব বিচাৰিছোঁ সেইখন এখন ইতিহাস সমৃদ্ধ গ্ৰন্থ। যিখন গ্ৰন্থ কেৱল এখন গ্ৰন্থ বা উপন্যাস নহয় ই এটা সময়ত অসমীয়া সংস্কৃতিৰ চিনাকিৰ সত্তা হিচাপে থিয় দিছে। আহোম সাম্ৰাজ্যৰ বিষয়ে আভাস সৰুৰ পৰাই পায় আহিছোঁ যদিও গ্ৰন্থখন যদি মই অধ্যয়ন নকৰিলোঁ হয় আহোম যুগৰ ইতিহাসৰ বিষয়টো সদায়ৰ বাবে মোৰ জীৱনত আধৰুৱা হৈ ৰল হয়। যিখন গ্ৰন্থই মোক পুনৰ বাৰ কিতাপৰ জগত খনত প্ৰেমত পেলাবলৈ সক্ষম হল। সেয়া হ'ল এগৰাকী প্ৰখ্যাত সাহসী নাৰী তথা যাৰ কলমেৰে নিগৰি আহে সমাজৰ অনুচাৰিক ঘটনাৰ জীৱন্ত ৰূপ তেওঁ হল জুৰি বৰা বৰগোহাঞি বাইদেউ তেখেতৰ ৰচনা সমূহৰ ভিতৰত এখন লেখত ল'বলগীয়া তেওঁৰ দ্বাৰা ৰচিত নাংফা উপন্যাস। হয় মই শেহতীয়াকৈ অধ্যয়ন কৰা গ্ৰন্থ খনেই হল নাংফা। নাংফা শব্দটোৱে যেন ব্যক্তিক্ৰম। নামটোৰ শব্দৰ মাজতে লুকাই আছে নীৰৱতাৰ অৰ্থ। কাহিনী ভাগ আৰু বেছি অভিযান্ত্ৰিক। এগৰাকী নাৰী জীৱনক কেন্দ্ৰ কৰি ৰচিত এই উপন্যাসখনে এটা সময়ৰ এগৰাকী নাৰীৰ জীৱন শৈলী টোৰ বিষয়ে লেখক জুৰি বৰা বৰগোহাঞি বাইদেউয়ে সুন্দৰ ভাৱে বিশ্লেষণ আগবঢ়াইছে। এয়াই উল্লেখ আছে অসমীয়া জাতিৰ বাবে নিজক ত্যাগ কৰা বিৰঙ্গীনী নাৰী জয়মতীৰ কথা। জয়মতী কাহিনী ভাগ সকলোৱে অলপ হলেও জ্ঞাত। জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা জয়মতী বোলছবিখন সমাজৰ একাংশ লোকেই চাইছে। সেই ক্ষেত্ৰত আমিও সজাগ। কিন্তু জয়মতী কোন হয়?

পদ্ম মৰাণ

সাম্প্ৰতিক সময়ৰ সৰস্বতী পূজা সমূহত কেৱল পূজাৰনামত ফেশ্বন শ্ব'ক গুৰুত্ব দিয়া দেখা যায়। ইয়াৰ উপৰিও পূজাৰ নামত নিশা সাংস্কৃতিক সন্ধিয়াৰো আয়োজন কৰা হয়। ইয়াৰে সুযোগ লৈ কিছুমান পাশুওই অপকৰ্মত লিপ্ত হোৱা দেখা যায় আৰু ছাত্ৰ সমাজৰ

জয়মতী সমাজৰ বাবে কি আছিল উক্ত কাহিনী ভাগ জুৰি বৰা বৰগোহাঞি সুন্দৰ ভাৱে নাংফা উপন্যাস খনত ব্যাখ্যা দৰ্শন কৰিছে। অসমীয়া সমাজ খনত জয়মতী এগৰাকী সবল সাহসী নাৰী যাৰ অস্তিত্বই বৰ্তমান সমাজখনকো প্ৰভাৱিত কৰি আহিছে। জয়মতীক চৰিত্ৰটো নাংফা উপন্যাস খনত জীৱিত ৰূপত তুলি ধৰিছে। এগৰাকী সাহসী নাৰী শক্তিশালী নাৰী, ৰাজনৈতিক জ্ঞানেৰে পৰিপুষ্ট, ৰাজকন্যা হিচাপে তেওঁ কেনেকুৱা সম্পূৰ্ণ চৰিত্ৰটো সুন্দৰ ভাৱে প্ৰকাশ পাইছে। নিজৰ ৰাজ্যখন ৰক্ষাৰ স্বাৰ্থত জেৰেঙা পথাৰত আহোমৰ ৰজা লৰা ৰজাৰ আদেশ মৰ্মে জয়মতীয়ে ১৪ দিন ধৰি ভয়ংকৰ অত্যাচাৰ সহ্য কৰিছিল, য'ত তেওঁক কাঁইটীয়া গছত বান্ধি, উতলা পানী ঢালি, আৰু আন অত্যাচাৰ কৰা হৈছিল, কিন্তু তেওঁ স্বামী গদাপাণিৰ গোপন ঠাইৰ বিষয়ে একো নকৈছিল, যাৰ ফলত ১৬৭৯ চনৰ ২৭ মে'ত তেওঁৰ মৃত্যু হৈছিল।

নিজৰ দেশৰ বাবে শেষ নিশ্বাস ত্যাগ কৰা সেই জয়মতী গৰাকীক পুনৰ বাৰ জুৰি বৰা বৰগোহাঞি বাইদেউয়ে কাহিনীটোৰ জৰিয়তে উপস্থাপন কৰিছে। আনহাতে গদাপাণিৰ চৰিত্ৰটোৱে আন এক ৰূপত আত্ম প্ৰকাশ কৰিছে। এজন সাহসী পুৰুষ, নিজৰ দেশক ভাল পোৱা নিজৰ মাতৃ ভূমিক সন্মান কৰা প্ৰতিচ্ছবিখন সবল ভাৱেই ধৰা দিছে। জয়মতীৰ স্বামী গদাপাণি কোঁৱৰক অঙ্গক্ষত কৰাৰ বাবে লালুকসোলা বৰফুকনে মানুহ পঠিয়াইছিল। এই কথা জয়মতীয়ে আগতীয়াকৈ গম পাই স্বামী গদাপাণিক পলাই গৈ আত্মগোপন কৰিবলৈ হাতজোৰ কৰিছিল। নিজ পত্নীৰ বুজনিত অনিচ্ছা সত্ত্বেও নগা পৰ্বতৰ ফালে পলাই গৈ আত্মগোপন কৰিছিল। ল'ৰা ৰজাৰ মানুহে গদাপাণিক নাপাই তেওঁৰ পত্নী জয়মতীক ধৰি ৰাজসভাত গদাপাণিৰ বিষয়ে প্ৰশ্ন কৰি কোনোধৰণৰ সম্ভেদ উলিয়াব নোৱাৰি বৰ্তমানৰ শিৱসাগৰ জিলাৰ জেৰেঙা পথাৰত কোটকোৰা গছত বান্ধি শাৰীৰিক নিৰ্যাতন চলাইছিল। চাওদাঙে জয়মতীক বুজাই, ভয় দেখুওৱাৰ পিছতো যেতিয়া জয়মতী কুঁৱৰীৰ মুখৰপৰা গদাপাণি কোঁৱৰৰ বিষয়ে একো তথ্য উলিয়াব নোৱাৰিলে তেতিয়া চাওদাঙে কুঁৱৰীক নানা প্ৰকাৰৰ শাস্তি দিয়ে। কিন্তু জয়মতী কুঁৱৰীয়ে সকলো অত্যাচাৰ নীৰৱে সহ্য কৰি নিজৰ মতত দৃঢ়প্ৰতিজ্ঞ থাকে। চাওদাঙে কুঁৱৰীৰ পৰা কোনো পধ্যেই গদাপাণিৰ সম্ভেদ উলিয়াব নোৱাৰিলে। আহোম যুগৰ বিবাহ পদ্ধতি, আহোম যুগৰ পূজা পাৰ্বন, তাত শাল ৰ জ্ঞান, কাপোৰ বোৱা, আহোমৰ পৰম্পৰা আৰু এটা এটা চৰিত্ৰক এনেকৈ বাস্তৱ ৰূপ দিছে নহয় যিটো পঢ়ি থাকোঁতে কেতিয়াবা জয়মতী চৰিত্ৰটোৱে চকুলো বোৱাই পেলাইছিল। কাহিনী টোৰ মাজ ভাগলৈ সোমাই গৈ থাকিলে বেছিকৈ প্ৰত্যাখিত হৈ পৰো। ইমানেই বাস্তৱিক উপস্থাপন যেন দৃশ্যবোৰ চকুৰ আগত ভাহি আহিছে এফালে চকুলো মচি মচি কাহিনী ভাগৰ সৈতে চিনাকি হৈ পৰিছিলো। অসমীয়া সমাজখনত জয়মতী ত্যাগ, সন্মান, মৰম এইবোৰৰ বিষয়ে নাংফা উপন্যাস খনত বহল ভাৱে উল্লেখ আছে। উপন্যাসখনত জয়মতীক এগৰাকী সাৱলীল ৰূপত তুলি ধৰা হৈছে। জয়মতীয়ে অসমীয়া সমাজখনলৈ যি ত্যাগ কৰিলে সেয়া সঁচাকৈ তুলনাবিহিন, জয়মতীৰ স্মৃতিতেই শিৱসাগৰৰ কৃতি চিহ্ন সমূহ লাই আৰু লেচাই নিৰ্মাণ কৰিলে। আহোম যুগৰ, জয়মতীৰ বহু কাহিনী গ্ৰন্থ খনৰ জৰিয়তে প্ৰকাশ পাইছে। মই ভালকৈ লিখিবলৈ সামৰ্থ্য্য বান নহয়ইছোঁ। মানে উপন্যাসখন পঢ়ি কি লিখিম মই একো কল্পনা কৰিব পৰা নাই ইমানেই এখন ইতিহাস ধৰ্মী উপন্যাস যাৰ বৰ্ণনা আমাৰ দৰে সৰু সৰু পাঠকৰ বাবে বহুত কিবা বস্তু। কেনেকৈ ইমান জীয়া ৰূপত এগৰাকী নাৰীক উপস্থাপন কৰিব পাৰে এইটো এজন পাঠক হিচাপে জুৰি বৰা বৰগোহাঞি বাইদেউলৈ প্ৰশ্ন হৈ ৰৈ যাব। উপন্যাস খনত জয়মতীৰ প্ৰেমৰ কাহিনীও বৰ্ণনা কৰিছে। দেশৰ বাবে যি প্ৰাণ আহুতি দিলে সেয়া মানিব লাগিব, আচলতে জয়মতী কাহিনীটো জন্মৰে পৰা মানুহৰ মুখে-মুখে লোকবিশ্বাস ভাবেৰে শুনি আহিছোঁ কিন্তু বাস্তৱিক ভাৱে কাহিনী ভাগ কৰবাত খোকোজা এটা ৰৈ গৈছিল। কিন্তু এতিয়া নাংফা উপন্যাসখন পঢ়ি কাহিনী ভাগ আৰু গভীৰ ভাবে বুজিব পাৰিলোঁ। কাহিনী ভাগৰ যদি বাক্য গাঁথনিলৈ মন কৰো কাহিনীৰ বৰ্ণিত বাক্য সমূহ সম্পূৰ্ণ আহোম শাসন সময়ছোৱাত ব্যৱহৃত হোৱা শব্দ মাহি আইতা প্ৰথমে ময়ো বুজা নাছিলোঁ যেতিয়া




পঢ়ি গৈ থাকিলো কাহিনী ভাগৰ গভিৰৰ পৰা গভিৰলৈ সোমাই গৈ থাকিলো তেতিয়া বুজি উঠিল মাহি আইতা মানে দেউতাকৰ মাকক কোৱা হৈছে। সেই সময়ত আহোম যুগত তেওঁলোকৰ সম্বন্ধৰ উচ্চাৰণ সমূহ বৰ্তমানত কৈ ব্যতিক্ৰম আছিল। এনেদৰে আন বহুখিনি সেই সময় চোৱাত ব্যৱহৃত বাক্য কিতাপ খনত উল্লেখ আছে। লগতে কাহিনী ভাগৰ আন এটা ৰূপ হল কাহিনী ভাগ পাঠক সমাজৰ প্ৰত্যেকজন লোকৰ বাবেই উপযোগী। জ্যেষ্ঠ কনিষ্ঠ বুলি কোনো কথা নাই সমাজ খনৰ প্ৰত্যেকজন লোকেই উপন্যাসখন অধ্যয়ন কৰিব পাৰে। জয়মতী কোন হয়? অসমীয়া সমাজ খনত জয়মতী অবদান, ত্যাগ, জয়মতীৰ বৰঙনি, আহোম যুগৰ ৰাজপ্ৰসাদ নিৰ্মাণ, আহোমৰ শাসনৰ নীতি, আহোমৰ পৰম্পৰা এইবোৰৰ সম্পৰ্কে অধিক সুলভ ভাৱে জানিবলৈ হলে প্ৰত্যেকজন ব্যক্তিয়ে জীৱনত এবাৰ হলেও নাংফা উপন্যাসখন পঢ়াটো উচিত। আমি সকলোৱে এটা মনত ধাৰণা হে লৈ থাকো জয়মতীক লৈ কিন্তু সঁচা অৰ্থত অসমীয়া স্বভিমানি নাৰী গৰাকীক নাংফা উপন্যাস খনত উপস্থাপন কৰা হৈছে। সমাজৰ প্ৰত্যেকজন ব্যক্তিয়ে জয়মতী কাহিনীটো জনা উচিত, আহোম যুগৰ জয়মতী গৰাকীক চিনি পোৱাটো উচিত, আজীৱন তেওঁৰ ত্যাগ মমতাখিনি অসমীয়া বুকুত জীয়াই ৰাখিবৰ বাবে জয়মতী গৰাকীক উপলব্ধি কৰাটো প্ৰয়োজন। মই এই চেগতে সন্মানীয় লেখিকা তথা মোৰ এগৰাকী মননশিল লেখিকা জুৰি বৰা বৰগোহাঞি বাইদেউক ধন্যবাদ জ্ঞাপন কৰিছো। আপোনাৰ আটাই বোৰ উপন্যাসেই বাস্তৱধৰ্মী। কিন্তু অসমীয়া সমাজ জীৱনলৈ এখন জীৱন্ত ইতিহাস সমৃদ্ধ উপন্যাস অবদান হিচাপে উপহাৰ দিয়াৰ বাবে। নাংফা নপঢ়া হলে হয়তো মোৰ বাবেও কৰবাত কিবা এটা ৰৈ গল হয়। অসমীয়া সমাজৰ স্বাভিমানি নাৰী গৰাকীৰ সৈতে চিনাকি হবলৈ নোৱাৰিলোঁ হয়। মোৰ এটাই অনুৰোধ নাংফা উপন্যাসখন এবাৰ হলেও পঢ়ক, ব্যস্ততা ওৰনিখন আঁতৰাই সকলোৱে জীৱনত এবাৰ হলেও নাংফা উপন্যাসখন পঢ়াটো জৰুৰী। বহুখিনি কথাই অসমীয়া সমাজখনে জনাটো প্ৰয়োজন। নাংফা কেৱল এটা কাহিনী নহয় ই জাতিৰ, সমাজ খনৰ পৰিচয়।

## দলে-বলে গেৰুৱা হ'ল

বৰুৱাৰ লগতে আছুৰ আন কেইবাগৰাকী প্ৰাক্তন নেতাই একেলগে বিজেপিত যোগদান কৰে। তেওঁলোকৰ ভিতৰত উল্লেখযোগ্য — প্ৰাক্তন কেন্দ্ৰীয় কাৰ্যবাহী সদস্য কনক গগৈ, অৰ্জুন চেত্ৰী, ৰাজীৱ গগৈ, ৰক্তিম বৰা; তিনিচুকীয়া জিলা আছুৰ প্ৰাক্তন সভাপতি সত্য বৰগোঁহাই; মাজুলী জিলা আছুৰ প্ৰাক্তন সভাপতি প্ৰাণজিৎ হাজৰিকা আৰু ডিব্ৰুগড় জিলা আছুৰ প্ৰাক্তন উপ-সভাপতি দীপজ্যোতি দিহিংগীয়া। অনুষ্ঠানত আছুৰ উপৰিও আছা, আটছা, গোৰ্খা ছাত্ৰ সন্থা, আম আদমী পাৰ্টি আদি বিভিন্ন সংগঠন আৰু ৰাজনৈতিক দলৰো বহু নেতা-কৰ্মীয়ে যোগদান কৰে। তেওঁলোকৰ ভিতৰত আছে প্ৰাগজ্যোতিষ কলেজৰ প্ৰাক্তন অধ্যক্ষ মনোজ কুমাৰ মহন্ত, যুৱ গায়িকা তৃণ শৰ্মা, যুৱ নেতা দীপাংকৰ ওজা, অসম চৰকাৰৰ বিত্ত বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয়া হেমন্ত কুমাৰ দেউৰী, আটছাৰ প্ৰাক্তন কাৰ্যনিৰ্বাহক শিবু কৰ্মকাৰ, দুলীয়াজান আঞ্চলিক পঞ্চায়তৰ প্ৰাক্তন সভাপতি বাবলু ভূমিজ, গোৰ্খা ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলা কমিটীৰ সহ-সাধাৰণ সম্পাদক দামোদৰ শৰ্মা, সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদ কমিটিৰ সদস্য সমীৰঞ্জন বৰশইকীয়া আদি। বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই যোগদানকাৰীসকলক দলীয় পৰম্পৰা অনুসৰি আদৰণি জনাই অন্তৰ্ভুক্ত কৰে। অনুষ্ঠানত উপস্থিত আছিল বিজেপিৰ অসম প্ৰভাৰী হৰিশ দ্বিৱেদী, সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰাজু, কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী জয়ন্ত মল্লবৰুৱা। দিলীপ শইকীয়াই ভাষণত কয় যে, বিজেপি বিশ্বৰ সৰ্ববৃহৎ ৰাজনৈতিক দল হিচাপে পৰিগণিত হৈছে। দলটোৰ ১৪.৫ কোটি প্ৰাথমিক সদস্য আৰু ১২ লাখ সক্ৰিয় সদস্য আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশে বিশ্বত সুকীয়া স্থান দখল কৰিছে আৰু অসমত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাৰ বলিষ্ঠ নেতৃত্বত সৰ্বাংগীণ উন্নয়ন হৈছে। তেওঁ লগতে কয় যে, খিলঞ্জীয়াৰ সুৰক্ষা আৰু ৰাষ্ট্ৰবাদী মতাদৰ্শৰ স্বাৰ্থত বিজেপিৰ বাহিৰে বিকল্প নাই। শংকৰজ্যোতি বৰুৱাক শক্তিশালী আৰু প্ৰভাৱশালী নেতা বুলি অভিহিত কৰি তেওঁৰ যোগদানে বিশেষকৈ উজনি অসমত দলক অধিক শক্তিশালী কৰিব বুলি আশা প্ৰকাশ কৰে। যোগদান কৰি শংকৰজ্যোতি বৰুৱাই সংবাদ মাধ্যমৰ আগত কয়, “ছাত্ৰ সন্থাত দীৰ্ঘ সময় ৰাইজৰ সেৱা আগবঢ়াই আহিছোঁ। এতিয়া ৰাজনৈতিক মঞ্চৰ যোগেদি ৰাইজৰ হৈ একনিষ্ঠভাৱে কাম কৰিবলৈ বিজেপিত যোগদান কৰিছোঁ। অসমৰ প্ৰতিগৰাকী মানুহৰ মন জাতীয়তাবাদী। ৰাষ্ট্ৰীয়বাদী দলত থাকিও জাতীয়তাবাদী চিন্তাৰে অসমৰ বাবে কাম কৰিব লাগিব। RSS-এ অসমত ৫৪০খন অসমীয়া বিদ্যালয় স্থাপন কৰি ভাষা-সংস্কৃতিৰ সংৰক্ষণত অৰিহণা যোগাইছে। বিজেপিৰ উন্নয়নৰ সাৰথি হৈ ৰাইজৰ সেৱা কৰিব বিচাৰোঁ।” ‘কা’ আইনৰ প্ৰসংগত তেওঁ কয় যে, আছুত থাকোঁতে উচ্চতম ন্যায়ালয়ত এই বিষয় উত্থাপন কৰা হৈছিল আৰু ন্যায়ালয়ে যি ৰায় দিব সেইটো সকলোৱে মানি ল'ব লাগিব। ৰাজহুৱা ব্যক্তি হিচাপে ধনাত্মক-ঋণাত্মক দুয়োটা মন্তব্য আহিব, কিন্তু মই সকলোকে ধনাত্মক দৃষ্টিভংগীৰে লওঁ। টিকটৰ প্ৰসংগত তেওঁ কয় যে, এতিয়া তেওঁ দলৰ সদস্য; দলে যি সিদ্ধান্ত ল'ব তাক মানি ল'ম। আনহাতে মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই এই যোগদানক আদৰণি জনাই স্পষ্ট কৰিছে যে, নিৰ্বাচনলৈ অতি কম সময় বাকী থকা বাবে নতুনকৈ যোগদান কৰা নেতাসকলে এইবাৰ টিকটৰ আশা নকৰিব। তেওঁ কয়, “দলে সকলোকে আদৰণি জনাইছে, কিন্তু যোগদান কৰক কাম কৰিবলৈ, টিকট বিচাৰিবলৈ নহয়। প্ৰথমে দলৰ হৈ কাম কৰি ভেটি শক্তিশালী কৰক।” এই যোগদানক অসমৰ আগন্তুক ২০২৬ বিধানসভা নিৰ্বাচনৰ প্ৰাক্কালত বিজেপিৰ বাবে এক গুৰুত্বপূৰ্ণ শক্তিবৃদ্ধি বুলি বিবেচনা কৰা হৈছে। বিজেপিয়ে ইতিমধ্যে বিভিন্ন মিত্ৰদলৰ সৈতে আলোচনা চলাই ৰাজ্যখনত শক্তিশালী অৱস্থান গঢ়ি তুলিবলৈ প্ৰয়াস কৰি আছে।

## কংগ্ৰেছ বা অখিল গগৈ

চেকসমূহ। উল্লেখ্য যে সমষ্টিটোৰ ৫৪ নং জাগাৰা নপ্তিপাৰা গাঁও পঞ্চায়তৰ অন্তৰ্ভুক্ত নপ্তিপাৰাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আগমন ঘটাৰ লগে-লগেই অঞ্চলটোত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত নপ্তিপাৰাত অনুষ্ঠিত হোৱা ‘মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনি'ৰ অধীনত সমষ্টিটোৰ অন্তৰ্ভুক্ত মহিলাসকলক চেকসমূহ আনুষ্ঠানিকভাৱে বিতৰণ কৰে মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই। উল্লেখ্য যে গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ নাৰায়ণ ডেকাৰ প্ৰচেষ্টাত আৰু নলবাৰী জিলা প্ৰশাসনৰ সহযোগত অনুষ্ঠিত চেক বিতৰণ কাৰ্যসূচী উপস্থিত থাকে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেবিনেট মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ নাৰায়ণ ডেকা, নলবাৰী জিলা বিজেপিৰ সভাপতি জয়ন্ত বুজৰবৰুৱা, অগপ নেতা গুণমণি ভূঞা, নলবাৰী জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰী, পশ্চিম বৰক্ষেত্ৰী ধৰ্মপুৰ জিলা পৰিষদৰ সদস্যা চিমি বৰ্মণ, জাগাৰা মুকালমুৱা জিলা পৰিষদৰ সদস্যা দীপ্তি তালুকদাৰ, চৰ জিলা পৰিষদৰ সদস্যা আনোৱাৰা খাতুন, বৰভাগ জিলা পৰিষদৰ আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী ডলিমা কলিতা, বৰক্ষেত্ৰী আঞ্চলিক পঞ্চায়তৰ সভাপতি প্ৰীতম গোস্বামী প্ৰমুখ্যে ভালেমান লোকে অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে হেলিকপ্তাৰেৰে নপ্তিপাৰাৰ অস্থায়ী হেলিপেডত অৱতৰণ কৰাৰ পিছতেই মুখ্যমন্ত্ৰীগৰাকীক ওচৰৰ পৰা চাবলৈ হেঁতা ওপৰা লগাই মহিলাসকলে। আজিৰ সভাত সৰ্বমুঠ ৩০, ৮০৬ গৰাকী মহিলাক মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ অধীনত চেক প্ৰদান কৰা হয়। উল্লেখ্য যে বৰক্ষেত্ৰী সমষ্টিৰ নপ্তিপাৰাত অনুষ্ঠিত হোৱা মুখ্যমন্ত্ৰীৰ এইখন ৯১ সংখ্যক সভা বুলি মন্তব্য কৰে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে ১২৬টা সমষ্টিৰ ভিতৰত আৰু কেৱল ৩৬টা সমষ্টিৰ মহিলাই মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ অধীনত চেক পাবলৈ বাকী থাকিব। মুখ্যমন্ত্ৰীগৰাকীয়ে মহিলাসকলক উদ্দেশ্যি কয় যে ১০ হেজাৰ টকাৰে লাখপতি বাইদেউ হ'বৰ বাবে আপোনালোকে অহা এবছৰ দুবছৰ কষ্ট কৰিব লাগিব, তেতিয়াহে আমি লাখপতি বাইদেউ হব পাৰিম। বৰভাগ উন্নয়ন খণ্ডৰ অন্তৰ্গত বিজু মণি বাইদেৱে আচাৰৰ ব্যৱসায় কৰি লাখপতি বাইদেউৰূপে সফলতা অৰ্জন কৰাৰ কথা উল্লেখ কৰি মহিলাগৰাকীয়ে বছৰি ১লাখ ৮০ হেজাৰ টকা উপাৰ্জন কৰাৰ কথা ভাষণ প্ৰসংগত উল্লেখ কৰে। এই আঁচনিৰ জৰিয়তে অসমৰ ৩২ লাখ মহিলা উপকৃত হ'ব বুলি জানিব দিয়ে মুখ্যমন্ত্ৰীগৰাকীয়ে। এই আঁচনি ৰূপায়ণ কৰিবলৈ যাওঁতে অসমত সৰ্বমুঠ ৩ হাজাৰ ২০০ কৌটি টকা খৰচ হ'ব বুলি জানিবলৈ দিয়ে। আজিলৈকে অসমত এনেকুৱা কোনো আঁচনি প্ৰদান কৰা হোৱা নাছিল, যত কেৱল মহিলাৰ একাউণ্টত ইমানবোৰ টকা পোনপটীয়াকৈ বেংকৰ জৰীয়েতে দিয়াৰ ব্যৱস্থা কৰা হৈছে। মহিলাসকলক উদ্দেশ্যি তিনিটাতকৈ অধিক সন্তান জন্ম নিদিবলৈ আহ্বান জনাই তিনিটাতকৈ অধিক সন্তান জন্ম দিলে কেতিয়াও লাখপতি বাইদেউ হব নোৱাৰিব বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। আমি তিনিটাতকৈ অধিক সন্তান জন্ম নিদিও বুলি কথা দিয়াৰ বাবেও মহিলাসকলক আহ্বান জনায়। বৰক্ষেত্ৰী সমষ্টিত দুই হাজাৰ নতুন অৰুণোদয় আঁচনি দিয়াৰ কথা অৱগত কৰি এইবাৰ বৰক্ষেত্ৰীত বিজেপিক জিকাব লাগিব বুলি কয়। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় এইটো হ'ব মোৰ বাবে ডাঙৰ ভেটি। কংগ্ৰেছ দলক তীব্ৰ সমলোচনা কৰি কয় যে কংগ্ৰেছে ইমান বস্তু দিলে বেয়া পায়। তেওঁলোকে ধুতি লুঙি দিয়াৰ কথাহে কয়। মহিলাসকলক উদ্দেশ্যি প্ৰশ্ন কৰে যে আপোনালোকক অৰুনোদয় আঁচনি, চাউল দালি, নিমখ লাগিব নে ধুতি লুঙি লাগিব। দিগন্ত বৰ্মণে বেয়া পাই আজিৰ মিটিংখনলৈ নাহিল বুলিও তীৰ্যক মন্তব্য কৰে। আনহাতে, অৰুণোদয় আঁচনি বন্ধ কৰিবৰ বাবে দিগন্ত বৰ্মণে বিধানসভাত জনোৱাৰ কথা কৈ অহা মাহৰ পৰা বিনামূলীয়াকৈ চেনি, দালি, নিমখ, মিঠাতেল বিনামূলীয়াকৈ দিব বুলিও জনায়। অহা ২০ তাৰিখে অৰুণোদয়ৰ ৮ হেজাৰকৈ মহিলাসকলক দিয়াৰ কথাও অৱগত কৰে। ছোৱালীসকলক নিযুত মইনা আঁচনি দি থকাৰ কথা কৈ লৰাবোৰকো বাবু আঁচনি দিয়াৰ কথা অৱগত কৰে। ডেৰ লাখ নিবনুৱা লৰা-ছোৱালীয়ে এটকাও ঘোচ নিদিয়াকৈ চাকৰি লাভ কৰাৰ কথা উল্লেখ কৰি কয় যে বিজেপিক ভোট দিয়াৰ সময়ত অসমত কোনেও ভবা নাছিলে যে এদিন এনেদৰে আঁচনিসমূহৰ সুবিধা লাভ কৰিব। বৰক্ষেত্ৰীত ২৭, ৬৬৩ গৰাকী মহিলাই অৰুণোদয় আঁচনি পাই আহিছে বুলি উল্লেখ কৰি পুনৰ ২০০০ নতুন অৰুণোদয় আঁচনিৰ সুবিধা প্ৰদান কৰাৰ কথাও ঘোষণা কৰে। আজিৰ সভাত আনুষ্ঠানিকভাৱে পোন প্ৰথমে অনন্যা আত্ম সহায়ক গোটৰ পিংকু মণি ডেকাৰ লগতে দুই তিনিগৰাকী মহিলাক নিজ হাতেৰে মহিলা উদ্যমিতা আঁচনিৰ অধীনত চেক বিতৰণ কৰে।

## ৰঙিয়াৰ মৰানজানা হাতীখলা

ভাষণ প্ৰসঙ্গত সভাপতি গগৈয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক চোকা সমালোচনাৰে প্ৰশ্ন উত্থাপন কৰি দলীয় কৰ্মীসকলক কোন হয় হিমন্ত বিশ্ব শৰ্মা বুলি প্ৰশ্ন উত্থাপনৰ আহ্বান জনায়। কংগ্ৰেছ দলৰ প্ৰতি থকা আস্থাৰ বাবে ইতিমধ্যে ৭৫০ জনতকৈ অধিক লোকে কংগ্ৰেছৰ প্ৰাৰ্থীত্ব বিচাৰিছে বুলি উল্লেখ কৰে। কংগ্ৰেছৰ ষ্টাৰ কেম্পেইনাৰ কোনো নেতা নহয়। সাধাৰণ বুথৰ কৰ্মী বুলিহে ভাষণ প্ৰসঙ্গত উল্লেখ কৰে গগৈয়ে। আনহাতে আজিৰ তাৰিখত অসমৰ মাটি, জাতি, গৰু লগতে ভৱিষ্যত প্ৰজন্ম সুৰক্ষিত নহয়। যাৰ বাবে আমি একত্ৰিত হৈ হাতে হাত ধৰি নতুন বৰ অসম গঢ়িব লাগিব। যিজনক মোৰ প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে ইমান মৰম কৰিলে তেওঁকেই পিছফালৰ পৰা দেগাৰ মাৰিলে। ৰাইজে বুজি উঠিছে হিমন্ত বিশ্ব শৰ্মা থকালৈ অসমৰ ৰাইজ সুৰক্ষিত হৈ থাকিব নোৱাৰে। মাটি কেলেংকাৰী, গৰু কেলেংকাৰী সকলোবোৰ ৰাইজে দেখিছে। চিণ্ডিকেটৰ মাষ্টাৰসকল আজি মুখ্যমন্ত্ৰীৰ সোৰে বাবে থাকে। হিমন্ত বিশ্ব শৰ্মা আজি যথেষ্ট শংকিত। অসমৰ ৰাইজৰ মাজত পাকিস্তান লিংক নহয় চৰ্চা হৈছে মামা মামিৰ ক'ত ক'ত বাগান আছে মাটি আছে। আজি বিজেপিৰ টিকট লাগিলে প্ৰথমে সৰ্বানন্দ সোণোৱালক গালি পাৰিব লাগিব। এইবোৰ কথা লুকুৱাবলৈ বিজেপিয়ে আবোল তাবোল বকিছে। তেওঁ কয়, “এটা সময়ত মোৰ পিতৃ তৰুণ গগৈয়ে ‘হু ইজ আজমল’ বুলি প্ৰশ্ন কৰিছিল। আজি অসমৰ জনগণে ক'ব লাগিব- কোন হয় হিমন্ত বিশ্ব শৰ্মা?” গৌৰৱ গগৈয়ে ঘোষণা কৰে যে, কংগ্ৰেছ দলে চিৰকালৰ বাবে হিমন্ত বিশ্ব শৰ্মাক দলত স্থান নিদিব। তেওঁ লগতে কয় যে, ৰাহুল গান্ধীয়ে কৈছে- কংগ্ৰেছ চৰকাৰ গঠন হ'লে হিমন্ত বিশ্ব শৰ্মাক জেললৈ পঠিয়াব লাগিব। “নিজৰ পাপ, অন্যায়, অহংকাৰ আৰু ভ্ৰষ্টাচাৰী শাসনৰ বাবে হিমন্ত বিশ্ব শৰ্মা জেললৈ যাব। নিজকে বচাবলৈ আকৌ ৰাহুল গান্ধীৰ ওচৰলৈ যাব, কিন্তু ৰাহুল গান্ধীৰ মন ভাল হ'লেও আমি কংগ্ৰেছলৈ অহাৰ অনুমতি নিদিওঁ।” মুখ্যমন্ত্ৰীৰ ওপৰত গৰু চিণ্ডিকেটৰ অভিযোগ উত্থাপন কৰি গৌৰৱ গগৈয়ে কয় যে, হিমন্ত বিশ্ব শৰ্মাই গৰু চিণ্ডিকেট চলোৱা লোকক মন্ত্ৰী পাতিছে। “হিন্দু ধৰ্মৰ নামত ৰাজনীতি কৰি গৰু চিণ্ডিকেট চলোৱা মানুহক মন্ত্ৰী কৰিছে। এতিয়া ‘মাটি বচাও, জাতি বচাও আৰু গৰু বচাও' বুলি ক'ব লাগিব। উজনি অসমত গোহালিৰ পৰা গৰু উলিয়াই নি বিক্ৰী কৰা হৈছে, আৰু হিন্দু ধৰ্মৰ নামত ৰাজনীতি কৰা হৈছে। গীৰ গাই কেলেঙ্কাৰীত জড়িত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাক দল আৰু কেবিনেটৰ পৰা উলিয়াই দিব লাগিছিল। কিন্তু উলিয়াই নিদিয়ে কিয়? কাৰণ গোটেই চিণ্ডিকেটৰ চাবি চিফ মিনিষ্টাৰৰ ঘৰত আৰু দিচপুৰত ওলায়।” মাটি দখলৰ অভিযোগত মন্ত্ৰী অশোক সিংঘলক মুখ্যমন্ত্ৰীৰ পত্নী (মামী)তকৈ আগবাঢ়ি থকা বুলি দাবী কৰি গৌৰৱ গগৈয়ে কয়, “মানুহে বসুন্ধৰাৰ পৰা মাটিৰ বাবে আবেদন কৰিলে মাটি নাপায়। এতিয়া প্ৰতিযোগিতা চলিছে- কাৰ ওচৰত বেছি মাটি আছে? অশোক সিংঘলৰ নে মামীৰ? মোৰ সন্দেহ হৈছে যে অশোক সিংঘলৰ অলপ বেছি মাটি আছে। অশোক সিংঘল অলপ আগবাঢ়ি আছে। জয়ন্ত মল্লই অকণমান কথা লুকাই ৰাখিছিল, এতিয়া মামীয়ে গম পাই গৈছে।” ইফালে সভাৰ অন্তত সংবাদ মাধ্যমৰ আগত কংগ্ৰেছ সভাপতি গৌৰৱ গগৈয়ে এইদৰে মন্তব্য কৰা দেখা যায়। একেখন মঞ্চতে ঝাৰখণ্ডৰ প্ৰাক্তন মন্ত্ৰী তথা অসমৰ নিৰ্বাচনী পৰ্যবেক্ষক বন্ধু কীৰ্তি, নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সম্পাদক আৰু অসমৰ তত্ত্বাবধায়ক মনোজ চৌহান, সাংসদ ৰকিবুল হুছেইন, প্ৰদ্যুৎ বৰদলৈ, মেঘালয়ৰ সাংসদ চেলেং চাংমা উপস্থিত থাকি বিজেপি চৰকাৰক তীব্ৰ সমালোচনা কৰে। বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়াৰ ভাষণেৰে আৰম্ভ কৰা সভাত মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ, বিধায়ক ৰেকিবুদ্দিন আহমেদ, বিধায়িকা নন্দীতা দাস, শিৱামণি বৰাই, জাকিৰ হুছেইন শিকদাৰেও অংশগ্ৰহণ কৰে। কামৰূপ জিলা কংগ্ৰেছ কমিটিৰ সভাপতি প্ৰাণজিৎ চৌধুৰীয়ে আঁত ধৰা সভাত কেবাগৰাকীও প্ৰাক্তন সাংসদ বিধায়ক তথা প্ৰায় দহ সহস্ৰাধিক দলীয় নেতা কৰ্মী উপস্থিত থাকে।

## মুখ্যমন্ত্ৰীয়ে কেৱল চমক

তীব্ৰ ভাষাৰে সমালোচনা কৰি প্ৰত্যাহ্বান জনাইছে। সংগঠনটোৱে আজি এখন সংবাদমেল অনুষ্ঠিত কৰি কংগ্ৰেছৰ শাসনকালত অসমত বিদেশী অনুপ্ৰৱেশৰ সুবিধা প্ৰদান কৰাৰ অভিযোগ উত্থাপন কৰিছে। সংবাদমেলত বীৰ লাচিত সেনাৰ মুখ্য সচিবগৰাকীয়ে বিশেষভাৱে উল্লেখ কৰে যে, কংগ্ৰেছৰ শাসনকালত বাংলাদেশত থকা লোকে লখিমপুৰ জিলাত কেনেকৈ ম্যাদী পট্টা লাভ কৰিলে সেয়া এক ৰহস্যজনক বিষয়। তেওঁ এই ঘটনাক অতি গুৰুতৰ আৰু সন্দেহজনক বুলি অভিহিত কৰি কয় যে, এনে পট্টা প্ৰদানৰ জৰিয়তে অসমৰ মাটিৰ সুৰক্ষা বিপন্ন হৈছে। আৰু অধিক তথ্য দাঙি ধৰি সংগঠনৰ মুখ্য সচিবগৰাকীয়ে জনায় যে, বাংলাদেশী মূলৰ এগৰাকী মহিলাই কংগ্ৰেছৰ পৰা ৱাৰ্ড মেম্বাৰৰ দৰে গুৰুত্বপূৰ্ণ স্থানীয় ৰাজনৈতিক পদ লাভ কৰিছে। এই বিষয়টোক তথ্যসহকাৰে উত্থাপন কৰি তেওঁ কংগ্ৰেছ দলক প্ৰশ্ন কৰে যে, অসমৰ স্থানীয় স্বাৰ্থৰ বিপৰীতে কিয় এনে ব্যক্তিক পদবী প্ৰদান কৰা হ'ল। সংবাদমেলত বীৰ লাচিত সেনাই স্পষ্ট কৰি দিয়ে যে, সংগঠনটোৱে কাৰোবাৰ এজেণ্ট হিচাপে কাম নকৰে। তেওঁলোকে কেৱল অসম আৰু অসমীয়াৰ স্বাৰ্থ ৰক্ষাৰ বাবেই কাম কৰি আহিছে বুলি উল্লেখ কৰে। অৱশেষত সংগঠনটোৱে চৰকাৰক সতৰ্ক কৰি দিয়ে যে, যদি চৰকাৰে অবৈধ বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে যথাযথ ব্যৱস্থা গ্ৰহণ নকৰে, তেন্তে বীৰ লাচিত সেনাই নিজাকৈ পদক্ষেপ গ্ৰহণ কৰিব। এই হুংকাৰে অসমৰ ৰাজনৈতিক পৰিৱেশত নতুন চৰ্চাৰ সৃষ্টি কৰিছে। সংগঠনটোৱে এই সন্দৰ্ভত অধিক তথ্য প্ৰকাশ কৰিব বুলিও ইংগিত দিছে, যাতে জনসাধাৰণৰ মাজত সচেতনতা বৃদ্ধি পায়।

## অনূৰ্ধ্ব-১৯ বিশ্বকাপত

নিউজিলেণ্ডক ৭ উইকেটত পৰাস্ত কৰি ছুপাৰ ছি'ত স্থান নিশ্চিত কৰিলে। বৰষুণৰ বাবে বিঘ্নিত হোৱা এই মেচত ডাকৱৰ্থ-লুইছ-ষ্টাৰ্ন (DLS) পদ্ধতিৰে ভাৰতৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল ১৩০ ৰান (৩৭ অভাৰত)। ভাৰতে মাত্ৰ ১৩.৩ অভাৰতে ১৩০/৩ স্ক'ৰ কৰি সহজ জয় লাভ কৰে। অধিনায়ক আয়ুষ মাত্ৰেৰ (২৭ বলত ৫৩ ৰান, ২ চাৰি, ৬ ছয়) আক্ৰমণাত্মক ইনিংছ আৰু বৈভৱ সূৰ্যৱংশীৰ (২৩ বলত ৪০ ৰান, ২ চাৰি, ৩ ছয়) বিস্ফোৰক প্ৰদৰ্শনৰ সহায়ত দ্বিতীয় উইকেটত ৭৬ ৰানৰ দ্ৰুত পাৰ্টনাৰশ্বিপ গঢ়ি তুলি ভাৰতে খেলখন নিয়ন্ত্ৰণলৈ আনিছিল। আৰম্ভণিতে এৰন জৰ্জ (৭)ৰ উইকেট হেৰুৱালেও দুয়োজনে নিউজিলেণ্ডৰ বলিং আক্ৰমণক সম্পূৰ্ণৰূপে ধ্বংস কৰি দিয়ে। আয়ুষ মাত্ৰেৰ অৰ্ধশতক ২৪ বলতে সম্পন্ন হয়। পিছত বিহন মালহোত্ৰা আৰু বেদান্ত ত্ৰিবেদীয়ে বাকী ৰানসমূহ সহজে তুলি দিয়ে। টছত জয়ী হৈ ভাৰতীয় অধিনায়ক আয়ুষ মাত্ৰেই প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। বৰষুণৰ বাবে আউটফিল্ড তিতি থকাৰ ফলত মেচ এঘণ্টা পলমকৈ আৰম্ভ হয় আৰু অভাৰ সংখ্যা ৪৭লৈ হ্ৰাস পায়। আৰম্ভণিতে নিউজিলেণ্ডক নিয়মীয়া ব্যৱধানত উইকেট হেৰুৱাই থকা দেখা যায়। স্ক'ৰ ১৭/৩ হোৱাৰ পিছত পুনৰ বৰষুণত খেল বন্ধ হয়। বিৰতিৰ পিছত অভাৰ সংখ্যা ৩৭লৈ হ্ৰাস পায়। ভাৰতীয় পেচাৰসকলে অসাধাৰণ প্ৰদৰ্শন কৰে। আৰ এছ অম্বৰীশে ৮ অভাৰত ২৯ ৰান দি ৪টা উইকেট লয়। হেনিল পেটেলে ৩টা উইকেট দখল কৰে। নিউজিলেণ্ডৰ শীৰ্ষ ক্ৰম ভাঙি পৰে আৰু ২২/৫লৈ হ্ৰাস পায়। জেকব কল্টৰ (২৩), কালাম চেমছন (৩৭ধ্ধ) আৰু চেলবিন সঞ্জয়ে (২৮) কিছু প্ৰতিৰোধ গঢ়ি তুলিছিল যদিও দলটোৱে ৩৬.২ অভাৰত ১৩৫ ৰানতে অল আউট হয়। এই জয়ৰ জৰিয়তে ভাৰতে গ্ৰুপ ‘বি'ত তিনিখন খেলতে তিনিটাই জয় লাভ কৰি শীৰ্ষস্থান দখল কৰে আৰু ছুপাৰ ছি'ত প্ৰৱেশ কৰে। আয়ুষ মাত্ৰেৰ নেতৃত্বাধীন দলটোৱে এতিয়ালৈকে বাংলাদেশ, আমেৰিকা আৰু নিউজিলেণ্ডক পৰাস্ত কৰিছে। পৰৱৰ্তী খেলত ভাৰতে জিম্বাবুৱেক লগ পাব।

## কাহিলীপাৰাৰ শোকাৱহ দুৰ্ঘটনাৰ এম্বুলেন্স চালক

এগৰাকী মেধাৱী যুৱতীৰ মৃত্যু হোৱাৰ ঘটনাই সমগ্ৰ ৰাজ্যতে শোকৰ ছাঁ পেলাইছে। দুৰ্ঘটনা সংঘটিত কৰি পলায়ন কৰা ১০৮ এম্বুলেন্সৰ চালক ৰেকিবুদ্দিন আহমেদে অৱশেষত আজি ৰঙিয়া আৰক্ষী থানাত আত্মসমৰ্পণ কৰিছে। চালকজনৰ ঘৰ কামৰূপ জিলাৰ ৰঙিয়া থানাৰ অন্তৰ্গত ২নং দগাঁৱত। দুৰ্ঘটনাত নিহত যুৱতীগৰাকী হৈছে লুনা ভৰদ্বাজ। তেওঁ জে বি ল কলেজৰ আইন বিভাগৰ ছাত্ৰী আছিল আৰু বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰাৰ বাসিন্দা। লুনাই মাত্ৰ দুদিনৰ পিছতে এছি বেংকত যোগদান কৰাৰ কথা আছিল। সৰস্বতী পূজাৰ দিনা সন্ধিয়া কাহিলীপাৰাত লুনাই লুনা স্কুটাৰত আছিল যেতিয়া দ্ৰুতগতিত অহা ১০৮ এম্বুলেন্সে তেওঁক খুন্দা মাৰে। এই আঘাতত ঘটনাস্থলীতেই লুনাৰ মৃত্যু হয়। দুৰ্ঘটনাত আহত হোৱা গোলাঘাট জিলাৰ দেৰগাঁৱৰ বাসিন্দা অচ্যুত বৰুৱাকো গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হৈছে আৰু তেওঁ বৰ্তমান চিকিৎসাধীন অৱস্থাত আছে। আৰক্ষী সূত্ৰৰ মতে, দুৰ্ঘটনাৰ লগে লগে এম্বুলেন্স চালক ৰেকিবুদ্দিন আহমেদে ঘটনাস্থলীৰ পৰা পলায়ন কৰে যাৰ ফলত স্থানীয় লোকৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি হয়। দিছপুৰ আৰক্ষীয়ে ঘটনাৰ পিছতে এম্বুলেন্সখন জব্দ কৰি গোচৰ ৰুজু কৰে। স্থানীয় লোকে এম্বুলেন্সখন অত্যধিক দ্ৰুতগতিত আহি আছিল বুলি অভিযোগ উত্থাপন কৰিছে। লুনাৰ পৰিয়ালৰ ঘৰ বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰাত এতিয়া গভীৰ শোকত আচ্ছন্ন। আত্মীয় আৰু ওচৰ-চুবুৰীয়াসকলে লুনাক এগৰাকী মেধাৱী, কঠোৰ পৰিশ্ৰমী আৰু আইন আৰু বেংকিং খণ্ডত উজ্জ্বল কেৰিয়াৰ গঢ়াৰ সম্ভাৱনা থকা যুৱতী বুলি বৰ্ণনা কৰিছে। লুনাৰ ভাতৃয়ে, যি নিজেও আইনৰ স্নাতক, সংবাদ মাধ্যমৰ আগত চালকজনৰ গুৰুতৰ গাফিলতি আৰু অসাৱধানতাৰ বাবেই এই দুৰ্ঘটনা ঘটিল বুলি অভিযোগ কৰি দোষীৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। আৰক্ষীয়ে বৰ্তমান দুৰ্ঘটনাৰ প্ৰকৃত কাৰণ উন্মোচনৰ বাবে তদন্ত অব্যাহত ৰাখিছে। দুৰ্ঘটনাগ্ৰস্ত বাহনৰ দ্বাৰা যান-বাহন আইন উলংঘা হৈছিল নেকি, চালকৰ গাফিলতিৰ মাত্ৰা কিমান আছিল আদি বিষয়সমূহৰ মূল্যায়ন কৰি চলি আছে। দুৰ্ঘটনাৰ পৰিস্থিতি এতিয়াও সম্পূৰ্ণৰূপে স্পষ্ট হোৱা নাই যদিও চালকৰ আত্মসমৰ্পণৰ পিছত তদন্তত নতুন মোড় ল'ব বুলি আশা কৰা হৈছে। এই ঘটনাই ৰাজ্যত সৰস্বতী পূজাৰ আনন্দময় পৰিৱেশত গভীৰ শোকৰ ছাঁ পেলাইছে আৰু পথ নিৰাপত্তা আৰু এম্বুলেন্স চালকসকলৰ দায়িত্বশীলতাক লৈ পুনৰবাৰ প্ৰশ্ন উত্থাপন কৰিছে।

## বকোৰ ভোটাৰ তালিকা

অখিল গগৈয়ে যোৰহাট সদৰ থানাত এখন গুৰুতৰ এজাহাৰ দাখিল কৰিছে। এজাহাৰত বকো সমজিলা আয়ুক্ত প্ৰিয়াংশ ভৰদ্বাজ আৰু কামৰূপ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ লগতে দক্ষিণ কামৰূপ জিলা বিজেপিৰ কেইবাজনো নেতা আৰু কৰ্মীক অভিযুক্ত কৰা হৈছে। অখিল গগৈৰ অভিযোগ অনুসৰি, ২২ জানুৱাৰীত বকো সমজিলা আয়ুক্তৰ কাৰ্যালয়ত বিজেপিৰ নেতাসকলে নিৰ্বাচন আয়োগৰ ফৰ্ম-৭ ব্যৱহাৰ কৰি ৰাতিৰ সময়ত ভোটাৰ তালিকাৰ পৰা নাম কৰ্তন কৰাৰ ভিডিঅ' ৰাজহুৱা হৈছে। এই কামত জড়িত বুলি অভিযোগ কৰা হৈছে দক্ষিণ কামৰূপ জিলা বিজেপিৰ সাধাৰণ সম্পাদক তথা জিলা পৰিষদৰ সদস্য প্ৰহ্লাদ বিশ্বাস, দক্ষিণ কামৰূপ জিলা বিজেপিৰ সম্পাদক তথা প্ৰাৰ্থিত্ব প্ৰত্যাশী মৃণ্ময় বড়ো, দক্ষিণ কামৰূপ জিলা বিজেপিৰ এছ টি মৰ্চা সম্পাদক বুদ্ধেশ্বৰ ৰাভা, নন্দিনী গেছ এজেন্সিৰ স্বত্বাধিকাৰী তথা বিজেপি এছ টি মৰ্চাৰ ৰাজ্যিক উপ সভাপতি ৰাজু মেচৰ সহায়ক মৃদুল তালুকদাৰ আৰু কাৰ্যালয়ৰ চকীদাৰৰ বিৰুদ্ধে। লগতে এই অবৈধ কাৰ্যত সহায় আগবঢ়োৱা বুলি দুয়োজন জিলা আয়ুক্তৰ নামো উল্লেখ কৰা হৈছে। এজাহাৰ দাখিলৰ পিছত সংবাদমেলত অখিল গগৈয়ে কয় যে, ভোটাৰ তালিকাত চুৰিৰ এই ঘটনাই গণতন্ত্ৰক ধ্বংস কৰাৰ চেষ্টা। তেওঁ অভিযোগ কৰে যে বিজেপিয়ে ৰাজ্যৰ প্ৰায় ৬০টা বিধানসভা সমষ্টিত ভোটাৰ তালিকা সলনি কৰি নিৰ্বাচনী ফলাফল পৰিৱৰ্তনৰ পৰিকল্পনা কৰিছে। ইয়াৰ আগতে ৪ জানুৱাৰীত তেওঁ এনে পৰিকল্পনাৰ কথা ফাদিল কৰিছিল বুলি উল্লেখ কৰি কয় যে মৃত ব্যক্তি আৰু অজ্ঞান ব্যক্তিৰ নাম ব্যৱহাৰ কৰি খিলঞ্জীয়া লোকৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ দিয়া হৈছে। অখিল গগৈয়ে লগতে কয় যে তেওঁ ইতিমধ্যে কংগ্ৰেছ দলৰ সভাপতি গৌৰৱ গগৈ আৰু লুৰীণজ্যোতি গগৈৰ লগত আলোচনা কৰিছে। অতি সোনকালে সকলো বিৰোধী দলে ঐক্যবদ্ধ হৈ এই ভোটাৰ চুৰিৰ বিৰুদ্ধে সংগ্ৰাম আৰম্ভ কৰিব। কাইলৈৰ পৰাই এই সংগ্ৰাম আৰম্ভ হ'ব পাৰে বুলি তেওঁ আশা প্ৰকাশ কৰে। বিৰোধী দলসমূহৰ আসন ভাগ-বতৰা প্ৰসংগত অখিল গগৈয়ে কয় যে ৩১ জানুৱাৰীৰ ভিতৰত এই কাম সম্পূৰ্ণ হ'লে ভাল হ'ব। কাৰণ ৰাইজৰ দললৈ দুজন বিধায়কসহ প্ৰতিষ্ঠিত শিল্পী আৰু নেতাই যোগদান কৰিবলৈ ওলাইছে। তেওঁলোকে আসনৰ নিশ্চয়তা পালেই ১৭ আৰু ১৮ ফেব্ৰুৱাৰীত দলত যোগদান কৰিব। তথাপি কোনো কঠোৰ সময়সীমা বান্ধি দিয়া নাই বুলি তেওঁ স্পষ্ট কৰে। মৰিয়নী সমষ্টিৰ পৰা নিৰ্বাচন খেলাৰ প্ৰসংগত অখিল গগৈয়ে কয় যে তেওঁ শিৱসাগৰতে নিৰ্বাচন খেলিব। দলৰ কৰ্মকৰ্তা আৰু ৰাইজে তেওঁক বিচাৰিছে। মৰিয়নীৰ পৰা ৰূপজ্যোতি কুৰ্মীক বিদায় দিয়াৰ কথা উল্লেখ কৰি তেওঁ কয় যে কুৰ্মী পৰিয়ালে ৪০ বছৰ মৰিয়নীক প্ৰতিনিধিত্ব কৰিলেও উন্নয়ন নকৰিলে। বিৰোধী চৰকাৰ গঠন হ'লে মৰিয়নীৰ দায়িত্ব তেওঁ নিজে ল'ব। ৰাইজৰ দলৰ জনপ্ৰিয়তা সংখ্যালঘু অঞ্চলৰ লগতে শিৱসাগৰ, ডিমৌ আদি সকলোতে আছে বুলিও তেওঁ দাবী কৰে। এই ঘটনাই ২০২৬ৰ নিৰ্বাচনৰ পূৰ্বে ভোটাৰ তালিকা সংশোধন প্ৰক্ৰিয়াক লৈ বিতৰ্কক আৰু তীব্ৰতৰ কৰি তুলিছে। বিৰোধী দলসমূহে এই অভিযোগক গণতন্ত্ৰ ৰক্ষাৰ যুঁজ হিচাপে উপস্থাপন কৰিছে, আনহাতে শাসক দলে এই অভিযোগসমূহক ভিত্তিহীন বুলি খণ্ডন কৰি আহিছে।

## ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত

বিনিয়োগৰ প্ৰতিশ্ৰুতি দিয়া বহু বিনিয়োগকাৰী অসমলৈ আহিব। এই বিনিয়োগকাৰীসকলৰ সৈতে ফেব্ৰুৱাৰী মাহতে চৰকাৰে MoU (স্মাৰক সমঝোতা) স্বাক্ষৰ কৰিব বুলি তেওঁ জাননাই দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে ডাভোছত বিভিন্ন আন্তৰ্জাতিক ব্যৱসায়ী আৰু বিনিয়োগকাৰীৰ সৈতে হোৱা আলোচনাত অসমৰ বিনিয়োগ অনুকূল পৰিৱেশ, দ্ৰুত অনুমোদন প্ৰক্ৰিয়া আৰু ৰাজ্য চৰকাৰৰ সহযোগিতাৰ কথা তেওঁলোকক অৱগত কৰা হৈছে। ফলত বহু বিনিয়োগকাৰীয়ে অসমত বিনিয়োগ কৰাৰ আগ্ৰহ প্ৰকাশ কৰিছে। এই সকলোৱে ফেব্ৰুৱাৰীত অসম ভ্ৰমণ কৰি চৰকাৰৰ সৈতে আনুষ্ঠানিক চুক্তি স্বাক্ষৰ কৰিব। একেদৰে, নিষিদ্ধ ULFA (I) সংগঠনে গণৰাজ্য দিৱস বৰ্জনৰ আহ্বান জনোৱাৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে চুক্তি নোহোৱালৈকে তেওঁলোকে এই আহ্বান জনাই থাকিব। কিন্তু এই আহ্বানত কোনো নতুনত্ব নাই বুলি তেওঁ মন্তব্য কৰে। তেওঁ আশা প্ৰকাশ কৰে যে এইবাৰ ৰাইজে উলহ-মালহেৰে গণৰাজ্য দিৱস পালন কৰিব আৰু ৰাজ্যত শান্তি-সমন্বয়ৰ বাতাবৰণ বজাই ৰখাৰ ক্ষেত্ৰত সকলোৱে সহযোগিতা কৰিব। আনহাতে, আগন্তুক HSLC (মেট্ৰিক) আৰু হায়াৰ চেকেণ্ডাৰী পৰীক্ষাৰ প্ৰস্তুতিৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে জাননাই দিয়ে যে এইবাৰ সকলো পৰীক্ষা কেৱল চৰকাৰী বিদ্যালয়তহে অনুষ্ঠিত হ'ব। ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত পৰীক্ষা অনুষ্ঠিত নহ'ব আৰু ব্যক্তিগত খণ্ডৰ শিক্ষকসকলকো পৰীক্ষা কেন্দ্ৰত নিয়োগ কৰা নহ'ব। তেওঁ স্পষ্ট কৰি কয় যে “সকলো পৰীক্ষা চৰকাৰী শিক্ষকসকলে নিয়ন্ত্ৰণ কৰিব।” পৰীক্ষা কেন্দ্ৰৰ নিয়ন্ত্ৰকসকলকো তেওঁ আহ্বান জনাইছে যাতে সুকলমে, নিৰপেক্ষভাৱে আৰু নিয়ম অনুসৰি পৰীক্ষা অনুষ্ঠিত কৰা হয়। এই ব্যৱস্থাৰ জৰিয়তে পৰীক্ষা প্ৰক্ৰিয়াক অধিক স্বচ্ছ আৰু নিৰ্ভৰযোগ্য কৰি তোলাৰ লক্ষ্য ৰাজ্য চৰকাৰৰ। মুখ্যমন্ত্ৰীয়ে অসমৰ অৰ্থনৈতিক উন্নয়ন আৰু শিক্ষা ব্যৱস্থাৰ উন্নতিৰ ক্ষেত্ৰত এই পদক্ষেপসমূহক গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰি ৰাইজৰ সহযোগিতা কামনা কৰিছে।

## কোকৰাঝাৰ জিলাত শান্তি পুনঃ প্ৰতিষ্ঠা; ইণ্টাৰনেট

সংবাদমেলত জিলাখনত শান্তি-সমন্বয় পুনঃপ্ৰতিষ্ঠাৰ ক্ষেত্ৰত অৰিহণা যোগোৱা সকলো ৰাজনৈতিক দল, সংগঠন আৰু ব্যক্তিবিশেষৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে জিলা আয়ুক্ত গৰাকীয়ে। জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে জাননাই যে আজিৰ পৰা জিলাখনত ইণ্টাৰনেট সেৱা পুনৰ চালু কৰা হৈছে। তথাপি নাগৰিকসকলক ছ'চিয়েল মিডিয়া ব্যৱহাৰৰ ক্ষেত্ৰত অতি সাৱধান হ'বলৈ আহ্বান জনায়। তেওঁ স্পষ্ট কৰি কয় যে ইণ্টাৰনেট সেৱা উপলব্ধ হোৱাৰ পিছত যদি ছ'চিয়েল মিডিয়াত বিভেদ সৃষ্টিকাৰী বা প্ৰৰোচনামূলক পোষ্ট কৰা দেখা যায় তেন্তে আইন অনুসৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। এই কথা নিশ্চিত কৰিবলৈ ২৪ ঘণ্টাৰ মণিটৰিং চেল গঠন কৰা হৈছে বুলিও তেওঁ সদৰি কৰে। আশ্ৰয় শিবিৰৰ পৰা অধিকাংশ লোক নিজ নিজ ঘৰলৈ ঘূৰি গৈছে বুলি উল্লেখ কৰি জিলা আয়ুক্ত গৰাকীয়ে জনায় যে বাকী থকা দুই-এজনো আজিৰ ভিতৰতে ঘূৰি যাব। জিলাখনত স্বতঃস্ফূৰ্তভাৱে শান্তি সভা অনুষ্ঠিত হৈছে আৰু শান্তি কমিটি গঠন কৰা হৈছে। তেওঁ অধিক মন্তব্য কৰি কয় যে এনে ঘটনাই সমাজক পিছুৱাই নিয়ে বুলি সকলোৱে উপলব্ধি কৰিছে। সেয়েহে সমন্বয় আৰু ভ্ৰাতৃত্বৰ এই নাজৰীটো সদায় কটকটীয়া হৈ থকাৰ কামনা কৰে তেওঁ। একেদৰে অতিৰিক্ত আৰক্ষী অধীক্ষক নৱনীতা শৰ্মাই সংবাদমাধ্যমৰ আগত জিলাখনৰ বৰ্তমানৰ পৰিস্থিতি সম্পূৰ্ণ শান্ত আৰু স্বাভাৱিক বুলি বৰ্ণনা কৰে। তেওঁ নাগৰিকসকলক ইণ্টাৰনেটৰ অপব্যৱহাৰ নকৰিবলৈ আহ্বান জনাই কয় যে ছ'চিয়েল মিডিয়াত প্ৰৰোচনামূলক পোষ্ট বা উৰাবাতৰি নিদিব। এনে কামৰ বাবে প্ৰশাসনে তীক্ষ্ণ নজৰ ৰাখিছে আৰু প্ৰয়োজন সাপেক্ষে আইনগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি সঁকিয়াই দিয়ে। অতিৰিক্ত এছ পি গৰাকীয়ে অধিক জাননাই যে মুঠ পাঁচটা আশ্ৰয় শিবিৰৰ ভিতৰত চাৰিটা ইতিমধ্যে বন্ধ কৰা হৈছে আৰু শেষটো শিবিৰৰ লোকসকলো আজিৰ ভিতৰতে ঘৰলৈ ঘূৰি যাব। জিলাখনত পৰ্যাপ্ত নিৰাপত্তাৰক্ষী মোতায়ন কৰা হৈছে। নিৰাপত্তাৰক্ষীসকলে এৰিয়া ডমিনেচন আৰু পেট্ৰ'লিং কৰি আছে বুলি তেওঁ সদৰি কৰে। জিলা প্ৰশাসন আৰু আৰক্ষীয়ে সকলোৱে সহযোগিতা বিচাৰিছে যাতে এই শান্তিপূৰ্ণ পৰিৱেশ দীৰ্ঘদিন বজাই ৰখা যায়।

## জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়

পিছত পৰিয়ালৰ শোক আৰু ন্যায় বিচাৰি অভিযান অব্যাহত আছে। ২০২৫ চনৰ ১৯ ছেপ্টেম্বৰত ছিংগাপুৰত সমুদ্ৰত স্নান কৰাৰ সময়ত ঘটা এই দুৰ্ঘটনাত জুবিন গাৰ্গৰ মৃত্যু হৈছিল। এই ঘটনাৰ পৰা পৰিয়ালটো এতিয়াও মানসিকভাৱে বিপৰ্যস্ত। প্ৰকৃত সত্য উন্মোচন আৰু দোষীসকলক কঠোৰ শাস্তিৰ দাবীত জুবিনৰ পত্নী গৰিমা শইকীয়া গাৰ্গে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰিছে। স্মাৰকপত্ৰত গৰিমাই স্পষ্টকৈ উল্লেখ কৰিছে যে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত প্ৰকৃত ন্যায় নিশ্চিত কৰিবলৈ বিশেষ আদালত গঠন কৰা হওক আৰু অভিযুক্তসকলক কোনো কাৰণতে জামিন প্ৰদান নকৰা হওক। এই পত্ৰত স্বাক্ষৰ কৰিছে গৰিমাৰ লগতে জুবিনৰ ভনী পামী বৰঠাকুৰ আৰু মামা মনোজ বৰঠাকুৰে। গৰিমাই সামাজিক মাধ্যমত এই স্মাৰকপত্ৰৰ ফটো শ্বেয়াৰ কৰি কেপচনত লিখিছে যে ভাৰতৰ ৭৭তম গণৰাজ্য দিৱসৰ প্ৰাক্কালত প্ৰধানমন্ত্ৰীক প্ৰণাম জনোৱাৰ লগতে পৰিয়ালৰ তৰফৰ পৰা জুবিন গাৰ্গৰ ন্যায় প্ৰক্ৰিয়া সন্দৰ্ভত এই স্মাৰকপত্ৰ প্ৰেৰণ কৰা হৈছে। তেওঁলোকৰ একমাত্ৰ লক্ষ্য হৈছে জুবিনে সম্পূৰ্ণ সত্য, শুদ্ধ আৰু উচিত ন্যায় লাভ কৰক আৰু দোষীসকলে কঠোৰতম শাস্তি পাওক। জুবিন গাৰ্গৰ মৃত্যুৰ পিছত পৰিয়ালে প্ৰথমে হতভম্ব হৈ পৰিছিল যদিও পিছলৈ সম্বিত ঘূৰাই এফ আই আৰ দাখিল কৰিছে। প্ৰয়োজন অনুসৰি আৰক্ষীৰ ওচৰত উপস্থিত হৈছে আৰু ছিংগাপুৰ আৰক্ষীৰ সৈতেও যোগাযোগ ৰাখি আহিছে। ছিংগাপুৰৰ কোৰ'নাৰ্ছ কোৰ্টত চলা তদন্তত পুলিচে জানিবলৈ দিছে যে জুবিনে অধিক পৰিমাণত মদ্যপান কৰি লাইফ জেকেট নপিন্ধি সমুদ্ৰত নামিছিল আৰু দুৰ্ঘটনাত ডুব যায়। ছিংগাপুৰ পুলিচে ফাউল প্লে নাই বুলি কৈছে যদিও অসমত চিআইডিৰ এছ আই টিয়ে হত্যাৰ অভিযোগত তদন্ত চলাই আছে আৰু চাৰ্জশ্বীট দাখিল কৰিছে। গৰিমাই এই স্মাৰকপত্ৰৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰক ছিংগাপুৰত কূটনৈতিক আৰু আইনী পদক্ষেপ গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছে। তেওঁলোকে উল্লেখ কৰিছে যে জুবিন গাৰ্গৰ মৃত্যুৱে কেৱল পৰিয়ালকেই নহয়, লাখ লাখ অনুৰাগীকো শোকত ভৰাই তুলিছে। সকলোৱে স্পষ্টতা আৰু ন্যায় বিচাৰিছে। ইয়াৰ আগতে গৰিমাই বিহুৰ দিনা সামাজিক মাধ্যমত বিস্তৃত পোষ্ট কৰি পৰিয়ালৰ মানসিক অৱস্থা, ঘটনাৰ ক্ৰম, তদন্তৰ অগ্ৰগতি আদি সকলো কথা মুকলিকৈ প্ৰকাশ কৰিছিল। শেহতীয়াকৈ লেখিকা শিখা শৰ্মাৰ বিৰুদ্ধে জুবিনক লৈ নেতিবাচক মন্তব্যৰ বাবে গোচৰ ৰুজু কৰি গ্ৰেপ্তাৰ কৰাইছে। পৰিয়ালৰ একমাত্ৰ আশা হৈছে জুবিন গাৰ্গৰ মৃত্যুৰ সঠিক তদন্ত আৰু উচিত ন্যায় লাভ। এই স্মাৰকপত্ৰই ৰাজ্য আৰু দেশজুৰি চলা ন্যায়ৰ দাবীক আৰু শক্তিশালী কৰিছে।

## জুবিন ক্ষেত্ৰত নগদ সংগ্ৰহ ১৬.৮০ লাখ টকা,

হৈছে। এখন শেহতীয়া তথ্য জনাৰ অধিকাৰ আইন (আৰটিআই)ৰ উত্তৰত প্ৰকাশ পোৱা তথ্য অনুসৰি, যোৱা চাৰিমাহৰ ভিতৰত কোনো আনুষ্ঠানিক বেংক একাউণ্ট বা ডিজিটেল পৰিশোধ ব্যৱস্থা অবিহনে কেৱল নগদ ধনৰ ৰূপত প্ৰায় ১৬.৮০ লাখ টকা দান সংগ্ৰহ কৰা হৈছে। ডিমৰীয়াৰ সহ-জিলা আয়ুক্তৰ কাৰ্যালয়ে যোগান ধৰা তথ্য অনুসাৰে, ২০২৫ চনৰ ২৪ ছেপ্টেম্বৰৰ পৰা ২০২৬ চনৰ ৬ জানুৱাৰীলৈ মুঠ ১৬, ৭৯, ৮৮০.৭৫ টকা দান হিচাপে লাভ কৰা হৈছে। কিন্তু এই সমগ্ৰ পৰিমাণৰ লেনদেন কেৱল হাতে লিখা ৰেজিষ্টাৰৰ জৰিয়তে পৰিচালিত হৈ আহিছে; কোনো সুকীয়া বেংক একাউণ্ট বা ইউপিআইৰ দৰে আধুনিক ডিজিটেল ব্যৱস্থা এতিয়াও স্থাপন কৰা হোৱা নাই। ‘চেণ্টাৰ ফৰ এফিচিয়েণ্ট গভৰ্নেন্স'ৰ কাৰ্যবাহী সঞ্চালক ৰাকেশ হাজৰিকাই এই আৰটিআই তথ্য লাভ কৰি জনাইছে যে, এনে পদ্ধতিয়ে জবাবদিহিতাৰ ক্ষেত্ৰত কেইবাটাও গুৰুতৰ ত্ৰুটি উদঙাই দিছে। বিশেষকৈ বৃহৎ পৰিমাণৰ নগদ ধন সংগ্ৰহৰ পাছতো বেংকিং ট্ৰেক নথকাটোৱে সন্দেহৰ সৃষ্টি কৰিছে। বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে যে, কেৱল হাতে লিখা ৰেজিষ্টাৰৰ ওপৰত নিৰ্ভৰ কৰিলে নগদ ধনৰ অপব্যৱহাৰ, মানৱীয় ভুল বা অনিয়মৰ সম্ভাৱনা বৃদ্ধি পায়। উল্লেখযোগ্য যে, দান সংগ্ৰহ ২৪ ছেপ্টেম্বৰৰ পৰা আৰম্ভ হ'লেও চৰকাৰী কৰ্মচাৰীক ১৭ অক্টোবৰৰ পৰাহে সেই স্থানত নিয়োজিত কৰা হৈছিল। ফলত প্ৰথম তিনি সপ্তাহত কোনে নগদ ধন সংগ্ৰহ কৰিছিল বা কেনেকৈ পৰিচালনা কৰিছিল সেই বিষয়ে চৰকাৰী উত্তৰত কোনো স্পষ্ট তথ্য দিয়া হোৱা নাই। আৰটিআই আবেদনকাৰী ৰাকেশ হাজৰিকাই এই পৰিস্থিতিক জনসাধাৰণৰ বিশ্বাস ভংগ কৰা কাৰ্য বুলি অভিহিত কৰিছে। তেওঁ কয়, “জুবিন গাৰ্গৰ দৰে এজন প্ৰিয় শিল্পীৰ সমাধি ক্ষেত্ৰত দান কৰোঁতে মানুহে গভীৰ আৱেগ আৰু শ্ৰদ্ধাৰ পৰাই কৰে। সেই বিশ্বাসক কেৱল হাতে লিখা ৰেজিষ্টাৰৰ ওপৰত এৰি দিব নোৱাৰি। প্ৰথম দিনাৰ পৰাই কিয় সুকীয়া বেংক একাউণ্ট খোলা হোৱা নাছিল? এনে অস্বচ্ছ পদ্ধতিয়ে সন্দেহৰ সৃষ্টি কৰিছে।” জুবিন গাৰ্গৰ স্মৃতিসৌধটো অসমীয়াৰ আৱেগৰ সৈতে গভীৰভাৱে জড়িত। সেয়েহে সকলো দানৰ সঠিক ব্যৱহাৰ আৰু হিচাপ নিশ্চিত কৰিবলৈ স্বচ্ছতাৰ পোষকতা কৰা লোকসকলে অনতিপলমে এটা নিৰ্দিষ্ট ট্ৰাষ্ট বেংক একাউণ্ট স্থাপনৰ দাবী জনাইছে। লগতে ডিজিটেল ৰচিদ, ইউপিআই পৰিশোধ ব্যৱস্থা প্ৰৱৰ্তন আৰু ৰাজহুৱাকৈ তথ্য প্ৰকাশৰ ব্যৱস্থা কৰাৰ দাবী উত্থাপন হৈছে, যাতে সমাধি ক্ষেত্ৰখন সকলো ধৰণৰ সন্দেহৰ উৰ্ধত থাকে আৰু জুবিনৰ অনুৰাগীসকলৰ বিশ্বাস অটুট ৰাখিব পাৰি।

# অসম চিকিৎসা মহাবিদ্যালয়লৈ ইউনিট আই চি এম আৰৰ দুখন ম'বাইল ষ্ট্ৰ'ক




**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৪ জানুৱাৰী ঃ** ইণ্ডিয়ান কাউন্সিল অব মেডিকেল ৰিচাৰ্ছ চমুকৈ আইচিএমআৰে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত অনুষ্ঠিত অনুষ্ঠানত অসম চৰকাৰক দুখনকৈ ম'বাইল ষ্ট্ৰ'ক ইউনিট (এম এছ ইউ) প্ৰদান কৰে। ৰোগীক সময়মতে আৰু ফলপ্ৰসূ জৰুৰীকালীন ষ্ট্ৰোক চিকিৎসা প্ৰদান কৰাৰ লক্ষ্যৰে কাৰ্যক্ষম হৈ থকা দুখন এই এম এছ ইউ ক্ৰমে অসম চিকিৎসা মহাবিদ্যালয় আৰু তেজপুৰ চিকিৎসা মহাবিদ্যালয় হস্পিটেলত ২০১৯ বৰ্ষৰ পৰা আই চি এম আৰৰ পুঁজিৰে চলি থকা এক পাইলট প্ৰকল্পৰ অংশ ৰূপে প্ৰদান কৰে। এই পাইলট প্ৰকল্প শেষ হোৱাৰ পিছতে ষ্ট্ৰ'কৰ ভয়াৱহতা প্ৰতিহত কৰি নৱ-জীৱনৰ সঞ্চাৰ কৰাৰ উদ্দেশ্যে আই চি এম আৰে এই বিশেষভাৱে সজ্জিত এম্বুলেন্সসমূহ অসম চৰকাৰক গতাই দিয়ে। এই এম এছ ইউ সমূহত অন-বৰ্ড চিটি স্ক্যানাৰ, পইণ্ট অৱ কেয়াৰ ডায়'গনষ্টিকছ, টেলিমেডিচিন সংযোগ আৰু প্ৰশিক্ষিত ষ্ট্ৰোক দল সংযুক্ত কৰা আছে যাৰ ফলত চিকিৎসালয়ত উপস্থিত হোৱাৰ পূৰ্বেই ষ্ট্ৰ'কৰ আগতীয়াকৈ নিদান, দ্ৰুত সিদ্ধান্ত লোৱা আৰু থ্ৰম্ব'লাইছিছ আৰম্ভ কৰা সম্ভৱ হয়। এই অত্যাধুনিক ম'বাইল ষ্ট্ৰ'ক ইউনিটৰ ব্যৱহাৰে ষ্ট্ৰ'কত আক্ৰান্ত জনক জৰুৰীকালীন সেৱা প্ৰদান কৰি স্বাস্থ্যসেৱাক শক্তিশালী কৰাৰ দিশত এক উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰিব। এই অনুষ্ঠানটোত নতুন দিল্লীৰ আইচিএমআৰৰ সঞ্চালক ড° ৰাজীৱ বাহল, আইচিএমআৰ মুখ্য কাৰ্যালয়ৰ এনচিডি বিভাগৰ মুৰব্বী ডাঃ আৰ এছ ধলিৱাল, ড° মীনাক্ষী শৰ্মা, বিজ্ঞানী জি, আইচিএমআৰ আৰ এম আৰ চিৰ সঞ্চালক ড° সুমন কানুংগো, অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতি, ডিব্ৰুগড় জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ তৃষ্ণা বৰা, ড° প্ৰশান্ত কুমাৰ বৰা, বিজ্ঞানী এফ, আৰ এম আৰ চি ড° বিনোদ শৰ্মা, এইচ অ' ডি আৰু অধ্যাপক, স্নায়ু বিজ্ঞান বিভাগ, ডাঃ কমল ৰাজখোৱা, স্নায়ুবিজ্ঞান বিভাগৰ অধ্যাপক, ড° এল স্বস্তিচৰণ, ডিডিজি আৰু সঞ্চালক ইএমআৰ ডাঃ দ্বিজেন দাস, সহযোগী অধ্যাপক তেজপুৰ চিকিৎসা মহাবিদ্যালয়, ডাঃ জেকব জোককে প্ৰমুখ্য কৰি অসম চৰকাৰৰ আন বিষয়া, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, ডিব্ৰুগড়ৰ বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

■ ২০২৪-২৫ বৰ্ষত শতাধিক চাহ শ্ৰমিকৰ পথ দুৰ্ঘটনাত মৃত্যু ■

# ডিব্ৰুগড়ৰ বকুল চাহ বাগিচাত পথ সুৰক্ষা মাহ উপলক্ষে পথ সুৰক্ষা সজাগতা সভা

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৪ জানুৱাৰী ঃ** সমগ্ৰ দেশজুৰি উদ্‌যাপিত হৈ থকা 'পথ সুৰক্ষা মাহ'ৰ অন্তৰ্গত ডিব্ৰুগড় জিলাত পথ দুৰ্ঘটনা হ্ৰাস কৰাৰ অৰ্থে ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ বাবে বকুল চাহ বাগিচাত পথ সুৰক্ষা সজাগতা সভাৰ আয়োজন কৰা হয়। ডিব্ৰুগড় জিলা পথ সুৰক্ষা সমিতি চমুকৈ 'ডিআৰএছচি'ৰ উদ্যোগত আৰু 'এবিটা'ৰ ডিব্ৰুগড় চক্ৰ, এ ছি এম এছৰ ডিব্ৰুগড় শাখা, আটছাৰ ডিব্ৰুগড় জিলা সমিতি আৰু বকুল চাহ বাগিচাৰ যৌথ সহযোগত চাউলখোৱা কালী মন্দিৰৰ চৌহদত আয়োজিত তথা বাগিচাখনৰ তিনি শতাধিক শ্ৰমিক-কৰ্মচাৰীৰ উপস্থিতিত অনুষ্ঠিত সজাগতা সভাৰ আদৰণি ভাষণ প্ৰদান কৰে বাগিচাখনৰ মেনেজাৰ অচ্যুত নাথে। সভাত বক্তব্য আগবঢ়াই 'এবিটা'ৰ ডিব্ৰুগড় চক্ৰৰ সম্পাদক মাধূৰ্য বৰুৱাই জিলা পথ সুৰক্ষা সমিতিৰ স'তে আলোচনা কৰি জিলাখনৰ ৰাষ্ট্ৰীয় ঘাই পথৰ কাষৰীয়া চাহ বাগিচাসমূহত দিনকদিনে বৃদ্ধি পাই অহা পথ দুৰ্ঘটনা হ্ৰাস কৰিবৰ বাবে এনে সভা ধাৰাবাহিকভাৱে প্ৰশাসনৰ সহযোগত 'এবিটা'ই আয়োজন কৰাত সহযোগিতা কৰি যোৱাৰ লগতে পথত কিদৰে খোজ কাঢ়ি জীৱন সুৰক্ষিত কৰিব লাগে, সেই সম্পৰ্কতো মূল্যৱান পৰামৰ্শ আগবঢ়ায়। সভাত ডিব্ৰুগড় আৰ টি এ ব'ৰ্ড আৰু 'ডিআৰএছচি'ৰ সদস্য তথা বিশিষ্ট সাংবাদিক ইকবাল আহমেদে পথ দুৰ্ঘটনা সংঘটিত হোৱাৰ কাৰণসমূহ ব্যাখ্যা কৰি বিশেষকৈ এইক্ষেত্ৰত মাতৃ সমাজৰ দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে সাৰুৱা বক্তব্য আগবঢ়ায়। সভাত ডিব্ৰুগড় জিলা পৰিবহণ বিষয়া কাৰ্যালয়ৰ এনফ'ৰ্চমেণ্ট পৰিদৰ্শক নৰেন বৰঠাকুৰে আগবঢ়োৱা বক্তব্যত পথ দুৰ্ঘটনা হ্ৰাস কৰাত 'পঞ্চসূত্ৰ' মানি চলাৰ কথা উল্লেখ কৰি দুচকীয়া বাহন চলাওঁতে হেলমেট পিন্ধা, দ্ৰুতগতিত আৰু সুৰাপান কৰি গাড়ী নচললোৱা, চালক আৰু আৰোহীয়ে সদায় চীটবেল্ট পৰিধান কৰা আৰু যান-বাহন চলাওঁতে ম'বাইল ফোন ব্যৱহাৰ বন্ধ কৰা আদি পথ সুৰক্ষা সম্পৰ্কীয় ভালেমান গুৰুত্বপূৰ্ণ কথা আলোকপাত কৰে। সভাত আটছাৰ ডিব্ৰুগড় জিলা সমিতিৰ সহকাৰী সম্পাদক, লেখক লখিন্দৰ কুৰ্মীয়েও চাহ শ্ৰমিক ৰাইজক নিজৰ সন্তানক যান-বাহন আইন মানি চলি চাহ জনজাতি লোকৰ পথ দুৰ্ঘটনাত মৃত্যুৰ হাৰ হ্ৰাস কৰিবৰ বাবে আহ্বান জনায়। সমগ্ৰ সভাখনিৰ আঁতধৰি জিলা পথ সুৰক্ষা সমিতিৰ সদস্য, পথ সুৰক্ষা কৰ্মী তথা জ্যেষ্ঠ সাংবাদিক ৰতন হাজৰিকাই প্ৰজেক্টৰৰ জৰিয়তে পথ সুৰক্ষাৰ সম্পৰ্কীয় ভালেসংখ্যক ভিডিঅ' প্ৰদৰ্শন কৰি বিভিন্ন উদাহৰণেৰে কয় যে পথ দুৰ্ঘটনাৰ পৰা নিজকে বচাই ৰখাৰ বাবে চালক, পথচাৰী আৰু ৰাইজৰ মাজত সজাগতাৰ একেবাৰে অভাৱ। বিগত ২০২৪-২৫ বৰ্ষত ডিব্ৰুগড় জিলাত বিভিন্ন থানাত পথ দুৰ্ঘটনা সম্পৰ্কীয় ৫৭টা গোচৰ পঞ্জীভুক্ত হোৱাৰ বিপৰীতে ডিব্ৰুগড়ৰ বিভিন্ন স্থানত শতাধিক চাহ শ্ৰমিক লোকৰ মৃত্যু হৈছে। এইসমূহৰ ভিতৰত পথত নিয়মানুসৰি খোজ কাঢ়ি বুলৈ নজনাৰ লগতে হেলমেট নিপিন্ধাৰ বাবেই কেৱল বৰবৰুৱা আৰু লাহোৱাল আৰক্ষী থানাৰ অন্তৰ্গত অঞ্চলতে মুঠ চৈধ্যটাৰো অধিক পথ দুৰ্ঘটনা সংঘটিত হৈ সমসংখ্যক লোক (যাৰ বয়স ১৮-৩৪ বছৰৰ ভিতৰত)ৰ অকাল মৃত্যু হোৱাৰ কথাও তেওঁ বক্তব্যত উল্লেখ কৰে। সভাত জিলা পৰিবহণ বিভাগৰ এনফ'ৰ্চমেণ্ট পৰিদৰ্শক অশোক সিং, সহকাৰী পৰিদৰ্শক ঊষা তামোলীকে ধৰি বিভাগীয় কৰ্মচাৰীসকল উপস্থিত থাকে। আনহাতে যোৱা ২০ জানুৱাৰীত জিলাখনৰ লেপেটকটা চাহ বাগিচাতো তদনুৰূপ পথ সুৰক্ষা সজাগতা সভাৰ আয়োজন কৰা হয়।

# ৰূপহীহাটৰ কাঠপাৰাত মহিলাৰ ৰহস্যজনক মৃতদেহ উদ্ধাৰ, চাঞ্চল্য আটক ১

**অসম বাৰ্তা, ৰূপহীহাট, ২৪ জানুৱাৰী ঃ** ৰূপহীহাটৰ কাঠপাৰাত আজি ৰাতিপুৱা শোৱাপাটিত এগৰাকী মহিলাৰ ৰহস্যজনক মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে ৫ নং কাঠপাৰাৰ জাহানাৰা বেগম নামৰ মহিলা গৰাকীয়ে য়োৱানিশা দুই পুত্ৰ সন্তানক লগত লৈ নিজৰ পিতৃৰ ঘৰত শুইছিল। কিন্তু আজি ৰাতিপুৱা শোৱাপাটিত মহিলাগৰাকীৰ মৃতদেহ উদ্ধাৰ হয়। মহিলাগৰাকীৰ ডিঙিত আঘাতৰ চিন স্পষ্ট দেখা পোৱা গৈছে। মহিলাগৰাকীৰ স্বামী কৰ্মসূত্ৰে বহিঃৰাজ্য কেৰেলাত থাকে। দুই পুত্ৰ সন্তানৰ মাতৃক কোনে নিশা অন্ধকাৰৰ সুযোগ লৈ হত্যা কৰিলে সেইটো জানিব পৰা হোৱা নাই। ঘটনাস্থলীত ৰূপহীহাট আৰু আমবাগান আৰক্ষী উপস্থিত হৈ আবু ছুফিয়ান নামৰ এজন যুৱকক আটক কৰি জেৰা অব্যাহত ৰাখিছে। ঘটনাস্থলীত কলিয়াবৰ সমজিলাৰ আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও মেডিকেল কলেজ হস্পিটেললৈ প্ৰেৰণ কৰে।

# অৰুণোদয় প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বোধেশ্বৰ ভূঞাক বিদায় সম্বৰ্ধনা

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ২৪ জানুৱাৰী ঃ** লখিমপুৰ জিলাৰ কদম ৰাজহচক্ৰৰ অন্তৰ্গত অৰুণোদয় প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বোধেশ্বৰ ভূঞাক আজি বিদ্যালয়খনত অনুষ্ঠিত এখন সভাত উষ্ম বিদায় সম্বৰ্ধনা জ্ঞাপন কৰা হয়। বিদায়ী শিক্ষকগৰাকীক সভালৈ গায়ন-বায়নেৰে আদৰি অনা হয়। বিদায় সম্বৰ্ধনা সভাত সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত শিক্ষক অতুল নেওগে তথা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে অৰুণোদয় প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক লক্ষ্মী দত্তই। সভাত অৰুণোদয় প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক সমাজ, পৰিচালনা সমিতি, বিভিন্ন বিদ্যালয় কৰ্তৃপক্ষ, প্ৰাক্তন ছাত্ৰ সমাজ, অভিভাৱক সমাজকে ধৰি ব্যক্তি নিৰ্বিশেষে সম্বৰ্ধনা পত্ৰ, ফুলাম গামোচা, শৰাই, গ্ৰন্থকে ধৰি বিভিন্ন উপহাৰ সামগ্ৰীৰে শিক্ষকগৰাকীক বিদায় সম্বৰ্ধনা জনোৱা হয়। সভাত শিক্ষকগৰাকীৰ পত্নীকে ধৰি পৰিয়ালবৰ্গকো সম্বৰ্ধনা জনোৱা হয়।

# ঢেকীয়াজুলিত দ্বিতীয় বাৰ্ষিক ৪০ উৰ্ধ্বৰ ভেটাৰ্ণ ক্ৰিকেট প্ৰতিযোগিতাৰ সফল সামৰণি, ঢেকীয়াজুলি টাউন ক্লাব চেম্পিয়ন

**অসম বাৰ্তা, ঢেকীয়াজুলি, ২৪ জানুৱাৰী ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি ক্ৰীড়া সন্থাৰ খেলপথাৰত অনুষ্ঠিত হোৱা দ্বিতীয় বাৰ্ষিক ৪০ উৰ্ধ্বৰ ভেটাৰ্ণ ক্ৰিকেট খেল প্ৰতিযোগিতাৰ আজি চুৰান্ত খেল সফলভাৱে অনুষ্ঠিত হয়। যোৱা ১৭ জানুৱাৰী ২০২৬ তাৰিখে শুভাৰম্ভ হোৱা এই প্ৰতিযোগিতাই আজি অন্তিম খেলৰ সৈতে সামৰণি পৰে। ঢেকীয়াজুলিৰ বাসিন্দা তথা বিশিষ্ট সমাজকৰ্মী প্ৰয়াত কমলেশ কুমাৰ সিনহাৰ সোঁৱৰণিত আয়োজন কৰা এই প্ৰতিযোগিতাৰ চূড়ান্ত খেলখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ঢেকীয়াজুলি সম-জিলাৰ আৰক্ষী অধীক্ষক ভাৰ্গৱ মুণি দাস। খেলপথাৰত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হোৱাৰ লগতে খেলুৱৈসকলৰ উদ্যম আৰু ক্ৰীড়াত্মক মনোভাৱে দৰ্শকৰ বিশেষ মনোগ্ৰাহী ৰূপ ধৰে। আজিৰ চুৰান্ত খেলখন ঢেকীয়াজুলি টাউন ক্লাব ক্ৰিকেট দল আৰু ঢেকীয়াজুলি ৰয়েলছ ক্ৰিকেট দলৰ মাজত অনুষ্ঠিত হয়। ৰোমাঞ্চকৰ এই খেলখনত ঢেকীয়াজুলি ৰয়েলছ ক্ৰিকেট দলক পৰাস্ত কৰি ঢেকীয়াজুলি টাউন ক্লাব ক্ৰিকেট দলে বিজয় খিতাপ দখল কৰিবলৈ সক্ষম হয়। চুৰান্ত খেলখনত বিশিষ্ট সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত শিক্ষক বিধুভোষন ৰায়, সমাজকৰ্মী জনাৰ্দন বৰা, বিজয় সিং, যাদৱ ভৰালী, ঢেকীয়াজুলি ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক প্ৰদীপ সৰকাৰ, শিক্ষাগুৰু তুলসী দাস, সংবাদকৰ্মী কল্পজ্যোতি নাথ, পলিমা চেতিয়া বড়ো, প্ৰশান্ত বৈশ্য, জাহেদ আলীসহ বহুতো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে, আৰম্ভণিৰ পৰা প্ৰতিযোগিতাৰ সফল আয়োজনলৈকে সকলো দিশত সহযোগ আগবঢ়োৱা সকলোক প্ৰয়াত কমলেশ কুমাৰ সিনহাৰ সহধৰ্মিণী নতুন সিনহা, পুত্ৰ সৌৰভ সিনহাৰ লগতে পৰিয়ালবৰ্গই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। এই প্ৰতিযোগিতাই অঞ্চলটোৰ ভেটাৰ্ণ খেলুৱৈসকলৰ মাজত ক্ৰীড়া চেতনাক অধিক উজ্জীৱিত কৰিলে বুলি স্থানীয় ৰাইজে মত প্ৰকাশ কৰে।



শতাধিকৰ এআইইউডিএফ দলত যোগদান

# চামগুৰিৰ খাটোৱালত আব্দুল আজিজক উষ্ম আদৰণি

## এআইইউডিএফ এইবাৰ কিংমেকাৰ হ'ব ঃ আমিনুল ইছলাম

**অসম বাৰ্তা, ৰূপহীহাট, ২৪ জানুৱাৰী ঃ** আজি চামগুৰি সমষ্টিৰ খাটোৱালত এআইইউডিএফ দলৰ এক সভা অনুষ্ঠিত হয়। প্ৰায় তিনি সহস্ৰাধিক ৰাইজৰ উপস্থিতি সভাখনত চামগুৰি সমষ্টিৰ এআইইউডিএফ দলৰ সাব্যস্ত প্ৰাৰ্থী আব্দুল আজিজক বিপুলভাৱে সম্বৰ্দ্ধনা জনোৱা পৰিলক্ষিত হয়। আব্দুল আজিজ এআইইউডিএফ দলত যোগদান কৰাৰ পিছৰে পৰা সমষ্টিখনৰ ৰাজনৈতিক প্ৰেক্ষাপট সলনি হৈ পৰিছে। কংগ্ৰেছৰ পৰিয়ালকেন্দ্ৰীক ৰাজনীতিত অতিষ্ঠ হৈ পৰিছে যাৰ বাবে কংগ্ৰেছ দলত আৰম্ভ হৈছে খহনীয়া। আজিৰ সভাখনত কংগ্ৰেছৰ শতাধিক নেতা কৰ্মীয়ে কংগ্ৰেছ দল ত্যাগ কৰি এআইইউডিএফ দলত যোগদান কৰে। সভাখনত সংখ্যালঘু দৰদী নেতা তথা অগ্নিবক্তা আব্দুল আজিজে মিঞা মুছলমান সকলক নানা ধৰণৰ হাৰাশাস্তি কৰাৰ কাৰণে মুখ্যমন্ত্ৰীক ক্ষুৰধাৰ সমালোচনা কৰে। আনপিনে সভাখনত ধিংৰ বিধায়ক আমিনুল ইছলাম উপস্থিত থাকি এছআৰ নামত মিঞা মুছলমান সকলক হাৰাশাস্তি কৰাৰ বাবে কংগ্ৰেছ আৰু বিজেপি চৰকাৰক তীব্ৰ সমালোচনা কৰে। বিধায়ক জনে সংবাদ মাধ্যমৰ কয় যে অহা বিধানসভা নিৰ্বাচনত এআইইউডিএফ দলে ২০ৰ পৰা ২৫খন আসন লাভ কৰি কিংমেকাৰ হব। মধ্য অসমৰ ৫টা সমষ্টি চামগুৰি, ৰূপহীহাট, ধিং, লাহৰিঘাট আৰু বিনাকান্দি সমষ্টিত এআইইউডিএফ দলৰ জয় নিশ্চিত বুলি মত পোষণ কৰে।

# কোকৰাঝাৰত সংঘটিত ঘটনাৰ প্ৰতিবাদত ডিব্ৰুগডত আছাৰ ২ ঘণ্টীয়া অৱস্থান ধৰ্মঘট পালন

**ষ্টাফ ৰিপৰ্টাৰ, ২৪ জানুৱাৰী ঃ** সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা) ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত আৰু সমূহ আঞ্চলিক সমিতিৰ সহযোগত কোকৰাঝাৰ জিলাৰ কাৰিগাঁৱত সংঘটিত ঘটনাত আদিবাসী পৰিয়ালক ৰক্ষণাবেক্ষণ দিয়াত ব্যৰ্থ হোৱা অভিযোগ কৰি চৌকিডিঙী চাৰিআলি জিৰণী চ'ৰাত অসম চৰকাৰৰ গৃহ বিভাগৰ বিৰুদ্ধে ২ ঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী পালন কৰে। উলেখ্যযোগ্য যে কোকৰাঝাৰ জিলাৰ কাৰিগাঁৱত সংঘটিত পথ দুৰ্ঘটনাত বড়ো আৰু আদিবাসী যুৱকৰ মৃত্যু হোৱাত একাংশ বড়ো জনগোষ্ঠীৰ দুষ্কৃতিকাৰীয়ে উক্ত ঘটনাৰ আলম লৈ গোষ্ঠীগত সংঘৰ্ষৰ ৰূপদি নিৰ্দোষী আদিবাসীৰ গৃহ, ভৱন ভাঙি লণ্ড-ভণ্ড কৰাৰ উপৰিও পুলিচ প্ৰশাসনৰ উপস্থিতিতে কুৰিটাতকৈ অধিক আদিবাসী পৰিয়ালৰ ঘৰ জ্বলাই দিয়া কাৰ্যই অসম চৰকাৰৰ গৃহ বিভাগটো সম্পূৰ্ণৰূপে ব্যৰ্থ হোৱা অভিযোগ কৰে সংগঠনটো বিষয়ববীয়া সকলে। আছাৰ কেন্দ্ৰীয় সমিতিৰ উপ সভাপতি ৰুস্তম কুজুৰ আৰু সাংগঠনিক সাধাৰণ সম্পাদক মদন বাঘুৱাৰে এক বিবৃতি যোগে এই কথা জানিবলৈ দিয়ে।

# সাংবাদিকক ভাবুকি; লালিগুৰ ব্যৱসায়ীয়ে ক্ষমা খুজিলে শিৱসাগৰ জিলা সাংবাদিক সংঘক

**অসম বাৰ্তা, জাঁজী, ২৪ জানুৱাৰী ঃ** অৱশেষত লালীগুড় ব্যৱসায়ীয়ে নিজৰ কু-কৰ্ম স্বীকাৰ কৰি ক্ষমা খুজিলে শিৱসাগৰ জিলা গ্ৰাম্য সাংবাদিক সংঘৰ ওচৰত। উল্লেখযোগ্য যে শিৱসাগৰ জিলাৰ গৌৰীসাগৰ আৰক্ষী থানাৰ অন্তৰ্গত জৰাধৰা গাঁৱত যোৱা ২০ জানুৱাৰীত শিৱসাগৰ জিলাৰ শীৰ্ষ আৰক্ষী বিষয়াই চুলাই ভাটী উচ্ছেদ কৰা আৰু সন্দেহজনক লালিগুৰ জব্দ কৰাৰ পিছতেই অবৈধ ব্যৱসায়ীয়ে সাংবাদিকক ভাবুকি প্ৰদান কৰিছিল। জানিব পৰা মতে জৰাধৰা গাঁৱৰ নিবাসী কুশ বৰুৱাৰ বাসগৃহত শিৱসাগৰ জিলাৰ শীৰ্ষ আৰক্ষী বিষয়াই চুলাই ভাটী উচ্ছেদ কৰা লগতে ৬ টাকৈ চুলাই প্ৰস্তুত কৰা ড্ৰাম নষ্ট কৰিছিল। আৰক্ষীয়ে কুশ বৰুৱাৰ খেৰ ৰখা গৃহত ১৩ টিং লালিগুৰ জব্দ কৰিছিল। আৰক্ষীয়ে চুলাই ভাটী উচ্ছেদ কৰা পিছতেই লালিগুৰ ব্যৱসায়ী কুশ বৰুৱা আৰু জোৱায়েক ধন বৰুৱাই জৰাধৰা গাঁৱতে আত্মীয়ৰ ঘৰত থকা জাঁজীৰ স্থানীয় সাংবাদিক প্ৰসেনজিৎ গগৈক ভাবুকি প্ৰদান কৰিছিল। আনহাতে ধন বৰুৱাই প্ৰসেনজিৎ গগৈ থকা আত্মীয়ৰ ঘৰত আহি ভাবুকি প্ৰদান কৰিছিল। এই ঘটনাৰ পিছতে গৌৰীসাগৰ আৰক্ষীয়ে সাংবাদিক প্ৰসেনজিৎ গগৈক নিৰাপত্তা প্ৰদানেৰে নিজা গৃহলৈ আনিছিল। ইয়াৰ পাছতেই শিৱসাগৰ জিলা গ্ৰাম্য সাংবাদিক সংঘই প্ৰসেনজিৎ গগৈৰ জীৱন আৰু নিৰাপত্তা বিচাৰি আৰু সাতদিনৰ ভিতৰত বিচাৰ কৰিবৰ বাবে আমগুৰি আৰক্ষী থানাত স্মাৰক পত্ৰ প্ৰদান কৰাৰ লগতে কেইবাটাও জাতীয় সংগঠনে দোষীক শাস্তি প্ৰদানৰ দাবী জনাইছিল। ইয়াৰ পাছত আৰক্ষীৰ কঠোৰ নিৰ্দেশত লালীগুড় ব্যৱসায়ী কুশ বৰুৱা আৰু ধন বৰুৱা আমগুৰি আৰক্ষী থানাত কালি উপস্থিত হয়। আৰক্ষীৰ পৰা খবৰ পাই শিৱসাগৰ জিলা গ্ৰাম্য সাংবাদিক সংঘৰ সদস্যসকলো থানাত উপস্থিত হোৱাৰ পাছত আমগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ সন্মুখত দুয়োজন ব্যৱসায়ীয়ে ক্ষমা খোজাৰ উপৰি ভৱিষ্যতে সাংবাদিকসকলৰ নিৰাপত্তা সেই অঞ্চলত বিঘ্নিত হ'লে তেওঁলোক জগৰীয়া হ'ব বুলি লিখিত প্ৰতিশ্ৰুতি দিয়ে।

বন বিভাগৰ বিষয়া অহাত পলম হোৱাত ক্ষুব্ধ ভোচামাৰীৰ ৰাইজ; ঘটনাস্থলীত উপস্থিত হ'বলৈ বাধ্য হ'ল জিলা বন বিষয়া

# চাপৰাকাটাত অবৈধ কাঠৰ গাড়ী জব্দক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতি; পুলিচৰ বাধা নেওচি চাৰি সৰবৰাহকাৰীক উত্তম-মাধ্যম ৰাইজৰ

**অসম বাৰ্তা, বঙাইগাঁও, ২৪ জানুৱাৰী ঃ** বঙাইগাঁও জিলাৰ চাপৰাকাটা অঞ্চলৰ ভোচামাৰী আৰু হাপাচাৰাৰ সংযোগকাৰী পথত আজি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। অবৈধ জুইৰ কাঠ (Fire Wood) কঢ়িয়াই নিয়া এখন বাহন ভোচামাৰী গাঁৱৰ ৰাইজে হাতে-লোটে ধৰি ৰখাক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত উত্তেজনা বিয়পি পৰে। প্ৰাপ্ত বাতৰি অনুসৰি, ৰাইজে বাহনখন জব্দ কৰি আৰক্ষীক খবৰ দিয়াত আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হয়। কিন্তু ৰাইজে কেবল আৰক্ষীৰ উপস্থিতিত সন্তুষ্ট নহৈ বন বিভাগৰ উৰ্ধতম কৰ্তৃপক্ষক ঘটনাস্থলীলৈ অনাৰ দাবী তোলে। স্থানীয় বন বিভাগৰ বিষয়া এজন উপস্থিত হয় যদিও ৰাইজে তেওঁক গুৰুত্ব নিদি জিলা বন বিভাগৰ কৰ্তৃপক্ষক মতাই আনিবলৈ বাধ্য কৰায়। জিলা পৰ্যায়ৰ বন বিষয়াৰ উপস্থিতিত যথেষ্ট পলম হোৱাত একাংশ উত্তেজিত ৰাইজে আইন হাতত তুলি লয়। আৰক্ষীৰ বাধা নেওচি ৰাইজে বাহনখনৰ চালক আৰু তেওঁৰ সৈতে থকা আন দুজন সহযোগীক টানি উলিয়াই আনি 'উত্তম-মাধ্যম' দিয়ে। কিন্তু আৰক্ষীৰ জিম্মাত আছিল বাবে কথমপি প্ৰাণ ৰক্ষা পৰে চাৰি সৰবৰাহকাৰীৰ। পৰিস্থিতি ইমানেই নিয়ন্ত্ৰণহীন হৈ পৰে যে ৰাইজে হুংকাৰ দিয়ে যে জিলা বন বিষয়া নোযোৱালৈকে কাঠৰ গাড়ীখন লৰচৰ কৰিব নোৱাৰিব। শেষত, জিলা পৰ্যায়ৰ বন বিষয়া ঘটনাস্থলীত উপস্থিত হোৱাৰ পিছতহে ৰাইজ শান্ত হয়। বন বিভাগৰ বিষয়াই অবৈধ কাঠখিনি জব্দ কৰাৰ লিখিত প্ৰতিশ্ৰুতি দিয়াত ৰাইজে গাড়ীখন এৰি দিয়ে। ইফালে, ৰাইজৰ প্ৰহাৰত আহত হোৱা চাৰি সৰবৰাহকাৰীক আৰক্ষীৰ জিম্মাত গোটাই দিয়া হয়। আই নদী আৰক্ষী চকী আৰু উত্তৰ বঙাইগাঁও তহলদাৰী আৰক্ষীৰ নেতৃত্বত পৰিস্থিতি নিয়ন্ত্ৰণ হয়। এই ঘটনাই বন বিভাগৰ চকুৰ আগতে চলি থকা অবৈধ কাঠৰ ৰমৰমীয়া বেহাৰ বিৰুদ্ধে ৰাইজৰ মাজত গোট খাই থকা ক্ষোভৰ বহিৰ্প্ৰকাশ ঘটাইছে।

জনীয়া প্ৰেছ ক্লাবৰ সভাপতি তথা জনীয়াৰ জ্যেষ্ঠ সাংবাদিক মইনুল হক চৌধুৰীলৈ 'মননশীল কণ্ঠ বঁটা' প্ৰদান

# 'পি সংবাদ' নিউজ পৰ্টেলৰ তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, জনীয়া, ২৪ জানুৱাৰী ঃ** বৰপেটা জিলাৰ জনীয়াৰ 'অসমীয়া খবৰ' কাকতৰ জ্যেষ্ঠ সাংবাদিক তথা জনীয়া প্ৰেছ ক্লাবৰ সভাপতি মইনুল হক চৌধুৰীলৈ 'পি সংবাদ' নিউজ পৰ্টেল পৰিয়ালে 'মননশীল কণ্ঠ বঁটা 'প্ৰদান কৰে। উল্লেখযোগ্য যে ২৩ জানুৱাৰীত ভেৰাগাৰস্থিত 'চানফোৰ্ড ইংলিছ স্কুল' চৌহদত উদ্‌যাপন সমিতিৰ সভাপতি তথা সাংবাদিক পুলেন দাসৰ সভাপতিত্বত অনুষ্ঠিত 'পি সংবাদ নিউজ পৰ্টেল' তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত এই বঁটা প্ৰদান কৰা হয়। দীৰ্ঘদিন সংবাদ জগতৰ লগত জড়িত থকা চৌধুৰীয়ে বঁটা গ্ৰহণ কৰি সাংবাদিক মইনুল হক চৌধুৰীয়ে কয় যে এইটো তেওঁৰ বাবে কেৱল বঁটাই নহয় কৰ্মজীৱনৰ স্বীকৃতিও। এই বঁটাই তেওঁক উৎসাহিত কৰাৰ লগতে কৰ্মৰ প্ৰতি অধিক দায়িত্বশীল, কৰ্তব্য পৰায়ণ, নিৰ্ভীক আৰু সাহসী কৰি তুলিলে বুলি কয়। তদুপৰি তেখেতে 'পি সংবাদ নিউজ পৰ্টেল'ৰ স্বত্বাধিকাৰী মুহিব উদ্দিন আহমেদ প্ৰমুখ্যে সমূহ 'পি সংবাদ'ৰ পৰিয়াললৈ কৃতজ্ঞতা জ্ঞাপন কৰে।



১ পৃষ্ঠাৰ পৰা

# বৰ্ষাপাৰাত আজি ভাৰত-নিউজিলেণ্ডৰ

অনুষ্ঠিত হ'ব। ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ এই উত্তেজনাপূৰ্ণ সংঘৰ্ষটো সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব (টছ ৬: ৩০ বজাত)। পূৰ্বৰ দুখন মেচত ভাৰতে জয়লাভ কৰি ছিৰিজত ২-০ৰ আগভাগ লৈছে, আৰু আজিৰ মেচত জয় লাভ কৰিলে ছিৰিজ নিজৰ দখলত ল'ব পাৰিব। আজি পুৱাই ভাৰতীয় ক্ৰিকেট দলৰ মুখ্য প্ৰশিক্ষক গৌতম গম্ভীৰে গুৱাহাটীৰ বিখ্যাত মা কামাখ্যা ধামত উপস্থিত হৈ পূজা-অৰ্চনা কৰি মাতৃৰ আশিস গ্ৰহণ কৰে। গম্ভীৰে মন্দিৰত উপস্থিত হৈ ধৰ্মীয় অনুষ্ঠান সম্পন্ন কৰি দলৰ সফলতাৰ বাবে প্ৰাৰ্থনা কৰে। এই আধ্যাত্মিক ভ্ৰমণে দলৰ মনোবলক অধিক শক্তিশালী কৰিব বুলি অনুমান কৰা হৈছে। দুয়োটা দল শনিবাৰে গুৱাহাটীত উপস্থিত হৈছে। দুয়োটা দলৰ খেলুৱৈসকলে বৰ্ষাপাৰা ষ্টেডিয়ামত অনুশীলন কৰি মেচৰ বাবে প্ৰস্তুতি চলাইছে। বৰ্ষাপাৰা ষ্টেডিয়ামৰ পিচ সাধাৰণতে বেটিঙৰ অনুকূল বুলি জনা যায়, আৰু উচ্চ স্ক'ৰিং মেচৰ সম্ভাৱনা থাকে। বতৰ অনুকূল থকাৰ সম্ভাৱনা আছে যদিও সন্ধিয়াৰ সময়ত কিছু শীতল বতৰ হ'ব পাৰে। ভাৰতীয় দলৰ অধিনায়ক সূৰ্যকুমাৰ যাদৱৰ নেতৃত্বত দলটোৱে ছিৰিজত আধিপত্য বিস্তাৰ কৰি ৰাখিছে। নিউজিলেণ্ডৰ অধিনায়ক মিচেল ছেণ্টনাৰে দলক পুনৰুজ্জীৱিত কৰি ছিৰিজত প্ৰত্যাহ্বান জনোৱাৰ চেষ্টা কৰিব। এই মেচে দুয়োটা দলৰ বাবে গুৰুত্বপূৰ্ণ, কিয়নো ভাৰতে ছিৰিজ জয় নিশ্চিত কৰিব বিচাৰে আৰু নিউজিলেণ্ডে পিছলৈ ঘূৰি অহাৰ আশা কৰিছে। খেলপথাৰত উপস্থিত হৈ ৰাইজে এই উচ্চমানৰ টি-২০ মেচ উপভোগ কৰিবলৈ সক্ষম হ'ব। লাইভ সম্প্ৰচাৰ বিভিন্ন টেলিভিজন চেনেল আৰু অনলাইন প্লেটফৰ্মত উপলব্ধ হ'ব।

১ পৃষ্ঠাৰ পৰা

# টি-২০ বিশ্বকাপৰ পৰা বাংলাদেশক বাহিৰ; স্কটলেণ্ডক

(ICC)-এ আগন্তুক পুৰুষ টি-২০ বিশ্বকাপ ২০২৬ৰ পৰা বাংলাদেশক সম্পূৰ্ণৰূপে বাহিৰ কৰি দিছে। বাংলাদেশ ক্ৰিকেট ব'ৰ্ড (BCB)-এ সুৰক্ষাজনিত কাৰণ দৰ্শাই ভাৰতত অনুষ্ঠিত হ'বলগীয়া নিজৰ খেলসমূহত অংশগ্ৰহণ নকৰাৰ সিদ্ধান্তত অটল থকাৰ ফলত এই কঠোৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। বাংলাদেশৰ স্থানত স্কটলেণ্ডক গ্ৰুপ চি-ত অন্তৰ্ভুক্ত কৰা হৈছে। এই সিদ্ধান্তৰ পটভূমিত আছে বাংলাদেশী পেচাৰ মুস্তাফিজুৰ ৰহমানক IPL ২০২৬ৰ পৰা কলকাতা নাইট ৰাইডাৰ্ছৰ দলৰ পৰা মুক্তি দিয়াৰ ঘটনা। এই ঘটনাৰ পিছত দুয়োখন দেশৰ মাজত ৰাজনৈতিক সম্পৰ্কৰ অৱনতিৰ প্ৰেক্ষাপটত BCB-এ ভাৰতত দল পঠিয়াবলৈ অস্বীকাৰ কৰে আৰু ICC-ৰ ওচৰত বাৰে বাৰে দাবী জনায় যে তেওঁলোকৰ খেলসমূহ শ্ৰীলংকালৈ স্থানান্তৰ কৰা হওক অথবা গ্ৰুপ সালসলনি কৰা হওক। আইৰিছ ক্ৰিকেট ব'ৰ্ডে অৱশ্যে গ্ৰুপ সলনিৰ প্ৰস্তাৱ সম্পূৰ্ণ নাকচ কৰিছে। ICC-এ সুৰক্ষাৰ বিষয়টো স্বতন্ত্ৰভাৱে পৰীক্ষা কৰি কোনো বিশ্বাসযোগ্য বা প্ৰমাণিত বিপদ নাই বুলি সিদ্ধান্ত লৈছে। তথাপি BCB-এ নিজৰ স্থিতিত অটল থাকে। ICC ব'ৰ্ডৰ জৰুৰী বৈঠকত (ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে) বাংলাদেশক ভাৰতলৈ যোৱাৰ পক্ষত ১৪-২ ব্যৱধানত ভোটদান হয়। ICC-এ BCB-ক ২৪ ঘণ্টাৰ সময়সীমা দি স্থিতি পৰ্যালোচনা কৰি ভাৰতলৈ যোৱাৰ সিদ্ধান্ত জনাবলৈ কয়। কিন্তু BCBৰ অধ্যক্ষ আমিনুল ইছলাম বুলবুলে এই সময়সীমাৰ ভিতৰত আনুষ্ঠানিকভাৱে কোনো সঁহাৰি নিদিয়াত ICC-এ বাংলাদেশক বাহিৰ কৰাৰ সিদ্ধান্ত লয়। জানিব পৰা মতে, শুকুৰবাৰে ICC অধ্যক্ষ জয় শ্বাহৰ নেতৃত্বত ডুবাইত থকা শীৰ্ষ বিষয়াসকলে BCB অধ্যক্ষ বুলবুললৈ ই-মেইল প্ৰেৰণ কৰি এই সিদ্ধান্তৰ কথা জনায়। ICCৰ এক সূত্ৰই জনোৱা মতে, "কালি সন্ধিয়া ই-মেইল প্ৰেৰণ কৰা হৈছিল। তাত স্পষ্ট কৰা হৈছে যে ২৪ ঘণ্টাৰ সময়সীমাৰ ভিতৰত BCB-এ আনুষ্ঠানিকভাৱে কোনো জনোৱা নাই। লগতে ঢাকাত সংবাদমেল অনুষ্ঠিত কৰি ICC-ক আগতীয়াকৈ জনোৱাৰ নিয়ম উলংঘা কৰা হৈছে।" ICC-এ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা অন্যান্য সকলো সদস্য দেশকো এই সিদ্ধান্তৰ বিষয়ে পৃথকে অৱগত কৰিছে। স্কটলেণ্ডক বাংলাদেশৰ স্থানত অন্তৰ্ভুক্ত কৰা হৈছে কাৰণ তেওঁলোক মূল যোগ্যতা অৰ্জন নকৰাৰ মাজত T20I ৰেংকিঙত সৰ্বোচ্চ স্থানত আছে। এই ঘটনাই ক্ৰিকেট বিশ্বত নতুন চৰ্চাৰ সৃষ্টি কৰিছে আৰু বাংলাদেশৰ ক্ৰিকেট অনুৰাগীসকলৰ বাবে বৃহৎ হতাশাৰ কাৰণ হৈ পৰিছে। BCB-ৰ এই স্থিতিয়ে দলটোক বিশ্বকাপৰ পৰা বঞ্চিত কৰিছে, য'ত তেওঁলোকে গ্ৰুপ পৰ্যায়ত ভাৰতত কেইবাটাও খেল খেলিবলগীয়া আছিল।

# তিনিচুকীয়া মহাবিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰ সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৪ জানুৱাৰী ঃ** তিনিচুকীয়া মহাবিদ্যালয়ত "ওৱান হেল্থঃ হলিষ্টিক এপ্ৰ'চ টুৱাৰ্ডচ হেল্থকেয়াৰ" বিষয়ৰ ওপৰত এখন আকৰ্ষণীয় তথা ফলপ্ৰসূ আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰ ২১ আৰু ২২ জানুৱাৰীত অনুষ্ঠিত হৈ যায়। ড° জীৱন চাংমাই তথা সমূহ অংশগ্ৰহণকাৰীৰ সহযোগিতাত বন্তি প্ৰজ্বলেনেৰে আৰম্ভ কৰি অনলাইন আৰু অফলাইন দুয়োটা দিশেৰে চাৰিটাকৈ সত্ৰত সম্পন্ন হোৱা আলোচনাচক্ৰখনত মহাবিদ্যালয়খনৰ উপাধ্যক্ষা সংগীতা বৰুৱা আৰু মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ড° বুলবুল গগৈয়ে আদৰণি ভাষণ প্ৰদান কৰে। প্ৰথমদিনাৰ প্ৰথম সত্ৰত বিশিষ্ট ব্যক্তি হিচাপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ জীৱবিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক এচ. পি. বিশ্বাস আৰু সহযোগী ক্ৰমে ইউনাইটেড কিংডমৰ পষ্ট ডক্টৰেল ৰিচাৰ্চাৰ ড° ডেৰি টেইল'ৰ, লগতে সহযোগী তিনিচুকীয়া মহাবিদ্যালয়ৰ প্ৰকল্প অনুসন্ধানমূলক বৈজ্ঞানিক ড° জিম্মী চ'নাম, স্বৰনম খাৰিয়াৰ পৰিচালনাত অফলাইন স্তৰত অসম তথা ভাৰতৰ বিভিন্ন ৰাজ্যৰ একাধিক অংশগ্ৰহণকাৰীৰ সহযোগত সফলতাৰে আলোচনাচক্ৰখন সমাপন হয়। একেসময়তে অনলাইন ব্যৱস্থাৰ যোগেদিও দ্বিতীয় সত্ৰৰ আলোচনাচক্ৰত আবু ঢাবি বিশ্ববিদ্যালয়ৰ সহযোগী প্ৰাধ্যাপক ড° অজয় পাৰ'টিলৰ এটা বক্তৃতাৰে উন্মোচন কৰা আলোচনাচক্ৰটিত অংশগ্ৰহণ কৰে অসম, ভাৰত তথা বিশ্বৰ বিভিন্ন প্ৰান্তৰ একাধিক গৱেষক, শিক্ষক তথা শিক্ষাৰ্থীয়ে। অনলাইন সত্ৰৰ আলোচনা-চক্ৰৰ সমল ব্যক্তি হিচাপে দায়িত্ব পালন কৰে তিনিচুকীয়া মহাবিদ্যালয়ৰ অধ্যাপক ড° সত্যজিত গগৈ ভৰাল আৰু সহযোগী ক্ৰমে তিনিচুকীয়া মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° কৌশল চুড়, সত্ৰ সমন্বয়ক হিচাপে তিনিচুকীয়া মহাবিদ্যালয়ৰ অধ্যাপক ড° ৰিজু মণি কলিতা আৰু ড° সংঘমিত্ৰা শৰ্মাই দায়িত্ব পালন কৰে। অনুষ্ঠানত পৰ্যবেক্ষক হিচাপে উপস্থিত আছিল তিনিচুকীয়া মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী ড° ৰূপালী গগৈ, পৰিসংখ্যা বিভাগৰ সহযোগী অধ্যাপক মেহৰুনিছা বেগম, আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ড° বুলবুল গগৈৰ লগতে মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ শিক্ষক-শিক্ষাৰ্থী। আলোচনা-চক্ৰখনৰ দ্বিতীয় দিনা অফলাইন সত্ৰত বিশিষ্ট ব্যক্তি হিচাপে অধ্যাপক ড° সত্যজিৎ গগৈ ভৰাল আৰু সহযোগী অধ্যাপক ড° মোহন শৰ্মাৰ লগতে অধ্যাপক প্ৰেৰণা দ'লে আৰু ড° পিংকী গগৈৰ পৰিচালনাত সুকলমে একাধিক অংশগ্ৰহণকাৰীৰ সহযোগিতাৰে আকৰ্ষণীয়কৈ সমাপন হয়। একেসময়তে অনলাইন স্তৰত আলোচনা-চক্ৰখনিৰ সমল ব্যক্তি অধ্যাপক ড° বিপ্লৱ বনিক আৰু সহযোগী ড° চকৰচিং বড়োৱে অংশগ্ৰহণ কৰে। চে'চন ক' অৰডিনেটৰ আৰু ৰেপৰটিয়াৰৰ দায়িত্ব পালন কৰে অধ্যাপক ড° পোৱামিনথাং হাওকিপ আৰু লংকি এংলেঙে। আলোচনা-চক্ৰৰ উক্ত সত্ৰটো দেশ-বিদেশৰ একাধিক অংশগ্ৰহণকাৰীয়ে অংশ লয়। দেশ-বিদেশৰ গৱেষক, শিক্ষক, শিক্ষাৰ্থীৰ অংশগ্ৰহণেৰে তিনিচুকীয়া মহাবিদ্যালয়ত এয়া আছিল আন্তঃৰাষ্টীয়ভাৱে উদ্যোগ গ্ৰহণ কৰা প্ৰথম প্ৰচেষ্টা। এই ক্ষেত্ৰত তিনিচুকীয়া মহাবিদ্যালয়ৰ সমূহ অধ্যাপক, গৱেষক, শিক্ষাৰ্থীৰ লগতে অৱধাৰিতভাৱে প্ৰাণীবিজ্ঞান বিভাগৰ উদ্যমী অধ্যাপক ড° নিপেন নায়কৰ ভূমিকা বিশেষভাৱে প্ৰশংসনীয়।

# গুৱাহাটীৰ পথ দুৰ্ঘটনাত নিহত লুনা ভৰদ্বাজৰ বাসগৃহত শোকাকুল পৰিৱেশ



**ষ্টাফ ৰিপ'টাৰ, বঙাইগাঁও, ২৪ জানুৱাৰী ঃ** কালি বাগদেৱীৰ বন্দনাৰে মুখৰ হৈ থকা সময়তে বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰাৰ যুৱতী লুনা ভৰদ্বাজ (২৬)ৰ গুৱাহাটীৰ পথ দুৰ্ঘটনাত নিহত হোৱাৰ পাছত আজি যুৱতী গৰাকীৰ নিথৰ দেহ ঘৰলৈ অনাৰ পাছত শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰি লুনাৰ মৃতদেহ ঘৰলৈ অনাত হুকহুকাই কান্দোনত ভাগি পৰে লুনাৰ পৰিয়াল। লুনাৰ এই অস্বাভাৱিক মৃত্যুক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলজুৰি গভীৰ শোকৰ ছা। লুনা ভৰদ্বাজৰ। মৃতদেহত শেষ শ্ৰদ্ধা জনোৱাৰ বাবে উত্তৰ শালমাৰাৰ বাসগৃহত উপস্থিত হয় জিলা বিজেপি, জিলা আছুৰ কৰ্মকৰ্তাৰ লগতে স্থানীয় ৰাইজ। জানিব পৰা মতে কালি সৰস্বতী পূজা উপলক্ষে সাজি কাচি ওলাই আহিছিল লুনা ভৰদ্বাজ। তাৰ পাছতে গুৱাহাটী কাহিলীপাৰাত তীব্ৰবেগী ১০৮ এম্বুলেঞ্চৰ খুন্দাত নিহত হয় জে বি আইন মহাবিদ্যালয়ৰ ছাত্ৰী তথা দুদিন পূৰ্বে এক্সিস বেংকত যোগদান কৰা লুনা ভৰদ্বাজ। ইতিমধ্যে ৰঙিয়া থানাত আত্মসমৰ্পণ কৰে এম্বুলেঞ্চৰ চালক ৰেকিবুদ্দিন আহমেদ। ৰঙিয়া থানাৰ ২ নং দ-গাঁৱৰ নিবাসী ৰেকিবুদ্দিনৰ বিৰুদ্ধে দিশপুৰ থানাত এজাহাৰ দাখিল কৰিছে।

**সদ্যপ্ৰয়াত অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গ, আন্তৰাষ্ট্ৰীয় বাঁহীবাদক দীপক শৰ্মা আৰু নাগাৰাসূৰ্য ৰামচৰণ ভৰালীলৈ সমূহীয়া শ্ৰদ্ধাঞ্জলি গাওঁবাসীৰ**

# বাৰোবাৰী শ্ৰীশ্ৰী বাৰগোপাল থানৰ ৩২ সংখ্যক মাঘী সভা মহোৎসৱ উপলক্ষে লোকে লোকাৰণ্য পৰিৱেশ

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২৪ জানুৱাৰী ঃ** নলবাৰী জিলাৰ বগুৰিহাটী বৰ্দ্দেনাপাৰাস্থিত বাৰোবাৰী শ্ৰী শ্ৰী বাৰগোপাল থানৰ ৩২ সংখ্যক মাঘী সভা মহোৎসৱ উপলক্ষে লোকে লোকাৰণ্য পৰিৱেশৰ লগতে এক আধ্যাত্মিক পৰিৱেশৰ সূচনা হৈছে সমগ্ৰ অঞ্চলটোত। উল্লেখ্য যে প্ৰতি বছৰে সৰস্বতী পূজাৰ পিছদিনাখনৰ পৰা পালন কৰি আহিছে এই সভা মহোৎসৱৰ। আজি ১০ মাঘ ২৪ জানুৱাৰী শনিবাৰে অইনবেলিৰ দৰে এই বেলিও এদিনীয়া বৰ্ণাঢ্য কাৰ্য্যসূচীৰে অনুষ্ঠিত হৈছে মাঘী সভা মহোৎসৱৰ। দেবীৰাম হালৈক সভাপতি, দীননাথ তালুকদাৰ, খগেন শৰ্মাক উপ-সভাপতিদ্বয়, অমল চন্দ্ৰ দাসক সাধাৰণ সম্পাদক, হেমন্ত মেধিক (জ্যেষ্ঠ) আৰু হেমন্ত মেধিক (কনিষ্ঠ) সহঃ সম্পাদকদ্বয় হিচাপে লৈ বাৰগোপাল থান পৰিচালনা সমিতি গঠন কৰা হৈছে। আনহাতে, ৰমেশ চন্দ্ৰ তালুকদাৰক সভাপতি, বিমল ডেকাক উপ-সভাপতি, প্ৰণৱ মেধিক মুখ্য সম্পাদক, বিৰাজ হালৈ আৰু মিণ্টু মেধিক সম্পাদকদ্বয় হিচাপে লৈ ৩২ সংখ্যক সভা উদযাপন সমিতিখন গঠন কৰা হৈছে। তদুপৰি, হেমেন হালৈক সভাপতি, ৰঞ্জিত মেধি আৰু বুবুল তালুকদাৰক সম্পাদকদ্বয়, প্ৰকাশ হালৈ আৰু প্ৰদ্যুত মেধিক সহঃ সম্পাদকদ্বয় হিচাপে লৈ অভ্যৰ্থনা সমিতি এখনো গঠন কৰা হৈছে। এদিনীয়া দিনজোৰা কাৰ্যসূচী অনুসৰি ৰাতিপুৱা ৫-০০ বজাত পৰিবেশ প্ৰস্তুতি, ৫-৩০ বজাত বন্তি প্ৰজ্বলন, ৬-০০ বজাত ভাগৱত স্থাপন, ৬-৩০ বজাত ধৰ্মধ্বজা উত্তোলন, ৬-৪৫ বজাত বৃক্ষৰোপণৰ পিছতে ৭-০০ বজাত ভাগৱত শোভাযাত্ৰা অনুষ্ঠিত হয়। ৮-৩০ বজাত স্মৃতি তৰ্পন, ৯-৩০ বজাত ভাগৱত পাঠ আৰু ব্যাখ্যা, ১২-৩০ বজাত গদাধৰ ৰাজবংশীৰ ভাগৱত পাঠ অনুষ্ঠানৰ আয়োজন কৰে। দুপৰীয়া ১-০০ বজাত শ্ৰীশ্ৰী বাৰগোপাল মহাপ্ৰভুৰ সমূহীয়া ভোগ বিতৰণ আৰু আবেলি ২-৩০ বজাত স্থানীয় আয়তীৰ নাম পৰিৱেশন, সন্ধিয়া ৫-০০ বজাত ৩২ তম বাৰ্ষিক ধৰ্মবন্তি প্ৰজ্বলন আৰু আতচবাজী প্ৰদৰ্শন, সন্ধিয়া ৫-৩০ বজাত দৰং জিলাৰ ছিপাঝাৰৰ কৰিশ্মা নাথৰ নাগাৰা নাম পৰিৱেশন কৰা হয়। আনহাতে, ১৮ জানুৱাৰী, দেওবাৰে ৰাতিপুৱা ৯ বজাত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত খেল-ধেমালি, ১১ বজাত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। উল্লেখ্য যে ১৯৮০ চনতে ৰোপণ কৰা এডাল আহত গছৰ গুৰিত স্থাপন কৰা হৈছে। শ্ৰীশ্ৰী বাৰগোপাল থানখনলৈ বিভিন্ন প্ৰান্তৰ পৰা অহা ভক্তসকলৰ মনৰ কামনা পূৰণ হয় বুলিও লোকবিশ্বাস প্ৰচলিত হৈ আছে। সমূহ গাওঁবাসীয়ে মিলি সদ্যপ্ৰয়াত অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গ, আন্তৰাষ্ট্ৰীয় বাঁহীবাদক দীপক শৰ্মা আৰু নাগাৰাসূৰ্য ৰামচৰণ ভৰালীৰ প্ৰতিচ্ছৱিত সমূহীয়া শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। নিশা কৰিশ্মা নাথৰ নাগাৰা নামেৰে কাৰ্যসূচীৰ অন্ত পৰে।

# শিক্ষয়িত্ৰী দীপালী দত্ত স্মৃতি ন্যাসৰ ধনেৰে শিক্ষামূলক ভ্ৰমণ কৰালে শিক্ষাৰ্থীক

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ২৪ জানুৱাৰী ঃ** ভ্ৰমণ শিক্ষাৰ অবিচ্ছেদ্য অংগ। ছাত্ৰ অৱস্থাৰপৰা কৰা ভ্ৰমণে শিক্ষা আহৰণৰ ন-ন দুৱাৰ মুকলি কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞানপিপাসু মনত নৱ-উন্মেষ ঘটাবৰ বাবে কৃতী শিক্ষয়িত্ৰী দীপালী দত্ত স্মৃতি ন্যাসৰ ধনেৰে বিভিন্ন সময়ত বহু কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। এইবছৰ পশ্চিম যোৰহাট অঞ্চলৰ মিলনপুৰৰ আঠগৰাকী আৰ্থিকভাৱে শোচনীয় পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীক যোৰহাটৰ বিজ্ঞান কেন্দ্ৰ-তাৰকাগৃহ, অসম কৃষি বিশ্ববিদ্যালয়, জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়, গান্ধী উদ্যান, ম'হবন্ধাৰ ছ্যুকাফা সমন্বয় ক্ষেত্ৰ পৰিদৰ্শন কৰোৱায়। জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ তৰফৰপৰা আটাইকেইগৰাকী শিক্ষাৰ্থীকে একোখনকৈ গ্ৰন্থ উপহাৰৰূপে দিয়ে। শিক্ষামূলক ভ্ৰমণৰ প্ৰতিবেদন প্ৰস্তুত বিষয়ত প্ৰথম স্থানপ্ৰাপ্ত ৰুস্তম বৰশইকীয়াক ন্যাসৰ তৰফৰপৰা প্ৰশংসা-পত্ৰ, উপহাৰ ভোগালী বিহুৰ দিনা আদৰ্শ নামঘৰ, মিলনপুৰৰ বাকৰিত প্ৰদান কৰে। অংশগ্ৰহণ কৰা শিক্ষাৰ্থীসকলক ন্যাসৰপৰা উপহাৰ প্ৰদান কৰে। ন্যাসৰ হৈ সভাপতি প্ৰদীপ চন্দ্ৰ ওজা আৰু সম্পাদক গোবিন চন্দ্ৰ ভূঞা আৰু দাতা পৰিয়ালৰ হৈ দেৱজিত বৰাই সকলোকে ধন্যবাদ জ্ঞাপন কৰে। উল্লেখ্য, দীপালী দত্ত আদৰ্শ ট্ৰাইবেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰি অৱসৰ গ্ৰহণ কৰিছিল। তেওঁৰ স্মৃতি সজীৱ কৰি ৰাখিবৰ বাবে আত্মীয়সকলে ন্যাস গঠন কৰি পৰিচালনা কৰি আছে।

# ডুমডুমা মিলনজ্যোতি সংঘৰ 'হেডছাৰ' আৰু 'জিভা'ৰ সফলতা



**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৪ জানুৱাৰী ঃ** তিনিচুকীয়া জিলাৰ চাহ নগৰী ডুমডুমাৰ অন্যতম পুৰণি সাংস্কৃতিক-সামাজিক-ক্ৰীড়া সংগঠন মিলনজ্যোতি সংঘ, ডুমডুমা। বহু বছৰ ধৰি নিস্ক্ৰিয় হৈ থকা এই সংগঠনটোৱে বিগত ছেপ্টেম্বৰ মাহত অভিনয়াচাৰ্য ব্ৰজনাথ শৰ্মাৰ মৃত্যু বাৰ্ষিকী অনুষ্ঠিত কৰাৰ লগতে অসমৰ বহুকেইখন একাংকিকা নাট প্ৰতিযোগিতালৈ নাট্যদল প্ৰেৰণ কৰা 'মিলনজ্যোতি সংঘ ডুমডুমা'লৈ আহিছে সফলতা। যোৱা ১৭ জানুৱাৰীত ডুমডুমাৰ সমীপৰ বাঘজানত শিল্পী দিৱস উপলক্ষে বাঘজান গাঁও মিলনজ্যোতি যুৱ সংঘ, অসম মৰাণ সভা আৰু সদৌ মৰাণ ছাত্ৰ সন্থাৰ বাঘজান শাখা সমিতিৰ উদ্যোগত তথা বাঘজানবাসীৰ সহযোগত অনুষ্ঠিত হোৱা আমন্ত্ৰণমূলক একাংকিকা নাট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি বিশিষ্ট নাট্যকাৰ ৰাজীৱ লোচন বৰাৰ ৰচনা আৰু মনোজ বৰুৱাৰ পৰিচালনাত মঞ্চস্থ কৰা 'হেডছাৰ' নাটকখনে তৃতীয় শ্ৰেষ্ঠ নাট্যদলৰ সন্মান লাভ কৰাৰ লগতে শ্ৰেষ্ঠ পৰিচালক আৰু 'মালতী'ৰ চৰিত্ৰত অভিনয় কৰা মমী সোণোৱালে শ্ৰেষ্ঠ সহ অভিনেত্ৰীৰ সন্মান লাভ কৰে। এই নাটকখনত অভিনয় কৰিছিল ক্ৰমে মনোজ বৰুৱা (হেডছাৰ), মমী সোণোৱাল (মালতী-ৰান্ধনী), হেমন্ত কুমাৰ শ্যাম (ৰাজেন-অভিভাৱক), নমিতা বৰা ডেকা (চি আৰ চি চি) আৰু শুভাশিষ মল্লিক (ডি ই অ')। আনহাতে সদৌ ধেমাজি জিলা ছাত্ৰ সন্থাৰ উদ্যোগত, অসম নাট্য সন্মিলন ধেমাজি জিলা সমিতি, ইজাবেলা নাট্যগোষ্ঠী চিমেন চাপৰি আৰু চিমেন চাপৰি আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত তথা চিমেন চাপৰিবাসীৰ সহযোগত যোৱা ২১, ২২ আৰু ২৩ জানুৱাৰীত চিমেন চাপৰি শিল্পী সংঘৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা সদৌ অসম পূৰ্ণাংগ নাট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি বিশিষ্ট নাট্যকাৰ ৰাজীৱ লোচন বৰাৰ দ্বাৰা ৰচিত আৰু অনুৰাগ বৰাৰ দ্বাৰা পৰিচালিত 'জিভা' নাটকখনে তৃতীয় শ্ৰেষ্ঠ নাট্যদলৰ সন্মান লাভ কৰাৰ লগতে বিপনজিৎ গগৈ (চৰিত্ৰ-মনবৰ) শ্ৰেষ্ঠ অভিনেতা ৰূপে বিবেচিত হয়। এই নাটকখনত অভিনয় কৰিছিল বিপনজিৎ গগৈ (মনবৰ), পম্পী মৰাণ (কাবেৰী), লক্ষজিৎ মহন্ত (বিজয়), বৰ্ণালী শ্যাম (জয়া), ৰঞ্জিত গগৈ (থুলুক), প্ৰাণজিৎ গাৰ্গ (ৰাজেশ), মৌচুমী মৰাণ (জুৰি) আৰু চুমী দাস (নিতা) এ। নাটকখনৰ পোহৰ আৰু সংগীতত আছিল অনুৰাগ বৰা। দুয়োটা নাট্যদলৰ এনে সফলতাত মিলনজ্যোতি সংঘ, ডুমডুমাৰ প্ৰতিগৰাকী বিষয়ববীয়া আৰু অঞ্চলটোৰ নাট্যপ্ৰেমী ৰাইজে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে।

# পুৰণিগুদাম চলচলিত হিন্দু সন্মিলন



**অসম বাৰ্তা, পুৰণিগুদাম, ২৪ জানুৱাৰী ঃ** ১৯২৫ চনত স্থাপিত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘই ১০০ বছৰত ভৰি দিলে। বিশ্বৰ সৰ্ববৃহৎ সামাজিক সংগঠন হিচাপে পৰিগণিত হোৱা এই সংঘৰ জৰিয়তে আজি পুৰণিগুদাম চলচলি মণ্ডলত অনুষ্ঠিত হয় এখন বিশাল হিন্দু সন্মিলন। চলচলি চন্দ্ৰজ্যোতি সংঘৰ প্ৰেক্ষাগৃহৰ দেৱেশ্বৰ শৰ্মা ক্ষেত্ৰত অনুষ্ঠিত হোৱা এই সন্মিলনখনত বৃহত্তৰ চলচলি অঞ্চলৰ তিনি শতাধিক লোক উপস্থিত থাকে। সংগঠন আৰু সেৱাৰ এশ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত হোৱা হিন্দু সন্মিলনে হিন্দু লোকসকলক একত্ৰিত কৰাত বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। আজি এই হিন্দু সন্মিলনত বড়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী, সংঘৰ প্ৰান্তীয় কাৰ্য্যকৰ্তা পাশ্বজ্যোতি সন্দিকৈ, সংঘৰ মহকুমা প্ৰচাৰক নৱ দিহিঙীয়া, বড়মপুৰ খণ্ড কাৰ্যনিৰ্বাহক দ্বিপেন শইকীয়া উপস্থিত থকাৰ উপৰিও কেশৱ শইকীয়া, প্ৰাণজিৎ কটকীকে ধৰি কেইবাজনো বিষয়ববীয়া উপস্থিত থাকে। দিনযোৰা সন্মিলনৰ বিভিন্ন কাৰ্য্যসূচীৰ মাজে মাজে সমবেত সংগীত, দিহানাম, বৰগীত আদি অনুষ্ঠিত হয়।

# দৰং কৰ্কট কেন্দ্ৰৰ উদ্যোগত খাৰুপেটিয়াস্থিত গ্লেছিয়েৰ একাডেমীত ৰাষ্ট্ৰীয় কন্যা সন্তান দিৱস পালন

**অসম বাৰ্তা, মঙলদৈ, ২৪ জানুৱাৰী ঃ** আজি ৰাষ্ট্ৰীয় কন্যা সন্তান দিৱস উপলক্ষে দৰং কৰ্কট কেন্দ্ৰই দৰঙৰ খাৰুপেটিয়াস্থিত বৰঙাবাৰীৰ গ্লেছিয়েৰ একাডেমীত ৰাষ্ট্ৰীয় কন্যা সন্তান দিৱস পালন কৰে। গ্লেছিয়েৰ একাডেমীৰ অধ্যক্ষ জাকিৰ হুছেইনে আঁত ধৰা অনুষ্ঠানত দৰং কৰ্কট কেন্দ্ৰৰ চিকিৎসক ডাঃ ছহিদুল ইছলামে উপস্থিত থকা ছাত্ৰী সকলক ৰাষ্ট্ৰীয় কন্যা সন্তান দিৱস উপলক্ষে কন্যা সন্তান সকল সু-স্বাস্থ্য হৈ থকাৰ বা অসম চৰকাৰে যি সমূহ ভেকচিন লবৰ বাবে উলিয়াইছে সকলো বোৰ ভেকচিন চিকিৎসকৰ পৰামৰ্শ লৈ ল'বলৈ আহ্বান জনোৱাৰ লগতে মহিলা সকলৰ কৰ্কট ৰোগৰ লক্ষণ আৰু সাৱধানতা ৰ ওপৰত বক্তব্য আগবঢ়াই। দৰং কৰ্কট কেন্দ্ৰৰ ৰোগী সমন্বয়ক নিৰঞ্জন শইকীয়াই আজি ৰাষ্ট্ৰীয় কন্যা সন্তান দিৱস উপলক্ষে উপস্থিত থকা ছাত্ৰী সকলক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে দৰং কৰ্কট কেন্দ্ৰত উপলব্ধ চিকিৎসা পৰীক্ষা সমূহৰ বিষয়ে অৱগত কৰে আৰু মহিলা সকলৰ বিভিন্ন ৰোগৰ লক্ষণ দেখা দিলে ততালিকে চিকিৎসকৰ পৰামৰ্শ লবৰ বাবে আহ্বান জনাই। দৰং কৰ্কট কেন্দ্ৰৰ নাৰ্ছিং অফিছাৰ মৌচুমীআৰা বেগমে উপস্থিত থকা ছাত্ৰী সকলক উদেশ্যি আজি ৰাষ্ট্ৰীয় কন্যা সন্তান দিৱস উপলক্ষে মহিলা সকলৰ বাবে যি ভেকচিন উপলব্ধ সেই সমূহ ভেকচিন ৰ বিষয়ে অৱগত কৰাব লগতে HPV ভেকচিন লোৱাৰ ক্ষেত্ৰত সকলো নিয়মৰ লগতে সকলো অৱগত কৰে আৰু মহিলা সকলৰ স্তন কেন্সাৰ, জৰায়ু মুখৰ কেঞ্চাৰৰ লক্ষণ সাৱধানতা আৰু চিন্তম সমূহৰ বিষয়ে অৱগত কৰি সজাগতা আৰু সাৱধানতাৰ ওপৰত বক্তব্য আগবঢ়াই। আজি ৰাষ্ট্ৰীয় কন্যা সন্তান দিৱসটি খাৰুপেটিয়াৰ বৰঙাবাৰীস্থিত গ্লেছিয়েৰ একাডেমীৰ সহযোগত অনুষ্ঠিত কৰে আৰু শতাধিক ছাত্ৰীয়ে উপস্থিত থাকি ৰাষ্ট্ৰীয় কন্যা সন্তান দিৱস পালন কৰে।

# ধিং সমজিলা দাবী ও উন্নয়ন সমিতিৰ সম্বৰ্ধনা ও মত বিনিময় অনুষ্ঠান

**অসম বাৰ্তা, ২৪ জানুৱাৰী ঃ** ধিং সম জিলা দাবী ও উন্নয়ন সমিতিৰ উদ্যোগত আজি দিনৰ ৪ বজাত মৈৰাবাৰী পাব্লিক লাইব্ৰেৰীৰ প্ৰেক্ষাগৃহত এখনি মত বিনিময় কাৰ্যসূচী অনুষ্ঠিত হৈ যায়। ধিং সম জিলা দাবী উন্নয়ন সমিতিৰ সভাপতি ৰিমজিম বৰাই সভাপতিত্ব কৰা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক আশ্বিক ৰব্বাণীয়ে। অনুষ্ঠানটোত ধিং অঞ্চলক অতি শীঘ্ৰে সম জিলা হিচাপে ঘোষণা কৰিবলৈ প্ৰত্যেকজন বক্তাই সজোৰে দাবী উত্থাপন কৰে। উন্নয়ন সমিতিৰ তৰফৰ পৰা বিভিন্ন দাবী সম্বলিত স্মাৰকপত্ৰ ৰাজ্য চৰকাৰৰ ওচৰত দাখিল কৰা বুলিও উদ্যোক্তাসকলে জানিবলৈ দিছে। আজিৰ অনুষ্ঠানটোত মৈৰাবাৰী অঞ্চলৰ প্ৰায় ২০ জনতকৈ অধিক স্থানীয় সাংবাদিক আৰু কেইবা গৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়।

# ৰঞ্জিত ৰাভাৰ শিৰত শ্ৰেষ্ঠ গায়কৰ শিক্ষক শিক্ষণ মহাবিদ্যালয়ৰ 'মহাবিদ্যালয় সপ্তাহ'ত বৰ্ণাঢ্য শোভাযাত্ৰা

**অসম বাৰ্তা, মঙলদৈ, ২৪ জানুৱাৰী ঃ** আঠদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত মঙলদৈ শিক্ষক শিক্ষণ মহাবিদ্যালয়ৰ 'মহাবিদ্যালয় সপ্তাহ' আজি সফল সামৰণি পৰে। আজি দিনৰ ১১ বজাত অসমীয়া প্ৰতিদিনৰ মঙলদৈৰ সাংবাদিক গণেশ দত্তই বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে। দৰঙী কলা কৃষ্টি, বিহু, বড়ো নৃত্য, ঝুমুৰকে ধৰি বৰ অসমৰ কলা কৃষ্টিক উদ্ভাসিত কৰি ছাত্ৰ-ছাত্ৰী সকলে ৰাইজক আকৃষ্ট কৰে। ইয়াৰ পিছতে জ্যেষ্ঠ সাংবাদিক দুলাল ডেকাই বিদুশ্ৰী সাহা সম্পাদিত প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে। দিনৰ ১ বজাত অধ্যক্ষ তপন কুমাৰ শৰ্মাৰ সভাপতিত্বত হোৱা মুকলি সভা উদ্বোধন কৰে অধ্যাপিকা ড° কৰবী কলিতাই। সম্পাদক সত্যেন্দ্ৰ কলিতাই




উদ্দেশ্য ব্যাখ্যা কৰা এই সভাত মঙলদৈ মহাবিদ্যালয়ৰ অধ্যাপক হৰিমন ডেকা আৰু মঙলদৈ শিক্ষক শিক্ষণ মহাবিদ্যালয়ৰ অধ্যাপক হেমন্ত কুমাৰ তামোলীয়ে বক্তব্য প্ৰদান কৰে। সভাত ৰঞ্জিত ৰাভাক শ্ৰেষ্ঠ গায়ক, নন্দেশ্বৰ বৰুৱাক শ্ৰেষ্ঠ সমাজসেৱক, গায়ত্ৰী শইকীয়াক মহিলাৰ শ্ৰেষ্ঠ খেলুৱৈ আৰু গৌতম কুমাৰক পুৰুষৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা প্ৰদান কৰা হয়। আনহাতে ইয়াৰ পূৰ্বে প্ৰবক্তা ড° অনিন্দিতা বৰগোহাঞিং, প্ৰিয়ংকা পেগুৱে পৰিবেশন নিকাকৰণ, অধ্যাপক ড কবিতা বৰ্মণে বন্তি প্ৰজ্বলন, অধ্যক্ষ তপন কুমাৰ শৰ্মাই পতাকা উত্তোলন, দেওমৰনৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক সীমান্ত বৰুৱাই স্মৃতি তৰ্পণ, জ্যেষ্ঠ কাৰ্যালয় সহায়ক গৌতম দাস, গ্ৰন্থাগাৰ সহায়িকা তৃষ্ণা ডেকা আৰু কাৰ্যালয় সহায়ক ধ্ৰুৱজ্যোতি ভট্টাচাৰ্যই গছপুলি ৰোপণ, অধ্যাপক হেমন্ত কুমাৰ তামোলী আৰু বিজ্ঞান প্ৰদৰ্শক মহিবুল ইছলামে খেল ধেমালি প্ৰতিযোগিতা উদ্বোধন, প্ৰবক্তা নীলাক্ষি পাটোৱাৰী সাহিত্য প্ৰতিযোগিতা উদ্বোধন, প্ৰবক্তা ড° স্বপ্না নাৰ্জাৰীয়ে সাংস্কৃতিক প্ৰতিযোগিতা উদ্বোধন, প্ৰবক্তা পাপৰি নাথে কুচ-কাৱাজ উদ্বোধন আৰু দৰং জিলা হাইস্কুল শিক্ষক সংস্থাৰ সম্পাদক সুনন্দ কুমাৰ নাথে ভেশচন প্ৰতিযোগিতা উদ্বোধন কৰিছিল।

# ৰূপহীহাটত ৰাষ্ট্ৰীয় কন্যা সন্তান দিৱস উদযাপন




**অসম বাৰ্তা, ৰূপহীহাট, ২৪ জানুৱাৰী ঃ** আজি ৰাষ্ট্ৰীয় কন্যা সন্তান দিৱস উপলক্ষে নগাঁও জিলাৰ স্বাস্থ্য বিভাগৰ তৰফপৰা ৰূপহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এক সজাগতা সভা আয়োজন কৰে। উক্ত সভাত পুৱাৰে পৰা বিভিন্ন কাৰ্য্যসূচীৰে অনুষ্ঠিত কৰা হয় সজাগতা সভাখন। আমাৰ সমাজত বৰ্তমান সময়ছোৱাত অসুৰক্ষিত হৈ আছে কন্যা সন্তান সকল। সমাজত এগৰাকী লৰাই যেনেদৰে স্বাধীনভাৱে ঘূৰা ফুৰাত নিজৰ অধিকাৰ সাব্যস্ত কৰে ঠিক তেনেদৰে কিয় এগৰাকী কন্যাই সমাজত নিজৰ অধিকাৰ সাব্যস্ত কৰিব নোৱাৰে। পূৰ্বৰ পৰাই সমাজত গুণ হত্যা আৰু কন্যা সন্তানক ঘিনাৰ চকুৰে চোৱা যি সকল লোক আজিও এনেকুৱা মানসিকতা লৈ সমাজত জীয়াই আছে সেই সকল লোকক শুধৰাই সকলোৱে যে মানুহ এই কথা বিশ্বত প্ৰমাণ কৰিব লাগে। এই সমাজত পুৰুষৰ দৰে মহিলা সকলৰ যে সম অধিকাৰ আছে এই উদেশ্যে আজি সংবাদমাধ্যমৰ জৰিয়তে অসমৰ ৰাইজক এক বাৰ্তা প্ৰেৰণ কৰে আয়োজকসকলে।

**ড° কৰবী ডেকাসহ বিশিষ্ট ব্যক্তি উপস্থিত**

# ডিব্ৰুগড়ত জুবিন গাৰ্গৰ স্মৃতিত "জুবিন নাহৰ বনত" বৃক্ষৰোপণ কাৰ্যসূচী সম্পন্ন



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৪ জানুৱাৰী ঃ** ডিব্ৰুগড় চহৰৰ এক অগ্ৰণী স্বেচ্ছাসেৱী অনুষ্ঠান "প্ৰহৰী" আৰু ডিব্ৰুগড় পৌৰনিগম ৱাৰ্ডৰ সদস্য দিব্যজ্যোতি হাজৰিকাৰ যুটীয়া প্ৰচেষ্টাত আজি ডিব্ৰুগড় চহৰৰ মাজমজিয়াত অৱস্থিত নিৰ্মালী গাঁৱৰ উদ্যানত এক বৃহৎ পৰিসৰৰ নাহৰ পুলি ৰোপণ কাৰ্যসূচী সম্পন্ন হয়। এই কাৰ্যসূচীত বহু সংখ্যক সমাজকৰ্মী, বুদ্ধিজীৱী তথা অনুষ্ঠানৰ সদস্যই অংশগ্ৰহণ কৰে। বৃক্ষৰোপণ কাৰ্যসূচীৰ মূল উদ্দেশ্য আছিল অসমীয়া সংস্কৃতিৰ উপাসক, সূৰ্য্যকণ্ঠ অসমীয়াৰ হিয়াৰআমঠু শিল্পী জুবিন গাৰ্গে আগবঢ়োৱা নাহৰ বৃক্ষ ৰোপণৰ মহান চিন্তা আৰু আদৰ্শক সাৰোগত কৰি তেখেতৰ স্মৃতিত "জুবিন নাহৰ বন" গঢ়ি তোলা। নাহৰ পুলি ৰোপণৰ জৰিয়তে শিল্পী গৰাকীক গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। অনুষ্ঠানত অংশগ্ৰহণ কৰে সাহিত্যাচাৰ্য ড° কৰবী ডেকা হাজৰিকা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকা, বিশিষ্ট ডাঃ শান্তনু লহকৰ, ডাঃ ফটিক চন্দ্ৰ বুঢ়াগোহাঁই, দীপা গোস্বামী, গীতা বৰুৱা, ড° পঙ্কজ কুমাৰ শ্ৰুতিকৰ, ৰক্তিম গগৈ, দিব্যজ্যোতি হাজৰিকা আদিৰ লগতে বহু সংখ্যক সদস্য। অনুষ্ঠানৰ আৰম্ভণিতে ডা° শান্তনু লহকৰে নিজৰ অনুভৱ ব্যক্ত কৰি কয় যে ডিব্ৰুগড় চহৰত এনে বহু মহান ব্যক্তি আছিল যাৰ অৱদান আজিও সমাজত সজীৱ হৈ আছে। তেনে মহান ব্যক্তিসকলৰ স্মৃতিত সমাজৰ প্ৰতি দায়িত্ববোধৰে আগবাঢ়ি অহা আৰু সৃজনশীল কাম অব্যাহত ৰখাটো আমাৰ সকলোৰে কৰ্তব্য বুলি তেওঁ উল্লেখ কৰে। শেষত 'প্ৰহৰী'ৰ জনসম্পৰ্কৰক্ষী বিষয়া নৰেন্দ্ৰ নাথ গোস্বামীয়ে উপস্থিত সকলো অতিথি, সদস্য আৰু সহযোগীক ধন্যবাদ জ্ঞাপন কৰি শলাগৰ শৰাই আগবঢ়ায়।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন